# জৱাহৰ জ্যোতি

জৱাহৰলাল নেহৰু মহাবিদ্যালয় আলোচনী

• বকো •

# জৱাহৰ জ্যোতি

## জৱাহৰলাল নেহৰু মহাবিদ্যালয় আলোচনী

পঞ্চদশ সংখ্যা : ১৯৯২-৯৩

তত্বাৱধায়ক :
অধ্যাপক দিলীপ দাস

সম্পাদক :
শ্ৰীক্ষীৰোদ কুমাৰ চৌধুৰী

## সম্পাদনা সমিতি ঃ

অধ্যক্ষ যতীন্দ্ৰ চন্দ্ৰ নাথ, সভাপতি

অধ্যাপক শৰৎ চন্দ্ৰ তালুকদাৰ, উপ-সভাপতি

অধ্যাপক দিলীপ দাস, তত্বাৱধায়ক

অধ্যাপক বসন্ত কুমাৰ দত্ত, সদস্য

অধ্যাপক মৃগেন্দ্ৰ কুমাৰ শৰ্মা, সদস্য

অধ্যাপক লক্ষী কান্ত শৰ্মা, সদস্য

শ্ৰীক্ষীৰোদ কুমাৰ চৌধুৰী, সম্পাদক

শ্ৰীজগত চন্দ্ৰ দাস (সাধাৰণ সম্পাদক), ছাত্ৰ সদস্য

শ্ৰীকুসুম কুমাৰ ডেকা, ছাত্ৰ সদস্য

অঙ্গ সজ্জা ঃ সম্পাদক, তত্বাৱধায়ক

আলোক চিত্ৰ ঃ ৰূপা ষ্টুডিঅ', বকো

ছপা ঃ জনতা প্ৰেছ, মিৰ্জা

জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৯২-৯৩ চনৰ ছাত্ৰ একতা সভাৰ হৈ শ্ৰীক্ষীৰোদ কুমাৰ চৌধুৰীৰ দ্বাৰা প্ৰকাশিত আৰু মিৰ্জাৰ জনতা প্ৰেছত মুদ্ৰিত।

# এই সংখ্যাৰ নিবেদন ঃ


| | | লেখক ঃ | | পৃষ্ঠা |
|---|---|---|---|---|
| সম্পাদকীয় | | | | |
| **কবিতা ঃ** | | | | |
| অন্তৰঙ্গ আলাপ | ঃ | —দিগন্ত কুমাৰ ৰাভা | ঃ | ১ |
| প্ৰতীক্ষা | ঃ | —ৰণিত ৰাভা | ঃ | ১ |
| গোলাপ পাহেও বিনাইছিল | ঃ | —জগদীশ ৰাভা | ঃ | ২ |
| বিতৃষ্ণা | ঃ | —সবিন কুমাৰ বৈশ্য | ঃ | ২ |
| আনুভূতিক | ঃ | —দেৱীৰাম বড়ো | ঃ | ২ |
| এখন নদী | ঃ | —লক্ষীধৰ বড়ো | ঃ | ২ |
| সপোন | ঃ | —সত্যশংকৰ নাথ | ঃ | ৩ |
| মদাৰ | ঃ | —ভূদেৱ অধিকাৰী | ঃ | ৩ |
| আমাক এজন অমৰ মহাত্মা লাগে | ঃ | —হেমন্ত মহন্ত | ঃ | ৪ |
| পদে পদে তৰোৱাল | ঃ | —অৰুণ চন্দ্ৰ বড়ো | ঃ | ৪ |
| মোৰ প্ৰেমৰ প্ৰজন্ম | ঃ | —ক্ষীৰোদ কুমাৰ চৌধুৰী | ঃ | ৫ |
| হেঁপাহ | ঃ | —জীৱেশ্বৰ পাঠক | ঃ | ৫ |
| নতুনত্ব বিচাৰি | ঃ | মঃ আবিদুৰ ৰহমান | ঃ | ৬ |
| সপোন সখী | ঃ | —কুসুম কুমাৰ ডেকা | ঃ | ৬ |
| আকৌ পৰিলোঁ প্ৰেমত | ঃ | —শিশিৰ কুমাৰ কলিতা | ঃ | ৭ |
| শুই আছোঁ | ঃ | —শান্তিৰাম ৰাভা | ঃ | ৭ |
| ঠিকনা | ঃ | —কল্পনা বৰুৱা | ঃ | ৮ |
| জীৱন সংবেদ | ঃ | —নিৰঞ্জন মজুমদাৰ | ঃ | ৮ |
| ছোমালিয়া | ঃ | —বাসৱ ঠাকুৰীয়া | ঃ | ৯ |
| কালান্তক | | —মুক্তিনাথ বড়ো | ঃ | ৯ |
| নীৰৱ বেদনা | ঃ | —বিপুল বৈশ্য | ঃ | ১০ |
| যাত্ৰী | ঃ | —দীপক কলিতা | ঃ | ১০ |
| অম্লান আলিঙ্গন | ঃ | —বসন্ত কুমাৰ দত্ত | ঃ | ১১ |

| প্ৰবন্ধ ঃ | | লেখক ঃ | | পৃষ্ঠা ঃ |
|---|---|---|---|---|
| বিনষ্ট প্ৰাকৃতিক ভাৰসাম্যতা আৰু ভূমি সম্পদ সংৰক্ষণ | ঃ | —চন্দন ঠাকুৰীয়া | ঃ | ১২ |
| অসমীয়া জাতি গঠনত গুৰুজনাৰ অৱদান | ঃ | — বিনোদ কুমাৰ কলিতা | ঃ | ১৬ |
| পণ্ডিত বিষ্ণু নাৰায়ণ ভাতখাণ্ডে ঃ এটি পৰিচয় | ঃ | — হীৰামণি দেৱী | ঃ | ১৯ |
| অসমীয়া সাহিত্যৰ প্ৰাচীনতম্ নিদৰ্শন ঃ চৰ্য্যাপদ | ঃ | —ধৰ্মকান্ত বৰুৱা | ঃ | ২১ |
| **গল্প ঃ** | | | | |
| সূৰ্যোদয় | ঃ | —হেমন্ত মহন্ত | | ২৭ |
| সংবাদ | ঃ | —সুশীল পাটোৱাৰী | | ৩২ |
| প্ৰতীক্ষা | ঃ | — ক্ষীৰোদ কুমাৰ চৌধুৰী | | ৩৬ |
| **বিশ্ব পৰিক্ৰমা ঃ** | | | | |
| নতুন দক্ষিণ আফ্ৰিকা আৰু মেণ্ডেলাৰ সমুখত নতুন প্ৰত্যাহ্বান | ঃ | — | | ৪০ |
| কবি নৱকান্ত বৰুৱাৰ সৈতে সাক্ষাৎকাৰ | ঃ | — | | ৪৫ |
| কবি হীৰেন ভট্টাচাৰ্যৰ সৈতে সাক্ষাৎকাৰ | ঃ | — | | ৪৯ |
| বিভাগীয় সম্পাদক/সম্পাদিকাৰ প্ৰতিবেদন | ঃ | — | | ৫৫ |
| ১৯৯২-৯৩ চনৰ মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত কৰা বিভিন্ন প্ৰতিযোগিতাৰ ফলাফলসমূহ ঃ | ঃ | — | | ৬৭ |

# সম্পাদকীয়

**অধ্যয়নৰ প্ৰয়োজনীয়তা ঃ**

পাঠ্যপুথি খৰচি মাৰি অধ্যয়ন কৰাৰ প্ৰয়োজনীতাৰ বিষয়ে পঢ়ুৱৈ অথবা পঢ়ুওতাক নকৈ কিবা কোৱাৰ বিশেষ প্ৰয়োজন নাই। কিন্তু বৰ্তমানে দেশ তথা সমাজত প্ৰতি মুহূৰ্ততে দেখা দিয়া অশান্তিকৰ আৰু ভয়ঙ্কৰ অৱস্থাৰ পৰিপ্ৰেক্ষিতত দেশ বা সমাজৰ পৰিস্থিতি অধ্যয়ন কৰাৰ প্ৰয়োজনীয়তাৰ বিষয়ে দুআষাৰ কোৱাৰ প্ৰয়োজন আছে। যিবিলাক ব্যক্তি, সংগঠন, ৰাজনৈতিক দল-উপদল অথবা প্ৰচাৰ মাধ্যমে উদ্দেশ্য প্ৰণোদিতভাৱে দেশ বা সমাজত এনে অৱস্থাৰ সৃষ্টি কৰে সেইসকলৰ বা সেইবোৰৰ বাবে শুভ বুদ্ধিৰ আশু উদয় কামনা কৰি আমি আমাৰ আলোচনাৰ লক্ষ্যত লৈছো সেইসকলক যি নিজৰ বিচাৰ-বুদ্ধিক অকামিলা কৰি অশুভ অৱস্থাৰ সৃষ্টিকৰ্তাৰ হাতৰ পুতলা হৈ খোজেপতি বিপথে পৰিচালিত হয় আৰু নিজৰ লগতে দেশ আৰু সমাজৰ বাবে ভয়ঙ্কৰ বিপদ মাতি আনে। আমাৰ ধাৰণাত পৰিস্থিতিৰ সম্যক অধ্যয়নৰ অক্ষমতাই ইয়াৰ এটা মূল কাৰণ। ঘটনা, পৰিস্থিতি বা সমস্যা সম্পৰ্কে যেতিয়া কাৰোবাৰ সম্যক ধাৰণা নাথাকে তেতিয়া তেনে ব্যক্তি উদ্দেশ্য প্ৰণোদিত অশুভ শক্তিৰ সহজ চিকাৰ হোৱাৰ সম্ভাৱনাই বেছি। অভিজ্ঞতাত অপৰিপক্ক আৰু বয়সত কোমলমতীয়া যুৱ সমাজৰ একাংশ আজি এনে এচাম নিৰীহ চিকাৰ।

কোনো ঘটনা, পৰিস্থিতি অথবা সমস্যা সম্পৰ্কে সম্যক ধাৰণা আয়ত্ত কৰাৰ এক নিৰ্ভৰযোগ্য উপায় হ'ল সত্যাশ্ৰিত, নিৰপেক্ষ, সুচিন্তিত গ্ৰন্থ, আলোচনী, বাতৰিকাকত আদিৰ লিখনি অধ্যয়ন। অসত্য, অতিৰঞ্জিত, পক্ষপাতদুষ্ট লিখনিয়ে সমাজৰ বিভিন্ন স্তৰৰ পাঠকৰ ওপৰত সময়ে সময়ে প্ৰতিকূল প্ৰভাৱ পেলাই ৰাজনৈতিক অথবা সামাজিক জীৱন বিপৰ্যস্ত কৰাৰ লগতে দেশ আৰু জগতৰ বাবে কেনে সুদূৰ প্ৰসাৰী আৰু অপূৰণীয় ক্ষতিৰ বাট মুকলি কৰি থৈ যায় তাক সম-সাময়িক বাতৰিকাকত, আলোচনী আদিৰ লগত সম্পৰ্ক থকা প্ৰতিগৰাকী ধীমান পাঠকে তৎকালীনভাৱে আৰু সৰ্বসাধাৰণ পাঠকে দেৰিকৈ হলেও উপলব্ধি কৰিব পাৰে বা কৰি আহিছে। বিভিন্ন আলোচনী, বাতৰি কাকত আদিত সমস্যা এটোটাৰ ওপৰত আলোকপাত কৰি লিখা লিখনি চালি-জাৰি পঢ়ি চোৱাৰ প্ৰয়াস কৰিলে বহু সময়ত সচেতন পাঠকে নিজে সমস্যা বা ঘটনা এটোটাৰ সম্যক ধাৰণা কৰি ল'ব পাৰে আৰু সেই অনুযায়ী নিজৰ সিদ্ধান্ত আৰু স্থিতি স্থিৰ কৰি ল'ব পাৰে। তেনে ধাৰণা কৰি লোৱাত অসুবিধা হ'লে উপযুক্ত ব্যক্তিৰ উপদেশ অনুযায়ী অধ্যয়ন কৰা যুগুত। তাকে নকৰি অশুভ শক্তিয়ে আবুৰৰ পৰা হাতৰ ইঙ্গিতেৰে

উঠা-বহা কৰোৱা বাতৰিকাকত, আলোচনী আদিৰ উদ্দেশ্য প্ৰণোদিত বাতৰি, আলোচনী আদি পঢ়ি অথবা সাম্প্ৰদায়িকতাবাদ, উগ্ৰ জাতীয়তাবাদ, উগ্ৰ আঞ্চলিকতাবাদ আদিক লক্ষ্যত ৰাখি পৰিচালিত হোৱা বাতৰিকাকত বা আলোচনী আদিৰ লিখনি পঢ়ি প্ৰভাৱান্বিত হৈ আবেগ সৰ্বস্ব কাৰ্যপন্থা হাতত ললে নিজৰ, সমাজৰ বা দেশৰ কাৰো যে উপকাৰ সাধন নহয় বৰং প্ৰভূত ক্ষতিৰ বোজা সকলোৱে মূৰ পাতি ল'ব লগীয়া হয় তাক সময়ে সময়ে নিকাৰূপত প্ৰমাণ কৰি আহিছে। আমি আশা কৰিছোঁ, সুচিন্তিত, সত্যাশ্ৰিত আৰু নিৰপেক্ষ বাতৰি, লিখনি, আলোচনা–সমালোচনা আদি অধ্যয়নৰ বাবে সৰ্বসাধাৰণ ৰাইজ আৰু বিশেষকৈ উঠি অহা যুৱক-যুৱতী আৰু ছাত্ৰ–ছাত্ৰী অধিক আগ্ৰহী হ'ব আৰু সমাজ তথা দেশ গঢ়াত গঠনমূলক ভূমিকা গ্ৰহণ কৰিব।

## সংস্কৃতি নে অপসংস্কৃতি ঃ

উৎসৱ-পৰ্ব জাতীয় সংস্কৃতিৰ অপৰিহাৰ্য অঙ্গ। কিন্তু কিছুমান উৎসৱ-পৰ্ব আজি কিছু বছৰৰ পৰা যি ধৰণে উদ্‌যাপন কৰা পৰিলক্ষিত হৈছে তালৈ চাই সেইবোৰক অপসংস্কৃতিৰ নামান্তৰ বুলিহে ক'বলৈ মন যায়। এনে উৎসৱ সমূহৰ ভিতৰত পোনতে আমাৰ সাতামপুৰুষীয়া অতিকে চেনেহৰ ৰঙালী বিহুটিৰ নামকেই উল্লেখ কৰিব লাগিব। ৰঙালী বিহুৰ ভালে কিছুদিন আগৰ পৰাই চান্দা তোলাৰ কাম আৰম্ভ হয়। আৰু প্ৰত্যেকে নিশ্চয় লক্ষ্য কৰিছে এই কাম কৰোঁতে চান্দা তোলাসকলৰ কিছুমানে কেতিয়াবা কেতিয়াবা ভদ্ৰজনোচিত আচৰণ পৰ্যন্ত পাহৰি পেলায়। ৰাষ্টাই-ঘাটে য'তে ত'তে যাত্ৰীবাহী বাছ, মালবাহী ট্ৰাক, আনকি ব্যক্তিগত যান-বাহনো বে-আইনীভাবে ৰখাই সাধাৰণতে কেইজনমান কিশোৰ বা যুৱকে কোনো সময়ত যান-বাহনৰ মালিক বা চালক-কৰ্মচাৰীৰ ইচ্ছাৰ বিৰুদ্ধে আৰু কোনো সময়ত কাজিয়াৰ পৰ্যায়লৈ গৈ চান্দা আদায় কৰা আজিকালি বিহুৰ আগৰ দিনবোৰত সঘনাই পৰিলক্ষিত হোৱা একোটা দৃশ্য। ব্যৱসায়ী, চাকৰিয়াল অথবা গৃহস্থক নিজ খুচিৰে চান্দাৰ শকত অঙ্ক একোটা লিখি ৰচিদ আগবঢ়াই দি পইচা আদায় কৰাটোও চান্দা তোলাৰ আজিকালি আন এক প্ৰচলিত ঢং। আজিকালি আগৰ তুলনাত চহৰে-নগৰে, গাঁৱে ভূঁয়ে বিহুতলীৰ সংখ্যা বহু গুণ বৃদ্ধি পাইছে। নিচেই নিলগতে একো একোখন বিহুতলী। এনে অৱস্থাত একোজন ব্যৱসায়ী, একোজন চাকৰিয়াল, একোজন গৃহস্থ অথবা একোখন যানবাহনৰ মালিক–কৰ্মচাৰীয়ে প্ৰায় একে সময়তে কেবাখনো বিহুতলীত বহু সময়ত ইচ্ছাৰ বিৰুদ্ধে অথবা কেতিয়াবা জোৰ–জুলুমৰ বশৱৰ্তী হৈয়ো চান্দা দিবলগীয়া হয়। ফলস্বৰূপে সাধাৰণ চাকৰিয়াল, ক্ষুদ্ৰ ব্যৱসায়ী বা নিম্ন আয়ৰ গৃহস্থ এজনৰ মূৰত কেনে মাধমাৰ পৰে তাক কোৱাৰ প্ৰয়োজন নাই। উচ্চ আয়ৰ ব্যক্তি, অনুষ্ঠান

প্ৰতিষ্ঠানবোৰেও ইচ্ছাৰ বিৰুদ্ধে শকত অঙ্কৰ চান্দা আদায় দিবলগীয়া হলে নিশ্চয় সুখী অনুভৱ কৰিব নোৱাৰে। চান্দা আদায়ৰ এই ঢং অকল ৰঙালী বিহুৰ ক্ষেত্ৰতে নহয়, দুৰ্গাপূজা আদিৰ নিচিনা উৎসৱৰ ক্ষেত্ৰতো পৰিলক্ষিত হয়।

আমাৰ মতে চান্দা বা অৰিহণা দাতাৰ সামৰ্থ্য আৰু ইচ্ছা অনুযায়ী ল'ব লাগে। দাতাৰ অনিচ্ছাত বা দাতাক জোৰ-জুলুম কৰি চান্দা আদায় কৰা কোনোপধ্যেই বাঞ্ছনীয় নহয়। ৰাইজৰ উৎসৱত ৰাইজকে যদি অসন্তুষ্ট কৰি ধন গোটোৱা হয় তেনেহ'লে সেই ধনেৰে পতা উৎসৱ একোটাত ৰাইজৰ কিমানখিনি আন্তৰিকতা থাকিব? জাতীয় সংস্কৃতি জীয়াই ৰাখিবলৈ পতা এই উৎসৱবোৰত এনেবোৰ কাৰ্য সংস্কৃতিৰ অনুকূল নে? অসমৰ বাহিৰৰ যিবিলাক লোক এনেবোৰ জোৰ-জুলুমৰ চিকাৰ হৈছে তেওঁলোকৰ দৃষ্টিত আমাৰ সাতামপুৰীয়া আৰু অতি আদৰৰ উৎসৱ একোটাৰ সন্মান অৱনমিত হোৱা নাই নে? অথচ বহু সময়ত দেখা আৰু শুনা যায় যে চান্দা আদায়কাৰীসকলে অথবা উৎসৱ উদ্‌যাপন কমিটিৰ কৰ্মকৰ্তা সকলে উৎসৱৰ পিচতেতো নহয়ে, বছৰৰ পিছত বছৰ ধৰি টকা-পইচাৰ হিচাপ দিয়াৰ প্ৰয়োজনবোধ নকৰে। চান্দা আদায় কৰা দিন ধৰি উৎসৱ শেষ হৈ যোৱাৰ পিছলৈ কমিটিৰ সদস্যসকলে ৰাজহুৱা ধনৰ শ্ৰাদ্ধ কৰি দলেবলে হোটেল, ৰেষ্টুৰা বা ৰাজহুৱা স্থানত ইচ্ছা পূৰাই ভূৰি-ভোজন কৰি চান্দা আদায় কৰাৰ ভাগৰ পলুৱাৰ অভিযোগো প্ৰায়ে শুনা যায়। পৰিতাপৰ কথা এই যে ৰাইজৰ ধনেৰে পতা এইবোৰ জাতীয় উৎসৱৰ মঞ্চত সংস্কৃতিৰ স্বৰূপ কিন্তু বহু সময়ত বিকৃত ৰূপতহে প্ৰকাশ পায় বা প্ৰদৰ্শিত কৰা হয়। হুচৰি, বিহু গীত, বিহু নৃত্য, সত্ৰীয়া নৃত্য আদিৰ কিম্ভূত-কিমাকাৰ পৰম্পৰাহীন পৰিৱেশনত বিজ্ঞ সমালোচক, সচেতন দৰ্শক আজি অতিষ্ঠ—সংস্কৃতিৰ অৱক্ষয় দেখি বিলুপ্তিৰ আশঙ্কাত শঙ্কিত। হেজাৰ হেজাৰ টকা ভৰি নিমন্ত্ৰণ কৰি অনা নগৰীয়া শিল্পী কিছুমানে আজিকালি মঞ্চত অসমীয়া আধুনিক গীত বুলি যিবোৰ গীত পৰিৱেশন কৰে সেইবোৰৰ কিছুমানত পৰিলক্ষিত হয় সস্তীয়া হিন্দী বা ইংৰাজী গীতৰ অক্ষম খাপচাৰা অনুকৰণ আৰু বিভিন্ন বাদ্যযন্ত্ৰৰ অত্যাধিক অবাধ ব্যৱহাৰ। ব্যৱহাৰ নুবুলি কিছুমান ক্ষেত্ৰত বাদ্যযন্ত্ৰৰ অত্যাচাৰ বুলি ক'লেও কিজানি ভুল নহ'ব। কিছুমান শিল্পীৰ কণ্ঠৰ ভাষা আৰু বাদ্যযন্ত্ৰই এনেদৰে গ্ৰাস কৰি পেলায় যে সেইবোৰক কণ্ঠ সংগীত নুবুলি যন্ত্ৰসংগীত বোলাহে উচিত যেন লাগে। অসমীয়া গীতৰ ভাব-ভাষা, অনুভূতি আদিৰ লগত জীণ যোৱা, খাপ খোৱা দেশ-বিদেশৰ বিভিন্ন প্ৰান্তৰ লোকসুৰৰ সম্পদ আহৰণৰ ক্ষেত্ৰত আমাৰ যেনেকৈ দ্বিমত নাই, অসমীয়া গীতৰ লগত খাপচাৰা সুৰ আৰু বাদ্যযন্ত্ৰৰ প্ৰয়োগ বা ব্যৱহাৰত আছে আমাৰ বিতৃষ্ণা, ক্ষোভ আৰু দুৰ্ঘোৰ আপত্তি। এই প্ৰসঙ্গতে কাঠফুলাৰ দৰে সৃষ্টি হোৱা গীতৰ কেছেট কিছুমানৰ সন্দৰ্ভতো দু-আষাৰ কোৱাৰ প্ৰয়োজন অনুভৱ কৰা হ'ল। বিহুগীতৰ বা বিহুসুৰীয়া

গীতৰ, লোকগীতৰ বা লোকসুৰীয়া গীতৰ কেছেট বুলি সম্প্ৰতি বজাৰত এনে কিছুমান কেছেট বিক্ৰী কৰা হৈছে যে সেইবোৰত উল্লেখিত গীতৰ প্ৰয়োজনীয় গুণ বিলাকতো নায়েই, বহু সময়ত সেইবোৰ হৈছে অশালীন, শ্ৰুতিকটু আৰু অত্যন্ত নিম্নৰুচিসম্পন্ন। কিছুমান অসমীয়া আধুনিক গীতৰ অৱস্থাও তদনুৰূপ। অথচ এইবোৰ কেছেটো এক শ্ৰেণী শ্ৰোতাৰ মাজত সমাদৃত হৈছে। সংস্কৃতিক বিকৃত কৰাত এইবোৰ কেছেটে যে যথেষ্ট বৰঙণি যোগাব তাত সন্দেহ নাই। সুৰুচিসম্পন্ন আৰু সচেতন ৰাইজৰ প্ৰত্যক্ষ আৰু পৰোক্ষ হস্তক্ষেপৰ অবিহনে এই অৱস্থাৰ পৰা নিষ্কৃতি পোৱা সম্ভৱ নহয়।

সংস্কৃতিৰ সন্দৰ্ভত ওপৰত কৰা আলোচনাৰ ভিত্তিত আমি বিনম্ৰভাবে আমাৰ মনত জগা গোটাদিয়েক প্ৰশ্নৰ অৱতাৰণা কৰিব খুজিছোঁ। সেইবোৰ এনেকুৱা ঃ একোটা সৰু অঞ্চলত কেবাখন বিহুতলী বা পূজা মণ্ডপ পতাৰ সলনি এখনকৈ পাতিব নোৱাৰিনে? তেনে কৰিলে হোৱা আৰ্থিক ৰাহিৰ বাবে একোখন বিহুতলী বা একোখন পূজা মণ্ডপৰ সৌষ্ঠৱ দুগুণে বৃদ্ধি পোৱাৰ লগতে অঞ্চল বিশেষতে গঢ় লৈ উঠিব পৰা সম্ভাব্য বিভাজনমুখী মনোভাব এটাও বোধ কৰিব পৰা নাযাবনে? জোৰ-জুলুমৰ সলনি দাতাৰ সামৰ্থ্য আৰু সদিচ্ছালৈ লক্ষ্য ৰাখি চান্দা আদায় কৰা মনোভাব এটা গঢ়ি ল'ব নোৱাৰিনে? একেবাৰে অসমৰ্থজনক বাদ দি অঞ্চল বিশেষৰ ধনী-দুখীয়া সকলোখিনি ৰাইজৰ পৰা সামৰ্থ্য আৰু ইচ্ছা অনুযায়ী দিয়া যিকোনো পৰিমাণৰ চান্দা গ্ৰহণ কৰি জাতীয় উৎসৱ একোটাত সকলোকে জড়িত কৰি সেই উৎসৱক নিজৰ উৎসৱ বুলি ভবাৰ অৱকাশ এটা দি সকলোৰে অকপট আন্তৰিকতা আদায় কৰাৰ প্ৰচেষ্টা এটা চলাব নোৱাৰিনে? একোটা ৰাতিৰ এঘণ্টা বা দুঘণ্টামানৰ অনুষ্ঠান এটাৰ বাবে হেজাৰ হেজাৰ টকা ভৰি দূৰৈৰ শিল্পী একোজনক নিমন্ত্ৰণ কৰি অনাৰ সলনি স্থানীয় শিল্পীৰ দ্বাৰা প্ৰয়োজনবোধে সামান্য মাননিৰ বিনিময়ত সাংস্কৃতিক অনুষ্ঠানসমূহ পৰিবেশন কৰিব নোৱাৰিনে? তেনে কৰিলে স্থানীয় শিল্পীসকলক উৎসাহ দিয়াৰ লগতে বহু ৰাজহুৱা ধনৰো অপচয় ৰোধ নহ'বনে? উৎসৱৰ তাৎপৰ্য ৰাইজক বিশেষকৈ উঠি অহা চামক বুজাবলৈ গুণী-জ্ঞানী ব্যক্তি বিশেষক নিমন্ত্ৰণ কৰি একোখন আলোচনা সভা একোটা উৎসৱৰ লগত অপৰিহাৰ্যভাবে আৰু গুৰুত্ব সহকাৰে আয়োজন কৰাৰ ব্যৱস্থা কৰিব নোৱাৰিনে?

**পৰীক্ষা পদ্ধতি সন্দৰ্ভত দুআষাৰ ঃ**

মহাবিদ্যালয় সমূহৰ উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক শ্ৰেণীৰ কাৰণে অথবা উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহৰ একাদশ শ্ৰেণীৰ কাৰণে আগতে শিক্ষাবৰ্ষৰ অন্তত ফাইনেল পৰীক্ষা পতা হোৱা নাছিল ; উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ পৰা পঠিওৱা প্ৰশ্ন কাকতেৰে মহাবিদ্যালয় অথবা উক্ত বিদ্যালয় সমূহত বাৰ্ষিক পৰীক্ষা পতা হৈছিল আৰু নিজ অনুষ্ঠানৰ শিক্ষকৰ দ্বাৰা উত্তৰ কাকতসমূহ

পৰীক্ষা কৰাই পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হৈছিল। উত্তীর্ণ হোৱা ছাত্র-ছাত্রীসকলে পিচৰ শিক্ষাবর্ষৰ অন্তত হে ফাইনেল পৰীক্ষাত অৱতীর্ণ হ'ব লাগিছিল আৰু 'ডিভিজন' আদি সেই পৰীক্ষাৰ ফলাফলৰ ভিত্তিতহে ঘোষণা কৰা হৈছিল। আন কথাত, চূড়ান্ত বা ফাইনেল পৰীক্ষাৰ ফলাফল ঘোষণা কৰোতে উচ্চতৰ মাধ্যমিক শ্রেণীৰ বাবে নির্দ্ধাৰণ কৰি দিয়া পাঠ্যক্রমৰ দুই ভাগৰ এভাগৰ ক্ষেত্রত ছাত্র-ছাত্রীয়ে লাভ কৰা সফলতাক বিবেচনাত লোৱা হৈছিল। ফলস্বৰূপে, মেধাৰী আৰু সঁচা আন্তৰিকতা থকা ছাত্র ছাত্রীৰ বাহিৰে বাকীখিনি ছাত্র-ছাত্রীয়ে প্রথম বছৰৰ পাঠ্যক্রমক গুৰুত্ব সহকাৰে লোৱাৰ তাগিদা অনুভৱ কৰা নাছিল—যেনে তেনে পাচ কৰা নম্বৰটো লৈ পিছৰ শ্রেণীটোলৈ উত্তীর্ণ হোৱাৰ লক্ষটোহে সমুখত ৰাখি পঢ়া-শুনা কৰিছিল। ফলস্বৰূপে, সাধাৰণ ভাবে একাংশ ছাত্র-ছাত্রীৰ শিক্ষাগত বিকাশ ব্যাহত হোৱাৰ উপৰিও দুয়োটা শ্রেণীৰ পাঠ্যক্রমৰ মাজত সম্পর্ক থকা কিছুমান বিষয়ৰ ক্ষেত্রত পিচৰ বছৰৰ পাঠ্যক্রমৰ পাঠ গ্রহণ কৰিবলৈ বহু ছাত্র-ছাত্রী অপাৰগ হৈ পৰিছিল আৰু সেয়ে দ্বিতীয় বছৰত প্রথম বছৰৰ পাঠ্যক্রমৰ পাঠ আয়ত্ত কৰাৰ কাৰণে কিছুমানে 'প্রাইভেট টিউচনত' আদি লৈ অতিৰিক্ত শ্রম কৰাৰ লগতে খৰচান্তও হ'ব লগীয়া হৈছিল। এনেকুৱা এটা ব্যৱস্থা চলি থাকোতে উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে ততাতৈয়াকৈ এই বছৰ (১৯৯৪ চন) পৰা প্রথম বছৰৰ অন্তত হ'বলগীয়া বার্ষিক পৰীক্ষাটো ফাইনেল পৰীক্ষা হিচাপে পতাৰ ব্যৱস্থা কৰিলে। অৱশ্যে জনামতে দ্বিতীয় বছৰৰ অন্তত হ'বলগীয়া ফাইনেল পৰীক্ষাৰ ফলাফলৰ ভিত্তিতহে 'ডিভিজন' আদি ঘোষণা কৰা হ'ব। আন কথাত, সংসদে এইবেলিও প্রথম বছৰৰ পাঠ্যক্রমত ছাত্র-ছাত্রীয়ে দেখুৱা সফলতাক দ্বিতীয় বছৰৰ মূৰত হ'ব-লগীয়া ফাইনেল পৰীক্ষাৰ ফলাফল ঘোষণা কৰাত বিবেচনা কৰিবলৈ প্রয়োজন অনুভৱ কৰা নাই।

এনেকুৱা এটা অৱস্থাৰ পৰিপ্রেক্ষিতত স্বাভাৱিকতে আমাৰ মনলৈ অহা প্রশ্ন কেইটা হ'ল: (১) এটা পাঠ্যক্রমৰ একাংশত ছাত্র-ছাত্রীয়ে দেখুৱা সফলতাক চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰোঁতে আওকাণ কৰাৰ কিবা যুক্তি আছেনে? (২) মহাবিদ্যালয়ত নাম ভর্ত্তি কৰাৰ পিচত নতুন পৰিৱেশ নতুন পাঠ্যক্রম আদিৰ লগত মোকাবিলা কৰি লৈ প্রথম বছৰতে এটা ফাইনেল পৰীক্ষাত অৱতীর্ণ হ'বলৈ ছাত্র-ছাত্রীসকলে হাতত পোৱা সময় পর্যাপ্ত নে? (৩) প্রথম বছৰটোৰ বার্ষিক পৰীক্ষা সংসদৰ প্রশ্ন কাকত অথবা মহাবিদ্যালয়/উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহে নিজাববীয়াকৈ কটা প্রশ্ন কাকতেৰে পাতি দ্বিতীয় শিক্ষাবর্ষৰ অন্তত সম্পূর্ণ পাঠ্য-ক্রমটোৰ ওপৰত এটা ফাইনেল পৰীক্ষা পতাত অসুবিধা কি? (৪) প্রথম বছৰতে অযথা (?) ফাইনেল পৰীক্ষা এটা অনুষ্ঠিত কৰাত ছাত্র-ছাত্রীৰ অভিভাৱকৰ অযথা ভৰণি হোৱাৰ উপৰিও সংসদৰ অফিচ, শিক্ষানুষ্ঠানৰ অফিচ আদিৰ কাম-কাজ বৃদ্ধি পোৱাৰ লগতে বিভিন্ন প্রকাৰে ৰাজহুৱা ধনৰ অপচয় হোৱা নাইনে?

আমি আশা কৰিছোঁ, আমাৰ মনত উদয় হোৱা প্রশ্নসমূহ চালি-জাৰি চাই সংশ্লিষ্ট কর্তৃপক্ষই উপযুক্ত কার্যপন্থা হাতত ল'ব।

## স্মৰণীয় ঃ

পৰম্পৰৰ ভোগ-লিপ্সাই এটা গুৰুত্বপূর্ণ ভূমিকা লৈ তিৰোতাক অর্হতাহীন কৰি তুলিছে বুলি বেছিকৈ বুজাই নকলেও হ'ব। নাৰীয়ে পুৰুষক আপোন কলা-কৌশলেৰে অজানিতভাৱে বহুত ধৰণেৰে বন্দী কৰি থৈছে আৰু পুৰুষেও 'মই বৰ' ভাব লৈ সমানে অজানিতভাৱে তিৰোতাক পুৰুষতকৈ ওপৰলৈ উঠাত বাধা প্রদান কৰিবলৈ চেষ্টা কৰিছে। ফলত অচলাৱস্থাৰ সৃষ্টি হৈছে। এই দৃষ্টিভংগীৰে চালে ই এটা ডাঙৰ সমস্যা হৈ পৰে—এই সমস্যা সমাধান কৰিবলৈ ভাৰত-মাতাৰ জ্ঞানলব্ধ জীয়ৰীসকলক আহ্বান কৰা হৈছে। তেওঁলোকে পশ্চিমৰ ধৰণ-কৰণ অনুকৰণ কৰিব নেলাগে। পশ্চিমৰ নীতি, পশ্চিমীয়া পৰিবেশতহে খাপ খাব। আমাৰ সংস্কৃতিৰ উত্তম কথাবোৰ সংৰক্ষণ কৰিবলৈ আৰু আমাৰ অধঃপতনমুলক নীচ কথাবোৰ নিঃসংকোচে আঁতৰ কৰিবৰ কাৰণে শক্তিশালী, সংযমী, পবিত্র আৰু ধীৰ স্থিৰ কৰ্মী থাকিব লাগিব। এই কাম সীতা, সাবিত্রী, দময়ন্তীৰ লেখীয়া নাৰীৰ কাম। এই কাম কৰিবলৈ বলিষ্ঠা নাৰীও নালাগে, এই কাম কৃত্রিম নৈতিকতাৰে চাল-চলন কৰা নাৰীৰো নহয়।

—মহাত্মা গান্ধী

……দাৰিদ্ৰ আৰু দুখ-ভোগ, মই হ'লে কেতিয়াও প্রশংসা কৰিব নোৱাৰোঁ। সেয়া কাম্য বস্তু বুলি মই কেতিয়াও নেভাবোঁ। মোৰ মতে সিহঁত লুপ্ত হৈ যোৱাহে উচিত। গাই-গুটীয়াকৈ কাৰোবাৰ পক্ষে ভাল হ'লেও সামাজিক আদর্শ হিচাপে তপস্বী-জীৱনৰ সার্থকতা মই বুজি নেপাওঁ। সৰলতা, সমতা, আত্মসংযমৰ মূল্য আৰু মর্যাদা বুজি পাওঁ, কিন্তু দেহটোক কষ্ট দিয়াৰ অর্থ বুজি নেপাওঁ। ব্যায়াম-বীৰে যেনেকৈ শৰীৰটো নিয়মৰ মাজেদি গঢ়ি তুলিব-লগীয়া হয়, তেনেকৈয়ে মই বিশ্বাস কৰোঁ, মন আৰু অভ্যাসবিলাক নিয়ন্ত্রণ কৰি শাসনলৈ আনিব লাগিব। যি মানুহৰ সংযম অতি কম, সি বিপদৰ সময়ত দুখ সহ্য কৰিব বা অসাধাৰণ আত্মসংযম দেখুৱাব, বা বীৰৰ দৰে কাম কৰিব, সেইটো বিশ্বাস কৰিব নোৱাৰি। শৰীৰ ভাল কৰিবৰ হ'লে যেনেকৈ নিয়ম পালন কৰিবলগীয়া হয়, চৰিত্ৰ ভাল কৰিবৰ হ'লেও তেনেকৈ নিয়মৰ আৱশ্যক। কিন্তু তাৰ অর্থ তপস্বী জীৱন বা আত্ম-পীড়ন হ'ব, তাৰ কোনো অর্থ নাই।

—জৱাহৰলাল নেহৰু

শিল্পীক্ষেত্ৰ যদিও সুকুমাৰ কলা আৰু সুকুমাৰ কলাৰ যোগেদি মানুহক আনন্দ দি জীৱনত সৌন্দর্য ফুলাই তুলি মানুহৰ বাস্তৱ জীৱন ধুনীয়া কৰায়েই যদিও শিল্পীৰ প্রথম কর্তব্য—তথাপি শিল্পীৰ তাৰ লগতে আৰু এটা কৰ্তব্য হৈছে জীৱনত যত অসৌন্দর্য, কদর্যতা, নিৰানন্দ, তাকো সুকুমাৰ কলাৰ যোগেদি আঁতৰাই মানৱ সমাজক তাৰ পৰা মুক্ত কৰা। সমস্ত মানৱ জীৱনকেই আনন্দময় কৰি তোলাই যেতিয়া শিল্পীৰ সাধনা—তেতিয়া শিল্পীয়ে মানৱ জীৱনৰ সকলো কথাকেই নিজৰ বিষয়বস্তু কৰি ল'ব লাগিব আৰু লয়ো।

—জ্যোতিপ্রসাদ আগৰৱালা

ব্যস্ততাৰ এটি মুহূৰ্ত্ত ঃ



অধ্যক্ষ শ্ৰীযতীন্দ্ৰ চন্দ্ৰ নাথ

# কবিতা

## অন্তৰঙ্গ আলাপ

—দিগন্ত কুমাৰ ৰাভা
২য় বাৰ্ষিক, স্নাতক মহলা

কলম হাতত লোৱাৰ পৰা
ভাষাৰ সতে গঢ়িলোঁ বন্ধুত্ব
কলমেই মোৰ সপোন ৰচে
ভাষা গঢ়ে
ভাষা মোৰ সঁচাকৈ আপোন
আনৰ হৃদয়ত বিহঢলা
সন্দেহৰ বীজ ৰোপণ কৰাৰ লক্ষ্য
মোৰ ভাষাৰ নহয়
মোৰ কলমৰ ভাষাই নীৰৱতা
ভালপোৱা মানুহজনকো সৰৱ কৰে
বন্দুক-বাৰুদ কেঁচা তেজৰ গোন্ধত
বিভীষিকাময় হোৱা পৰিবেশটো
সুবিমল কৰাৰ প্ৰচেষ্টাত দিনে-ৰাতি
যুদ্ধ কৰে মোৰ কলমৰ ভাষাই
কলমৰ ভাষাই যদি মাতি আনে
দুৰ্বিসহ জীৱন তাকো মই
আঁকোৱালি ল'ম
একুৰি পাঁচটা বসন্ত গৰকি অহা
মোৰ জীৱনৰ ভাষাই প্ৰেয়সী
এই প্ৰেয়সীৰ স'তে কৰো মই
অন্তৰঙ্গ আলাপ । ☐

## প্ৰতীক্ষা

—ৰণিত ৰাভা
২য় বাৰ্ষিক, স্নাতক মহলা

গভীৰ নিশা চাকিৰ ক্ষীণ পোহৰত
কবিতা লিখিব খুজিলেই
দুহাত মোৰ কঁপি উঠে
স্বদেশৰ বতাহত উটি ফুৰা
কিছুমান অসংলগ্ন ধ্বনি
ৰৈ ৰৈ কাণত বাজে
নিৰপৰাধ নিহত লোকৰ বুকুৰ তেজে
হৃদয়ত কঁপনি তোলে
দৰিদ্ৰ জনতাৰ অন্তহীন সংগ্ৰামৰ
ছৰিয়ে মোৰ হাতৰ কলম
স্তব্ধ কৰে
অপেক্ষা কৰিব লগীয়া হয়
এটি নিষ্কলঙ্ক ভৱিষ্যতলৈ । ☐

## গোলাপ পাহেও বিনাইছিল

—জগদীশ ৰাভা
২য় বাৰ্ষিক, উঃ মাঃ

তেওঁ গুচি যোৱাত অৰ্দ্ধপ্ৰস্ফুটিত
গোলাপ পাহেও বিনাইছিল
তেওঁ অহাত বাজি উঠিছিল
প্ৰেম ঐক্য আৰু সম্প্ৰীতিৰ
সমলয়
সুৰৰ মূৰ্ছনাত মুখৰিত হৈছিল
আকাশ-বতাহ
তেওঁ আকৌ আহিব
সময় হলেই আহিব
এতিয়াতো তেওঁ অহাৰে
সময়। □

## বিতৃষ্ণা

—সবিন কুমাৰ বৈশ্য
১ম বাৰ্ষিক, স্নাতক মহলা

বিষাদে চুই যায় মোৰ মন
যেতিয়া মুখামুখি হওঁ মোৰেই
ছাটোৰ লগত
বিচাৰি ফুৰোঁ সদায় একেটি শব্দ
নাম যাৰ প্ৰেৰণা
অনিশ্চয়তাৰ এন্ধাৰে বাট আগচে
আগুৱালে অৱস হওঁ
হৃদয়খনলৈ সোমাই আহে
কেৱল দুখৰ বতৰা। □

## আনুভূতিক

—দেৱীৰাম বড়ো
২য় বাৰ্ষিক, উঃ মাঃ

নিষ্পেষণৰ ভৰত কুঁজা
মানুহবোৰ পোন হ'ব
বন্দুকত হাত থৈ
চুই চাব সূৰ্য্যৰ উত্তাপ
জুখিব আকাশৰ বিশালতা
গঢ়িব এখন নতুন পৃথিৱী
সুবাসিত ফুলেৰে সজোৱা
প্ৰাণোচ্ছল হাঁহিৰে বোলোৱা। □

## এখন নদী

—লক্ষীধৰ বড়ো
২য় বাৰ্ষিক, উঃ মাঃ

আশাৰ নদীত উটুৱালোঁ
জীৱন ডিঙৱা
ছন্দৰ ঢৌবোৰে পৰশিলে
হৃদয়ৰ প্ৰতিটো কোণ
মই জনা নাছিলোঁ সমুখত
ক'ৰবাত লুকাই থাকিব পাৰে
ছন্দ ভঙাৰ উত্তাল জোৱাৰ
মই ভবা নাছিলোঁ অনিশ্চয়তাৰ
চাকনৈয়াত হেৰাব পাৰে
সাঁচতীয়া ৰঙীণ কল্পনা।

# সপোন

—সত্যশংকৰ নাথ
২য় বাৰ্ষিক, স্নাতক মহলা

গোটেই নিশা মই ব্যস্ত এক
অন্তহীন যাত্ৰাৰ পথত
ক'ৰবাত দেখিছোঁ ধূলীয়া পথ
ক'ৰবাত শিলগুটি দিয়া
ক'ৰবাত হয়তোৱা গাঁৱৰ
কেঁচা আলিবাট
চৰকাৰৰ আঁচনিত সকলোটি পকাবাট
মই গৈ আছোঁ আপোন পাহৰি
দুচকুত সেউজীয়া পাহাৰৰ
অপৰূপ ৰূপৰাশি
হঠাৎ অ' হঠাতেই ৰলিব লাগিব
মোৰ গাড়ী ৰখালে এক
বিচিত্ৰ মানুহৰ সমদলে
সিহঁতৰ হাতত একোখিলা কাগজ
সেইবোৰ হেনো একো একোখন
স্মাৰক পত্ৰ
বিশৃঙ্খল চিঞৰত সিহঁতে বিচাৰিছে
অন্ন, বস্ত্ৰ আৰু মানুহৰ অধিকাৰ
সাৰ পাই দেখোঁ মই বৰ ক্লান্ত। ☆

# মদাৰ

—ভূদেব অধিকাৰী
১ম বাৰ্ষিক, স্নাতক মহলা

সাঁচিৰখা কথাবোৰ
মনতেই ৰ'ল
পলাশৰ দুচকু পানীৰে
ভৰিল
পাপৰিৰ বুকুতো কঁপনি
উঠিল
দুপাৰত বৈ থাকিল
দুখন হৃদয় গোপনে সংগোপনে। □

# আমাক এজন অমৰ মহাত্মা লাগে

—হেমন্ত মহন্ত
১ম বাৰ্ষিক, স্নাতক মহলা

তোমাৰ মুখত আছিল মধুৰ হাঁহি
কণ্ঠত নিগৰিছিল অকৃত্রিম
কথাৰ সুধা
তুমি কৈছিলা আল্লা-ঈশ্বৰ
কৃত্রিম ভেদজ্ঞান
দুটি প্ৰাণ একেই মহান
গুজি দিব খুজিছিলা মানৱতাৰ
ফুল মানুহৰ বুকুৱে বুকুৱে
তোমাৰ অমৃত বাণীয়ে
বাট হেৰুৱালে
বালিৰ ঘৰৰ দৰে ভাঙি গ'ল
স্বপ্নৰ আবাস ভূমি
তথাপিতো তুমি আছা
আকাশে-বতাহে
কাৰণ ৰাম-ৰহিম আজিও
বন্দী অন্ধকাৰ বিশ্বাসৰ
কোঠালিত। □

# পদে পদে তৰোৱাল

—অৰুণ চন্দ্ৰ বড়ো
২য় বাৰ্ষিক, স্নাতক মহলা

[ ১ ]

গুলী-বাৰুদ বোমাৰে সজ্জিত
পেৰাত হাত থোৱাজনে গঢ়ে নিতে
অনিশ্চয়তাৰ কাঁইটীয়া পথ
অন্যায়ৰ আনন্দত বাজি উঠে
সিহঁতৰ কুটিল কণ্ঠ
নহ'বনে ইয়ো এক কলঙ্কিত
অতীত।

[ ২ ]

চকুত উজ্জ্বলি উঠে
নিবন্ধ শ্ৰেণীহীন সমাজ
দেশে-দেশে প্ৰতিদেশে ঐক্য
শান্তি সম্প্ৰীতি
কিন্তু হায়! তাঁহি অহা শব্দত
বাজি উঠিছে মানুহেই কাঢ়ি নিয়া
সবল শিশুৰ কোকিল
কোমল মাত। ★

# মোৰ প্ৰেমৰ পুনৰ্জন্ম

– ক্ষীৰোদ কুমাৰ চৌধুৰী
১ম বাৰ্ষিক, স্নাতক মহল।

মানসী মোৰ হৃদয়ত
কৰিছিলা প্ৰৱেশ
তোমাৰ হাতত আছিল
এথোপা গোলাপ
স্বাগতম জনালোঁ। নিজকে বিলাই
এদিন তুমি হঠাতে আঁতৰি গ'লা
তোমাৰ চিনাকি অহাৰ
বাটেৰে
মনত পৰিছে নাৰ্চিমা বেগমলৈ
এদিন ময়ো আঁতৰি আহিছিলোঁ।
আমাৰ মাজত আছিল সংস্কাৰৰ
সংকীৰ্ণ দেৱাল
এতিয়া মোৰ উপলব্ধিত
নাৰ্চিমা বেগম
নেদেখা প্ৰাচীৰ ভাঙি
অধিকাৰ দিছোঁ নাৰ্চিমা
বেগমক।

★☆

# হেঁপাহ

—জীৱেশ্বৰ পাঠক
১ম বাৰ্ষিক, স্নাতক মহল।

সময়ে সময়ে বহুতক এনেদৰেই
শৃংখলিত কৰা হৈছে যেতিয়াই
বিচাৰিছে জীৱনৰ স্বাধিকাৰ
কিন্তু তুমিতো জানাই
এই শিকলিতে লুকাই থাকে
জ্যোতিষ্মান জীৱনৰ ঐশ্বৰ্য
সিয়েই যে একমাত্ৰ প্ৰতিশ্ৰুতি
জগতক জগাই তোলাৰ
সেয়ে ঘৃণা মিহলি মুখখনো
সদ্যপ্ৰস্ফুটিত এপাহি গোলাপ
আৰু শৃংখলিত হাতদুখনো
সূৰ্যৰ মায়াৰে আবৃত
একোটি পদুম। ☆

## নতুনত্ব বিচাৰি

মঃ আবিদুৰ ৰহমান
২য় বাৰ্ষিক, উঃ মাঃ

এন্ধাৰৰ বুকু ফালি
পোহৰৰ পম খেদি
পাহুৱাল ডেকা আজি ক্লান্ত
থৰ্‌-থৰকৈ কঁপে ৰাংঢালী
নাচনীৰ কলিজা।
বেৰত থকা জ্যোতি বিষ্ণুই
কথা পাতে মনে মনে
অতীতৰ
বৰ্ত্তমানৰ
ভৱিষ্যতৰ
কাঁইটীয়া বনৰ মাজেৰে
বাটকুৰি বাই যায় সিহঁতে
জনতাক কথা কয়
নতুন সমাজৰ
নতুন আদৰ্শৰ। ☆

## সপোন সখী

—কুসুম কুমাৰ ডেকা
১ম বাৰ্ষিক. স্নাতক মহলা

সুন্দৰৰ স'তে মোৰ
মিঠা আলিঙ্গন
আকাশৰ জিলমিল তৰালিৰে
মিলি যাওঁ পুৱতিৰ সপোনত
আপোন বিভোৰ মনে
বিচাৰি পায় সূৰুয প্ৰকাশ
তেতিয়া মোৰ প্ৰতিটো হেঁপাহত
সৃষ্টি হয় একোটা
গীতি কবিতা
কবিতাৰ ছন্দত বাজি উঠে
আনন্দৰ কোলাহল। ★

# আকৌ পৰিলোঁ প্ৰেমত

—শিশিৰ কুমাৰ কলিতা
৩য় বাৰ্ষিক, স্নাতক মহলা

সত্য শিৱ সুন্দৰৰ পূজাভাগ
কৰোঁ বোলোতেই কাঁইটৰ
আঁচোৰত তেজৰঙা হ'ল দুহাত
ক্ষণিকৰ বাবে পৰাজিত হ'ল
অভিমানী যৌৱন মোৰ
পৰাজয়ক প্ৰত্যাহ্বান জনাই
বিজয়ৰ প্ৰত্যাশাৰে তোমাৰ প্ৰেমত
আবদ্ধ হ'ল মোৰ ব্যথিত
যৌৱন
সেয়ে এতিয়া বিচাৰিছোঁ
তোমাৰ ওচৰত আত্মগোপন কৰি
নতুন জীৱন। ☆

# শুই আছোঁ

—শান্তিৰাম ৰাভা
১ম বাৰ্ষিক, স্নাতক মহলা

মই শুই আছোঁ চাৰিবেৰৰ মাজত
চালৰ কুৰা-কামিবোৰৰ দৰেই
নিৰুদ্বেগ
ঘৰৰ চাৰিওফালে চিঞৰ-বাখৰ
বন্দুক বোমাৰ শব্দ শুনিও যেন
মই শুনা নাই
বাহিৰৰ শব্দই মেলি দিছে মনৰ মাজত
এক ভয়ানক নীৰৱতা
নীৰৱতাৰ বুকুত বাজি উঠিছে
কোনোবা নাৰীৰ আতুৰ চিঞৰ
বুকুভঙা কৰুণ বিননি
মই শুই আছোঁ চাৰিবেৰৰ মাজত
সাত ভনী ধৰ্ষিতা
জানকী গৰ্ভৱতী
আকৌ নতুন জানকীৰ জন্ম
কোনে জানে তায়ো ধৰ্ষিতা নহ'ব
হয়তো তেতিয়া সকলোৰে
শুই থাকিম। ☆

# ঠিকনা

—কল্পনা বৰুৱা
১ম বাৰ্ষিক, উঃ মাঃ

বহুদিন হ'ল আগৰ দৰে
মোৰ নামত আৰু এখনো
চিঠি নাহে
আজিকালি মই আগৰ
ঠিকনাত নাথাকোঁ
চিঠি দিয়া মানৱৰূপী
প্ৰেতাত্মাৰ কথাও পাহৰিছোঁ
এতিয়া মই এখন বেলেগ
ঠিকনাত আছোঁ
পাপ-তাপ একো নাই
তাতেই পাইছোঁ মই এক
নতুন প্ৰেম
চিঠি দিব খোজা যদি
ফাঁকিহীন মৰিশালিৰ
ঠিকনাতে দিবা
টেলিগ্ৰাম কৰিব খুজিলে
সিপাৰৰ ঠিকনাতে কৰিবা। ★

# জীৱন সংবেদ

—নিৰঞ্জন মজুমদাৰ
২য় বাৰ্ষিক, উঃ মাঃ

চিনাকি এইখন আমাৰ পৃথিৱী
ইয়াতেই বচিব পাৰি
ভাতৃত্বৰ বান্ধোনেৰে নিৰ্ভেজাল
মনৰ সাঁকো
গঢ়িব পাৰি এখন সুন্দৰ সমাজ
প্ৰেমে য'ত বাট নেহেৰুৱাই
জ্ঞানদীপ্ত শিখা য'ত
বিভীষিকা নহয় আৰু য'ত
জীৱনে জীৱনৰ অমৃত
বিচাৰি পায়। ★

# ছোমালিয়া

—বাসৰ ঠাকুৰীয়া
১ম বাৰ্ষিক, স্নাতক মহলা

নাম তাৰ ছোমালিয়া
বুভুক্ষা আজি যাৰ লগৰীয়া
শস্য-শ্যামলা ছোমালিয়া
আজি নিঃকিন নিচলা
বিৰাজিলে শোষণ আৰু
ক্ষমতাৰ লেলিহান শিখা
পথে পথাৰে কেৱল
কঙ্কালৰ ছবি
পৃথিৱীৰ চৌদিশে বিয়পিছে
কলংকিত এই নাম
ছোমালিয়া। ☆

# কালান্তক

—মুক্তিনাথ বড়ো
২য় বাৰ্ষিক, উঃ মাঃ

কাল সন্ধিয়া কাঁচি জোনাকত
শুনিছিলো গা-শিয়ৰা
যমডাকিনীৰ মাত
শিয়ালৰ হোৱা
এতিয়া আঁউসী ৰাতি
মৰিশালিৰ নীৰৱতাত
আৰম্ভ হৈছে ভূত-প্ৰেতৰ
প্ৰলয় নৃত্য
কাণতালমৰা হাঁহি
এফালৰ পৰা কুৰুকি খোৱাৰ
কদাকাৰ মূৰ্ত্তি। ☆

# নীৰৱ বেদনা

—বিপুল বৈশ্য
১ম বার্ষিক, স্নাতক মহলা

তুমি কাহিলি পুৱাতে আহিছিলা
তেতিয়া মই বেৰৰ জোলোঙাৰে
তোমালৈ চাই আছিলো
শুনিছিলা কোনো অসহায়
কেঁচুৱাৰ কান্দোন আৰু
উৱলি যোৱা পঁজাৰ মাজত
বুভুক্ষু কৃষকৰ প্ৰাণৰ
কাতৰ
তুমি যেতিয়া সৃষ্টিৰ ক্লেদৰ
মাজৰে আঁতৰি গৈছিলা
মোৰ বুকুখন খুব
বিষাইছিল। ★

# যাত্ৰী

—দীপক কলিতা
২য় বার্ষিক, উঃ মাঃ

যাত্ৰা তাৰ অবিৰত
ৰক্তাক্ত গেৰুৱাৰে সি
ৰাজআলিৰ ওপৰত
খোজ কাঢ়ি যায়
জিৰণিৰ অৱকাশ বিচাৰি
নাপায়
বাৰে বাৰে তাক আঘাত
কৰা হয় মৃত্যুৰ ভাবুকিৰে
নিৰ্ভীক বুকুখন তাৰ
বিশ্বাসী নিলয়
অপেক্ষা কৰে সূৰ্যোদয়ক। ★

# অম্লান আলিঙ্গন

—বসন্ত কুমাৰ দত্ত
মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ

দিন বাৰ অথবা শুভলগ্নৰ
জঞ্জাল আঁতৰাই কেতিয়া
কেনেকৈ গুলালো অবিৰত
যাত্ৰাৰ পথত গমকে
নেপালো
বুকুৰ ভিতৰৰ হেঁপাহৰ এমুঠি
নীলাই চাই গ'ল উদঙীয়া
ফাগুনৰ পথকুৰা পথৰ
পাঞ্চালী
চাই গ'ল ব'হাগৰ বৰ্ণাঢ্য
বৈভৱ আৰু শৰতৰ সেউজী
সুৰভি
চুই গ'ল আকাশ বতাহ
নাইবা সাগৰৰ সীমাহীন
বিশালতা
যাত্ৰাৰ পথত লয়লাস নাচনীৰ
নূপুৰৰ কুণুজুনুত সাৰ পালে
আলফুলে সাঁচি ৰখা সুৰাগী
তাড়না
সি বিচাৰিলে কাৰোবাৰ ভাল লগা
বহুতৰ বেয়া লগা এক
কোমল কঠিন শৃঙ্খল
কেনেকৈ যে সময় সৰিল
মই দেখো বুজিও নুবুজিলো
উভতি চাই দেখিলো মোৰ
হেঁপাহৰ এমুঠি প্ৰগল্ভ নীলা
ৰৈ আছে তোমাৰ অভিজাত
অম্লান আলিঙ্গনত ।

—ঃ★ঃ—

# প্ৰবন্ধ

## বিনষ্ট প্ৰাকৃতিক ভাৰসাম্যতা আৰু ভূমি সম্পদ সংৰক্ষণ

—চন্দন ঠাকুৰীয়া
২য় বাৰ্ষিক, স্নাতক মহলা

ভাৰতীয় সমাজত হাবি-বননি আৰু নদীক পৱিত্ৰ ক্ষেত্ৰ বুলি আখ্যা দিয়া হৈছে। ইয়াৰ উদাহৰণ পুৰণি মহাকাব্যত উল্লেখ থকা বৃন্দাবন, নন্দাবন, সুন্দৰবন, অশোকবন, তপোবন আদিৰ পৰা পোৱা যায়। এই পৱিত্ৰ নিৰিবিলি হাবি-বননিৰ লগত আদিম হিন্দু সমাজৰ সামাজিক তথা সাংস্কৃতিক জীৱন সাঙোৰ খাই আছিল। অগ্নিপুৰাণত উল্লেখ আছে যে যিজনে সামাজিক কল্যাণৰ বাবে গছপুলি ৰোৱে তেওঁক ভগবানেও আশীৰ্বাদ দিয়ে। পুৰণি কালত অৰ্থাৎ আজিৰ পৰা প্ৰায় ২০০০ হাজাৰ বছৰৰ পূৰ্বে ৰাজৰ্ষি অশোকে প্ৰজাহিতৰ বাবে গছপুলি ৰোৱা আৰু সংৰক্ষণ কৰাৰ উদাহৰণ ইতিহাসত পোৱা যায়। আদিম সমাজে হাবি-বননিক চিকাৰ আৰু ধৰ্মীয় উপাসনাৰ তথা চিন্তা-চৰ্চাৰ কেন্দ্ৰস্থল হিচাপে গণ্য কৰিছিল। সম্ৰাট আকবৰে গছপুলি ৰোপণ আৰু সংৰক্ষণৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়াৰ উদাহৰণো প্ৰাচীন বুৰঞ্জী পুথিত পোৱা যায়। তেওঁ পৰিকল্পিতভাৱে গছপুলি ৰোপণৰ অভ্যাস গঢ়াৰ ওপৰতো গুৰুত্ব দিছিল। পাশ্চাত্য সভ্যতাৰ অন্তৰ্গত বহুতো দেশে হাবি-বননিক এতিয়াও কৃষিৰ সমান বুলি গণ্য কৰে।

গছ-গছনি পৃথিৱীৰ প্ৰত্যেক অঞ্চলতে কম-বেছি পৰিমাণে আছে যদিও বৰ্ত্তমান প্ৰাকৃতিক ভাৰসাম্যহীনতা এক আন্তৰাষ্ট্ৰীয় সমস্যা হিচাপে বিশ্বৰ দেশসমূহৰ আগত দেখা দিছে। এই সমস্যা সমাধানৰ বাবে ১৯৯২ চনৰ ৪ জুন তাৰিখে পৃথিৱীৰ ১৭৮খন দেশৰ পৰিৱেশ বিজ্ঞানী আৰু উচ্চপদস্থ বিষয়াসকলে ব্ৰাজিলৰ ৰিঅ'দি জেনেৰ'ত এখন আলোচনী সভা অনুষ্ঠিত কৰি পৃথিৱীৰ বিভিন্ন ৰাষ্ট্ৰৰ প্ৰাকৃতিক ভাৰসাম্যতা ৰক্ষাৰ হেতু কিছুমান উপায় উদ্ভাৱন কৰে। ১৯৮১ চনত প্ৰয়াত প্ৰাক্তন প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীয়েও কেন্দ্ৰীয় বন-বিভাগৰ বাৰ্ষিক অধিবেশনত ভাৰতৰ বনাঞ্চলৰ পৰিমাণ বৃদ্ধি কৰিবলৈ দেশৰ সমূহ জনসাধাৰণক আহ্বান জনাইছিল। পৰিৱেশ বিজ্ঞানীসকলৰ মতে অদূৰ ভৱিষ্যতে মানুহে ভোকত মৃত্যু বৰণ নকৰিব পাৰে, কিন্তু প্ৰাকৃতিক ভাৰসাম্যতা বিনষ্ট হোৱাৰ বাবে যে মৃত্যু বৰণ কৰিব সি চিৰসত্য। কাৰণ অধে-মধে গছ-গছনি কটাৰ ফলত প্ৰাকৃতিক ভাৰসাম্যতা দিনে দিনে বিনষ্ট হ'বলৈ ধৰিছে। বায়ুমণ্ডলৰ প্ৰদূষণ উদ্ভিদৰ সহায়ত দূৰ নকৰিলে মানৱ সমাজৰ গত্যন্তৰ নাই। ভাৰত চৰকাৰে স্বাধীনতাৰ পিছতে ১৯৯২ চনত নতুন বন-নীতি ঘোষণা কৰিছে। চৰকাৰে বৰ্ত্তমান নতুনকৈ গছ-গছনি ৰোৱা আৰু ৰক্ষণাবেক্ষণ

দিবৰ বাবে "সামাজিক বনানিকৰণ" নামৰ বিভাগ এটাও খুলিছে।

সকলোবোৰ ভূমি সম্পদৰ ভিতৰত বনাঞ্চলৰ অৰিহণাকেই বেছি গুৰুত্ব দিয়া হয়। কাৰণ পৰিৱেশ বিজ্ঞানীসকলৰ মতে প্ৰাকৃতিক ভাৰ-সাম্যতা ৰক্ষা কৰিবলৈ দেশৰ মুঠ ভৌগোলিক কালিৰ শতকৰা ৩৩ ভাগ সেউজীয়া বনাঞ্চলৰ প্ৰয়োজন। ভাৰতবৰ্ষত এনে ভূমিৰ পৰিমাণ শতকৰা ২৩ ভাগ মানহে দেখা যায়। ততুপৰি কৃত্ৰিম উপগ্ৰহৰ দ্বাৰা দেখুওৱা ছবিয়ে শতকৰা মাত্ৰ ১৯ ভাগ মান বুলিহে প্ৰমাণ দাঙি ধৰে। প্ৰকৃততে ইয়াৰ পৰিমাণ দিনক দিনে আৰু কমিবলৈহে লৈছে।

পৰিৱেশ বিনষ্ট কৰাৰ ক্ষেত্ৰত মানুহৰ হস্তক্ষেপ আটাইতকৈ বেছি। মানুহৰ দ্বাৰা সাধিত হোৱা এই বিনষ্টৰ কাৰণ বহুতো। ইয়াৰ ভিতৰত জনসংখ্যা বৃদ্ধি আৰু বিজ্ঞান আৰু প্ৰযুক্তি বিজ্ঞানৰ ফলত উদ্ভৱ হোৱা শিল্প উদ্যোগেই প্ৰধান। বৰ্তমান পৃথিৱীত প্ৰতি বছৰে ৫–৬ কোটিকৈ জনসংখ্যা বাঢ়ি গৈ আছে। ভাৰতৰ নিচিনা দুখীয়া দেশ এখনতেই প্ৰতি বছৰে প্ৰায় ১.৫ কোটিকৈ জনসংখ্যা বাঢ়ি আছে। ইয়াৰ ফলত নিবনুৱা সমস্যা আৰু খাদ্য সমস্যা বাঢ়ি গৈ আছে। গতিকে পৰিৱেশ বিনষ্ট কৰি হ'লেও অন্ন-বস্ত্ৰ-গৃহৰ যোগাৰ নকৰিলে বহুতৰে অন্য উপায় নোহোৱা হৈছে। দিনে দিনে বাঢ়ি অহা জনসংখ্যাৰ ফলত বনাঞ্চল ধ্বংস কৰি কৃষিভূমি বৃদ্ধি কৰিবলগীয়া হৈছে। এনেকুৱা বহুতো উদাহৰণো আমাৰ সমুখত দেখিবলৈ পাওঁ। পৃথিৱীৰ বিভিন্ন দেশত নানান শিল্প উদ্যোগৰ নিৰ্গত দূষিত বাষ্পই পৰিৱেশ দূষিত কৰিছে। ফল-স্বৰূপে নিৰ্মল বায়ু, পানী আনকি মুকলি ঠায়ো দুষ্প্ৰাপ্য হৈ পৰিছে।

পৰিৱেশ নষ্ট হ'লে যে মানৱ জাতিৰ ধ্বংস অনিবাৰ্য সেই কথাটো বৰ্ত্তমান চৰকাৰ আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে উপলব্ধি কৰা উপলক্ষিত হৈছে। ফলস্বৰূপে চৰকাৰী পৃষ্ঠপোষকতাত অথবা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৃষ্ঠ-পোষকতাত পৰিৱেশ বিজ্ঞানীসকলে পৰিৱেশ সম্পৰ্কে নকৈ গভীৰ অধ্যয়ন আৰম্ভ কৰিছে। এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে বনাঞ্চল ধ্বংস হোৱাৰ বাবে প্ৰতি বছৰে ধৰাপৃষ্ঠৰ প্ৰায় ২ নিযুত হেক্টৰ মাটি মৰুভূমিলৈ ৰূপান্তৰ হৈ আহিছে। বৰ্ত্তমান বন বিভাগত চাকৰি কৰা সকলৰ কিছুমানেও ব্যক্তিগত স্বাৰ্থ পূৰণ কৰিবলৈ বন সম্পদৰ ধ্বংসত লিপ্ত হ'বলৈ আৰম্ভ কৰিছে। ইয়াৰ ধ্বংসৰ কুফল যে সুদূৰ প্ৰসাৰী তাক বঢ়াই কোৱাৰ প্ৰয়োজন নাই। কৃষি কাৰ্যৰ উৎপাদন বৃদ্ধিৰ বাবে ব্যৱহাৰ হোৱা কৃত্ৰিম সাৰ, ৰাসায়নিক দৰৱ আদিয়ে বায়ুমণ্ডলৰ প্ৰদূষণ ঘটাইছে আৰু ইয়াৰ প্ৰভাৱ গছ-গছনিৰ ওপৰতো নপৰাকৈ থকা নাই। ফলত এচাম উদ্ভিদ, কালৰ কৱাল গ্ৰাসত পৰি নিচিহ্ন হৈ আহিবলৈ ধৰিছে। ইয়াৰ ফলত পৰিৱেশৰ ভাবসাম্যতা বিনষ্ট হোৱাৰ আশংকাই দেখা দিছে।

ভূমি সম্পদেই হ'ল প্ৰত্যেক দেশৰ অতিকৈ গুৰুত্বপূৰ্ণ প্ৰয়োজনীয় তথা মূল্যবান প্ৰাকৃতিক সম্পদ। দেশৰ জনসাধাৰণৰ অৰ্থনৈতিক উন্নতিৰ

বাবে মূল্যবান এই সম্পদৰ সদ্ব্যৱহাৰ আৰু সংৰক্ষণ কৰাটো বৰ্ত্তমান সময়ত অতি প্ৰয়োজনীয় হৈ পৰিছে। বিজ্ঞানসম্মত পৰিকল্পনা এই ক্ষেত্ৰত অতি প্ৰয়োজনীয়। বৰ্ত্তমান ভূমি সম্পদৰ মূল্য অনুমান কৰিয়েই প্ৰত্যেক দেশে ইয়াৰ সংৰক্ষণৰ বাবে নতুন চিন্তা-চৰ্চা আৰম্ভ কৰিছে। ভূমিয়েই হৈছে ৰাজ্য তথা ৰাষ্ট্ৰ গঠনৰ প্ৰধান উপাদান। এক কথাত ক'বলৈ গ'লে ভূমি ব্যৱহাৰৰ জ্ঞান উদয়ৰ লগে লগে মানৱ সভ্যতাৰ পাতনি হয়। ভূমি সম্পদৰ ব্যৱহাৰৰ ওপৰতেই দেশৰ অৰ্থ নৈতিক উন্নতি নিৰ্ভৰ কৰে। ভূমি সম্পদ দেশ এখনৰ ৰাজনৈতিক আৰু অৰ্থ নৈতিক শক্তিৰো স্বাক্ষৰ।

ভূমি সম্পদ বিনষ্ট হোৱা বন্ধ কৰাটো আমাৰ সামাজিক তথা নৈতিক কৰ্তব্য। কাৰণ আমি যদি নিজৰ ভূমি সম্পদৰ প্ৰতি সজাগ দৃষ্টি ৰাখোঁ তেন্তে তাৰ সুফল আমিয়েই লাভ কৰিব পাৰোঁ। জনসংখ্যা বাঢ়ে কিন্তু ভূমিৰ পৰিমাণ নাবাঢ়ে। আমাৰ দেশত প্ৰতিবছৰে হাজাৰ হাজাৰ হেক্টৰ মাটি উপযুক্ত ৰক্ষণাবেক্ষণ নোহোৱাৰ ফলত পতিত বা চনপৰা মাটিলৈ পৰিৱৰ্তিত হৈছে। দেশৰ জনসাধাৰণৰ সহযোগিতা অবিহনে দেশৰ ভূমি সম্পদৰ ধ্বংস ৰোধ কৰা অসম্ভৱ। মুঠতে মানৱ জাতিৰ অস্তিত্ব ৰক্ষা কৰিবলৈ হ'লে বৰ্ত্তমানৰ পৰাই ভূমি সংৰক্ষণৰ কথাটো চিন্তা-চৰ্চা কৰা প্ৰয়োজনীয়।

পাহাৰীয়া অঞ্চলত অনিয়ন্ত্ৰিতভাৱে কৰি থকা ঝুম খেতিয়ে ভূমিক্ষয় কৰাত যথেষ্ট অৰিহণা যোগাইছে। আনহাতে পাহাৰীয়া অঞ্চলৰ মাটি জধে মধে খন্দাৰ ফলতো পাহাৰবোৰ লাহে লাহে ধ্বংস হ'বলৈ ধৰিছে। ভূমিক্ষয় কৰাটো সহজ, কিন্তু ৰক্ষা কৰিবলৈহে টান। মনত ৰখা উচিত যে প্ৰকৃতিৰ ১ ছেঃ মিঃ ডাঠ মাটিৰ স্তৰ এটা গঢ়ি উঠিবলৈ গড়ে এক শতিকা সময়ৰ প্ৰয়োজন হয়।

ৰাজ্যখনত তথা ৰাষ্ট্ৰখনত যি প্ৰাকৃতিক ভাৰসাম্যহীনতা সৃষ্টি হ'বলৈ ধৰিছে তাক যদি ত্ৰুটিহীন ভাৱে বা যত্ন সহকাৰে সমাধান কৰা নহয় তেন্তে ই এক ভয়াৱহ সমস্যাৰ সৃষ্টি কৰিব। বৰ্তমান এক নতুন চিন্তা চৰ্চাৰ জৰিয়তে নতুন দৃষ্টিভংগী লোৱাৰ সময় আহি পৰিছে। এই সমস্যা নিৰ্মূল কৰিবলৈ প্ৰথম প্ৰয়োজন হ'ব বনাঞ্চলৰ ওপৰত সৰ্বসাধাৰণ লোকৰ নিৰ্ভৰশীলতা কমোৱা। প্ৰয়োজন হলে জীৱিকা নিৰ্বাহৰ বাবে সৰ্বসাধাৰণ ৰাইজক অইন পথ দিব লাগিব বা ৰাইজেও অইন পথ বিচাৰি ল'ব লাগিব। আইনৰ জৰিয়তে সকলো সমস্যা সমাধান কৰিব নোৱাৰি। সকলো কাৰ্যৰ ওপৰত থাকিব লাগিব জনসাধাৰণৰ আস্থা আৰু নৈতিক দায়িত্ব। এই ক্ষেত্ৰত চৰকাৰৰো বহুতো কৰণীয় আছে। বিশেষকৈ কৰ্তৃপক্ষৰ প্ৰশাসনিক দুৰ্বলতা, ৰক্ষণাবেক্ষণৰ ভুলনীতি আৰু বিভাগীয় দুৰ্নীতি আদিয়ে বৰ্তমান ৱনাঞ্চল ধ্বংস কৰাত বেছি উদ্‌গনি যোগোৱা যেন অনুমান হয়। বিভিন্ন প্ৰচাৰ মাধ্যমৰ জৰিয়তে প্ৰাকৃতিক ভাৰসাম্যতা সম্পৰ্কে জনসাধাৰণক সজাগ কৰি তোলাৰ চেষ্টা কৰিলে অৱস্থাৰ উন্নতি ঘটিব।

বৰ্তমান ৰূপত দেখা দিয়া প্ৰাকৃতিক ভাৰসাম্যহীনতা প্ৰত্যেক দেশৰ বাবে এক জ্বলন্ত

সমস্যা। মানৱ সমাজৰ অস্তিত্ব য'ত লুকাই আছে, তাক আমি ধ্বংস কৰিবলৈ লৈছো। ইয়াৰ পৰিণতি কিমান ভয়াৱহ সময়েহে মূল্যাংকন কৰিব। সম্ভাব্য পৰিণতিৰ প্ৰতি সচেতন হৈ চৰকাৰে জনসাধাৰণৰ লগত হাত মিলাই যদি কৰ্মক্ষেত্ৰত আগনাবাঢ়ে তেন্তে মানৱ জাতিৰ ধ্বংস অৱশ্যম্ভাৱী। *

—:☆:—

---

* গুৱাহাটীস্থ দক্ষিণপাৰ ভূমিসংৰক্ষণ সংমণ্ডলৰ উদ্যোগত বকোত আয়োজিত "ভূমিসম্পদ সংৰক্ষণ সপ্তাহ' ৯৩" উপলক্ষে থিতাতে লিখা ৰচনা প্ৰতিযোগিতাত শ্ৰেষ্ঠ বিবেচিত আৰু পুৰস্কৃত। ঠাই বিশেষে হাত ফুৰাই ৰচনাখন ইয়াতে প্ৰকাশ কৰা হ'ল।

# অসমীয়া জাতি গঠনত গুৰুজনাৰ অৱদান

—বিনোদ কুমাৰ কলিতা
৩য় বাৰ্ষিক, স্নাতক মহলা

গীতাত ভগৱান শ্ৰীকৃষ্ণই কৈছে —

"যদা যদাহি ধৰ্ম্মস্য গ্লানিৰ্ভৱতি ভাৰত।
অভ্যুত্থানমধৰ্মস্য তদাত্মানং সৃজাম্যহম্॥
পৰিত্ৰাণায় সাধূনাং বিনাশায় চ দুষ্কৃতাম্।
ধৰ্মসংস্থাপনাৰ্থায় সম্ভৱামি যুগে যুগে॥"

এই শ্লোক দুটিৰ অসমীয়া অৰ্থ হ'ল, "হে ভাৰত যেতিয়াই যেতিয়াই ধৰ্মৰ গ্লানি, অধৰ্মৰ বৃদ্ধি হয়, তেতিয়াই মই নিজেই মানুহৰূপে পৃথিৱীত জন্ম ধৰোঁ। সাধু সকলক ৰক্ষা কৰিবৰ নিমিত্তে, দুৰ্জ্জনৰ বিনাশৰ অৰ্থে আৰু ধৰ্ম সংস্থাপনাৰ্থে মই যুগে যুগে পৃথিৱীত জন্ম গ্ৰহণ কৰোঁ।" গীতাত বৰ্ণিত এই শাশ্বত সত্যৰ উদাহৰণ পৃথিৱীৰ ইতিহাসৰ পাত মেলিলে অনেক দেখিবলৈ পাওঁ। যেতিয়াই যেতিয়াই মানৱতাৰ ধৰণী স্বৰূপ ধৰ্ম আৰু নৈতিকতাৰ স্খলন ঘটি সমাজ আৰু জাতিক অন্যায়, অধৰ্ম আৰু ব্যভিচাৰে আৱৰি-ধৰি পঙ্গু কৰি পেলোৱাৰ উপক্ৰম কৰে তেতিয়াই তেনে এক যুগ-সন্ধিত একো একোজন অৱতাৰী পুৰুষে জন্ম গ্ৰহণ কৰি সমাজ তথা জাতিক পথ প্ৰদৰ্শন কৰাই লৈ যায়।

পঞ্চদশ শতিকাৰ মাজ ভাগত ভাৰতবৰ্ষৰ অন্যান্য অংশৰ লগতে অসমতো ধৰ্মৰ ক্ষেত্ৰত এক বিপৰ্যয়ৰ সৃষ্টি হৈছিল। অধৰ্ম, অনৈক্য আৰু ব্যভিচাৰে গা-কৰি উঠি গোটেই অসমীয়া জাতিটোকে ধ্বংস কৰি পেলোৱাৰ উপক্ৰম কৰিছিল। জাতিভেদ, উচ্চ-নীচ ভেদাভেদ, হিংসা-হিংসি আদি ভাৱৰ প্ৰাবল্য ইমান বেছি হৈছিল যে মানৱতাবোধ তথা নৈতিকতাবোধৰ অপমৃত্যু ঘটিছিল। তদুপৰি তান্ত্ৰিকতাবাদৰ নামত চলিছিল অবাধ বলি বিধান। নানা জাতি উপজাতিৰ আবাসস্থল অসম দেশৰ ঐক্যৰ এনাজৰীডাল এনেভাবে ছিন্ন-ভিন্ন হৈ অসমীয়া সমাজ খন থানবান হ'ব খোজাৰ সময়তে অসমীয়া জাতিৰ ত্ৰাণকৰ্তাৰূপে আৱিৰ্ভাৱ হৈছিল শ্ৰীশঙ্কৰ দেৱৰ বৰদোৱাৰ ওচৰৰ আলিপুখুৰী গাঁৱৰ কুসুম্বৰ শিৰোমণি ভূঞাঁৰ পুত্ৰ ৰূপে। শংকৰৰ মাতৃ দেৱীৰ নাম আছিল সত্যসন্ধা। সকতে ঘাট-মাউৰা হোৱা শংকৰদেৱক বুঢ়ীমাক খেৰসুতিয়ে তুলি তালি ডাঙৰ-দীঘল কৰিছিল। বিদ্যাশিক্ষা লাভৰ অৰ্থে শংকৰক মহেন্দ্ৰ কন্দলিৰ টোলত নাম ভৰ্তি কৰি দিছিল আৰু তাতেই তেওঁৰ প্ৰতিভাৰ উমান পোৱা গৈছিল। অসাধাৰণ প্ৰতিভাৰ অধিকাৰী শংকৰ পৰৱৰ্ত্তী কালত সৰ্বগুণাকৰ ৰূপে পৰিচিত হৈছিল।

শংকৰদেৱক অসমীয়া জাতিৰ জনক বুলি কোৱা হয়। আজিৰ পৰা প্ৰায় পাঁচশবছৰ পূৰ্বে তেওঁ

অনৈক্যই বিৰাজ কৰি থকা অসমীয়া জাতিটোক একতাৰ দোলেৰে বান্ধি, ঐক্য স্থাপন কৰি এটা বৃহত্তৰ অসমীয়া জাতি হিচাপে বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস কৰিছিল। অসমীয়া জাতি তথা সমাজখনক ন ৰূপত প্ৰতিষ্ঠা কৰাৰ অৰ্থে তেওঁ ধৰ্ম প্ৰচাৰৰ ওপৰত জোৰ দিছিল। কিয়নো ধৰ্মই হৈছে সমাজৰ ধৰণী। আবেগিক ঐক্য স্থাপনত ধৰ্মত বিনে আন একো বস্তু নাই। শংকৰদেৱে প্ৰচাৰ কৰা ধৰ্মটো আছিল "এক-শৰণ নাম ধৰ্ম"। এই ধৰ্মটো মহাপুৰুষীয়া ধৰ্ম নামেও জনাজাত। অসমীয়া সমাজ-জীৱনত এই ধৰ্মৰ জনপ্ৰিয়তা ইমান বেছি যে এতিয়াও বৰ্তমান এই ধৰ্মৰ সমাদৰ কমা নাই বৰং বাঢ়িছেহে। গুৰুজনাই তেওঁৰ প্ৰচাৰিত ধৰ্মটোক ঠেক গণ্ডীৰ ভিতৰতে আবদ্ধ নাৰাখি নগা, গাৰো মিৰি, খাচী, যৱন আদিৰ মাজতো প্ৰচাৰ কৰিছিল। গুৰুজনাৰ মহত্ব এয়ে আছিল যে তেওঁ এজন মহান মানৱতাবাদী হিচাপে পৰিচয় দিব পাৰিছিল। ধৰ্ম প্ৰচাৰ তথা ধৰ্ম আলোচনাৰ্থে তেওঁ অসমৰ বিভিন্ন ঠাইত সত্ৰ আৰু নামঘৰ স্থাপন কৰিছিল আৰু এই সত্ৰ আৰু নামঘৰবোৰতে জাতি-বৰ্ণ নিৰ্বিশেষে সকলো লোক সমবেত হৈছিল আৰু জাতি ধৰ্মৰ ভেদাভেদ পাহৰি এক জাতি এক মানৱ সমাজ ৰূপে থিয় দিব পাৰিছিল। এখন সাম্যবাদী সমাজ স্থাপনৰ বাবে তেওঁ কৰা প্ৰয়াস কিমান মহৎ আছিল সেইটো বৰ্তমান পটভূমিতো বিচাৰ কৰিব পাৰি।

নামঘৰ, সত্ৰ আদিলৈ জনসাধাৰণক সহজে আকৰ্ষণ কৰাৰ অৰ্থে তেওঁ এক অভিনৱ পন্থা লৈছিল। নামঘৰ তথা সত্ৰত তেওঁ নাম প্ৰসঙ্গৰ ব্যৱস্থা কৰিছিল। নাটক, ঝুমুৰা চিহ্নযাত্ৰা আদিৰ দৰ্শনৰ যোগেৰে হেজাৰ হেজাৰ দৰ্শকৰূপী অসমীয়াক সংঘবদ্ধ কৰি মুগ্ধ কৰিছিল। নাম প্ৰসঙ্গৰ পিচত প্ৰসাদ বিতৰণৰ ব্যৱস্থা কৰিছিল আৰু সকলোৱে এই প্ৰসাদ গ্ৰহণ কৰিব পাৰিছিল। ধৰ্ম প্ৰচাৰৰ অজুহাতত নাট, পদ, গীত কাব্য আদি ৰচনা কৰাৰ লগতে গুৰুজনাই তাল, খোল, ডবা মৃদঙ্গ, কাঁহ আদি বাদ্যৰ সৃষ্টি কৰি অসমীয়া সংস্কৃতিৰ ভঁৰাল টনকিয়াল কৰি থৈ গৈছে।

সাহিত্য হৈছে যি কোনো জাতি সত্তাৰ বিবেক আৰু বৌদ্ধিক প্ৰগতিশীলতাৰ মাঁপকাঠি। সাহিত্যক বাদ দি সুসংস্কৃতিবান জাতিৰ কথা ভৱাটো তেনেই অমূলক। সেয়েহে অসমীয়া ভাষা সাহিত্যক সমৃদ্ধিশালী কৰাৰ মানসেৰে মহাপুৰুষ জনাই বেদান্ত দৰ্শন, ভাগৱত পুৰাণ, গীতা আদিৰ দৰে তত্বগধুৰ গ্ৰন্থৰ পৰা সাৰ সংগ্ৰহ কৰি কীৰ্ত্তন, দশম আদিৰ দৰে অপূৰ্ব গ্ৰন্থসমূহ ৰচনা কৰিছিল। ৰুক্মিণী হৰণ, পাৰিজাত হৰণ আদিৰ দৰে ভালেমান নাটক ৰচনা কৰিছিল, উচ্চমান বিশিষ্ট বৰগীত সমূহ ৰচনা কৰি তাত সুৰ সংযোজন কৰিছিল। মুঠতে অসমীয়া সাহিত্যজগতলৈ গুৰুজনাৰ ইমান-খিনি অৱদান আছিল যে তেওঁৰ নামেৰেই পৰৱৰ্ত্তী সাহিত্য সমালোচকসকলে অসমীয়া সাহিত্যৰ বুৰঞ্জীত এটা যুগ নামকৰণ কৰিছে। সেয়া হৈছে — "শংকৰী যুগ"।

মহান ভাৰতীয় সংস্কৃতিৰে এটা অংশ অসমীয়া সংস্কৃতিক এচুকত নাৰাখি সৰ্বভাৰতীয় সংস্কৃতিৰ লগত সাঙোৰ খুওৱাৰ অৰ্থেও মহাপুৰুষ জনাই

প্ৰচেষ্টা চলাই গৈছিল। সুদীৰ্ঘ বাৰ বছৰৰো অধিক কাল ধৰি তেওঁ গয়া, মথুৰা, বৃন্দাবন, কাশী, পুৰী, দ্বাৰকা, বদৰিকাশ্ৰম আদি ভাৰতৰ অনেক তীৰ্থক্ষেত্ৰ ভ্ৰমি, নানান পণ্ডিত তথা সৎ জনৰ সান্নিধ্যলৈ আহি ধৰ্মমত তথা ভাব-ভাষাৰ আদান প্ৰদান ঘটাই সমন্বয় সংস্কৃতিৰ বাট কাটি থৈ গৈছিল।

গুৰুজনাই তেওঁৰ ছকুৰি বছৰীয়া মানৱী লীলাৰ কালছোৱাত সময়ৰ প্ৰয়োজন অনুসাৰে আৰু নৈতিকতা তথা মানৱতাৰ যোগ্যতা অনুসৰি এক উপযোগী ধৰ্ম আৰু নীতিবোধ প্ৰদান কৰি অসমৰ ভাঙোনমুখী সমাজ ব্যৱস্থাক পুনৰ গঠনৰ চেষ্টা কৰিছিল, ভাষা সাহিত্য-সংস্কৃতিৰ কানন ফুলাম কৰি অসমীয়াৰ কণ্ঠত জয়মাল্য পিন্ধাই অসমীয়া জাতিটোক অভিনৱ গাঠনিৰে গাঁঠিছিল। একেধাৰে ধৰ্ম, ভাষা সাহিত্য, সংস্কৃতি আৰু সাম্যবাদ প্ৰতিষ্ঠাত যি অৱদান তেওঁ আগবঢ়াবলৈ সক্ষম হৈছিল তেনেকুৱা এজন মহা পুৰুষ অকল অসম তথা ভাৰততেই নহয় সমগ্ৰ বিশ্বতে পাবলৈ বিৰল। সেয়েহে বৰ অসমৰ ভেটি নিৰ্মাতা হিচাপে তেওঁ আজিও উজ্জ্বল জ্যোতিষ্ক হৈ জিলিকি আছে। * ★

---

* প্ৰৱন্ধটি যুগুত কৰোঁতে "বটদ্ৰোৱা সত্ৰৰ ইতিবৃত্ত" নামৰ ধাৰ্মিক গ্ৰন্থখনৰ সহায় লোৱা হৈছে।

# পণ্ডিত বিষ্ণু নাৰায়ণ ভাটখাণ্ডে ঃ এটি পৰিচয়

—হীৰামণি দেৱী
১ম বাৰ্ষিক, স্নাতক মহলা ( কলা )

কুৰি শতিকাৰ প্ৰথমাৰ্দ্ধত ভাৰতীয় সংগীতৰ ক্ষেত্ৰত এক জাগৰণ আনি উক্ত সংগীতক নৱ-ৰূপত প্ৰতিষ্ঠা কৰাত যি কেইগৰাকী সংগীত সাধক মনীষীয়ে অৰিহণা যোগাইছিল—সেইসকলৰ ভিতৰত প্ৰয়াত পণ্ডিত বিষ্ণু নাৰায়ণ ভাটখাণ্ডেজী নিশ্চয় অন্যতম হ'ব।

১৮৬০ খ্ৰীষ্টাব্দৰ ১০ আগষ্ট, কৃষ্ণ জন্মাষ্টমীৰ দিনা বোম্বাইৰ ওচৰৰ বালকেশ্বৰ নামে ঠাইত পণ্ডিত ভাটখাণ্ডেজীৰ জন্ম হৈছিল। সংগীতপ্ৰেমী দেউতাকৰ পৰা প্ৰেৰণা পাই তেওঁ স্কুলীয়া শিক্ষাৰ লগে লগে সংগীত শিক্ষাও আয়ত্ত কৰিছিল। চেতাৰ, কণ্ঠ সংগীত আৰু বাঁহী এই তিনিওটাতেই তেওঁ বিশেষ পাবদৰ্শিতা লাভ কৰিছিল। শেঠ বল্লভদাস, গুৰুৰাৱজী বুঁআ, মহম্মদ আলীখা, পণ্ডিত একনাথ, কল্লৰে আলীখা আদি বিখ্যাত সংগীতজ্ঞ সকলৰ ওচৰত তেওঁ সংগীত শিক্ষা লাভ কৰাৰ সুযোগ পাইছিল। কলেজীয়া শিক্ষা লাভ কৰাৰ ক্ষেত্ৰতো ভাটখাণ্ডেজী পিচ পৰি থকা নাছিল। ১৮৮৩ খৃঃত তেওঁ বি. এ. আৰু ১৮৯০ খৃঃত এল. এল. বি পৰীক্ষাত উত্তীৰ্ণ হয়। এল. এল. বি. ডিগ্ৰী লাভ কৰাৰ পাচত তেওঁ কিছুকাল ওকালতি কৰিবলৈ লৈছিল যদিও তেওঁ সংগীতৰ প্ৰতিহে আকৃষ্ট হ'ল আৰু পাচলৈ তেওঁ এগৰাকী সংগীতজ্ঞ পণ্ডিত হিচাপেহে খ্যাতি লাভ কৰিলে।

সৰুৰে পৰা সংগীতৰ প্ৰতি অসীম ধাপ থকা বিষ্ণু নাৰায়ণ ভাটখাণ্ডেজীয়ে অশেষ পৰিশ্ৰম কৰি দেশৰ বিভিন্ন প্ৰান্তত থকা সংগীতজ্ঞসকল আৰু গায়ক-বাদকসকলৰ পৰা সংগীতৰ শিক্ষা লাভ কৰি আৰু সংগীতৰ বিষয়-বস্তু সংগ্ৰহ কৰি সংগীতৰ এটি শকত আৰু বহল ভেটি ৰচনা কৰিবলৈ সক্ষম হয়। সংগীতৰ ক্ষেত্ৰত আগ-বঢ়োৱা তেওঁৰ উল্লেখযোগ্য বৰঙণিসমূহ হ'ল— শাস্ত্ৰীয় আৰু ব্যৱহাৰিক সংগীতৰ ভিতৰত এটি সমন্বয় গঢ়ি তোলা আৰু জনসাধাৰণৰ মাজত ইয়াৰ প্ৰচাৰ কৰি শাস্ত্ৰীয় সংগীতৰ ৰূপ আৰু মৰ্য্যাদা প্ৰতিষ্ঠিত কৰা। এই উদ্দেশ্যেৰে তেওঁ হিন্দুস্থানী সংগীত পদ্ধতিৰ সকলোবোৰ ৰাগক দহোটা ঠাটৰ অন্তৰ্ভুক্ত কৰি লয় আৰু তাৰ এটি বৈজ্ঞানিক ভেটি তৈয়াৰ কৰি "শ্ৰীমল্লক্ষ সংগীত" আৰু "অভিনৱ ৰাগ মঞ্জৰী" নামে পুস্তক ৰচনা কৰে। আনপিনে সংগীতৰ শাস্ত্ৰীয় ভাগৰ বহল ব্যাখ্যা সম্বলিত "হিন্দুস্থানী সংগীত পদ্ধতি" নামৰ চাৰিখন অতি মূল্যৱান পুথি তেওঁ মাৰাঠী ভাষাত লিখি উলিয়ায়। ব্যৱহাৰিক সংগীতৰ ক্ষেত্ৰতো তেওঁ "হিন্দুস্থানী সংগীত পদ্ধতি ক্ৰমিক পুস্তক মালিকা" নাম দি খেয়াল, ধ্ৰুপদ, ধামাৰ, তাড়না, লক্ষণগীত সৰগম ইত্যাদিৰ অসংখ্য ৰাগ সম্বলিত গীতৰ পুথি ছয়খন ছপা কৰি উলিয়ায়।

ইংৰাজীতো তেওঁ অতি মূল্যবান দুখন গ্ৰন্থ প্ৰকাশ কৰি উলিয়ায়।

সংগীতৰ পুথি ৰচনা আৰু প্ৰকাশৰ বাহিৰেও তেওঁ ১৯১৬ খৃঃত "বৰোদাৰ মহাৰাজ"ৰ সহায়ত বৰোদা চহৰত প্ৰথমবাৰৰ বাবে এখন সংগীত সম্মিলন অনুষ্ঠিত কৰে। সেই কালত এনে এক সম্মিলনৰ গুৰুত্ব অত্যধিক আছিল। কাৰণ সেই সময়ত উচ্চ সংগীত শুনা বা শিকাৰ মুঠেই সুবিধা নাছিল। ওস্তাদসকলে ৰাজ সভাতহে গানৰ প্ৰদৰ্শন কৰিছিল। ৰেডিঅ' আদিৰো তেতিয়া প্ৰচলন হোৱা নাছিল। গতিকে সৰ্বসাধাৰণে তেনেকুৱা সংগীতৰ লগত মুঠেই পৰিচিত হ'ব পৰা নাছিল। সংগীত শিক্ষাৰ ক্ষেত্ৰত তেতিয়া বিৰাট অসুবিধাৰ সমুখীন হ'ব লগা হৈছিল। ওস্তাদসকলে একোটা ৰাগ বা গান কেৱামাহলৈকে শিকাওঁতে বহুতৰ ধৈৰ্য্যচ্যুতি ঘটিছিল। এনে অৱস্থাত ১৯১৬ খৃঃৰ 'বৰোদাৰ সংগীত সম্মিলনে' জনসাধাৰণৰ মাজত এটি প্ৰবল আগ্ৰহ জগাই তুলিলে আৰু তাত "অখিল ভাৰতীয় সংগীত একাডেমী" নামে এটি সংগীত অনুষ্ঠান পাতিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। ইয়াৰ পাচতো ১৯২৫ খৃঃৰ ভিতৰত আৰু পাঁচখন বৃহৎ সম্মিলন অনুষ্ঠিত কৰা হৈছিল আৰু তাত বহুতো বিখ্যাত বিখ্যাত গায়ক-বাদকৰ সমাবেশ ঘটোৱা হৈছিল। এই সম্মিলনবোৰত সংগীত সম্বন্ধীয় নানান আলোচনা আৰু প্ৰদৰ্শনী আদি কৰা হৈছিল আৰু ই জন-সাধাৰণৰ মনত সংগীতৰ প্ৰতি ধাউতি তথা আকৰ্ষণ জগাই তুলিছিল। অৱশেষত ১৯২৬ খৃঃত লক্ষ্ণৌত "মৰিস মিউজিক কলেজ" স্থাপিত হ'ল।

সংগীতৰ ক্ষেত্ৰত অনবদ্য অৱদান আগবঢ়োৱা এই গৰাকী মহান সংগীতজ্ঞৰ ১৯৩৬ খৃঃৰ ১৯ চেপ্তেম্বৰৰ দিনা দেহাৱসান ঘটে। জীৱন কালত তেওঁ ভাৰতীয় সংগীত জগতত যি মহান অৱদান আগবঢ়াই গ'ল সিয়ে তেওঁক নিশ্চয় আমাৰ মাজত অমৰ কৰি ৰাখিব। * ☆

* [সহায় লৈ—লেখিকা]।

## জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্য্যকৰী সমিতি—১৯৯২-৯৩ চন ।



থিয় হৈ : ( বাওঁফালৰ পৰা ) সৰ্বশ্ৰী অজয় দাস ( ছাত্ৰ একতা সভাৰ কাৰ্যালয় সহায়ক ), সুশীল পাটোৱাৰী ( সম্পাদক, তৰ্ক আৰু আলোচনা চক্ৰ ), ভূদেৱ অধিকাৰী ( সম্পাদক, খেল বিভাগ ), জগৎ চন্দ্ৰ দাস ( সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা ), নিৰ্মল ৰাভা ( সম্পাদক, ছাত্ৰ জিৰণি কোঠা ), ক্ষীৰোদ কুমাৰ চৌধুৰী ( সম্পাদক, 'জৱাহৰ জ্যোতি' ), নিৰঞ্জন ৰাভা ( সম্পাদক, সমাজ সেৱা ), ৰীণা নাথ ( সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা ) ।

বহি : ( বাওঁফালৰ পৰা ) অধ্যাপক মদন কাকতি ( তত্ত্বাৱধায়ক, সমাজ সেৱা বিভাগ ), অধ্যাপক দ্বিজেন্দ্ৰ নাথ দাস ( তত্ত্বাৱধায়ক, খেল বিভাগ ), অধ্যাপক শৰৎ চন্দ্ৰ তালুকদাৰ ( উপ সভাপতি ), অধ্যক্ষ যতীন্দ্ৰ চন্দ্ৰ নাথ ( সভাপতি ), অধ্যাপক বসন্ত কুমাৰ দত্ত ( তত্ত্বাৱধায়ক, সাংস্কৃতিক বিভাগ ), অধ্যাপক দিলীপ কুমাৰ দাস ( তত্ত্বাৱধায়ক, 'জৱাহৰ জ্যোতি' ), অধ্যাপক নবীন চন্দ্ৰ মুদিয়াৰ ( তত্ত্বাৱধায়ক, ছাত্ৰ জিৰণি কোঠা ). অধ্যাপক মেৰাজ খান ( তত্ত্বাৱধায়ক, তৰ্ক আৰু আলোচনা চক্ৰ ), অধ্যাপিকা নন্দা দেৱী ( তত্ত্বাৱধায়িকা, ছাত্ৰী জিৰণি কোঠা ) । ছবিত অনুপস্থিত : জীৱেশ্বৰ পাঠক ( সম্পাদক, সাংস্কৃতিক বিভাগ ) ।



১৯৯২-৯৩ চনৰ 'মহাবিদ্যালয় সপ্তাহ'ৰ মুখ্য অতিথি কবি হীৰেন ভট্টাচাৰ্য আৰু নিৰ্দিষ্ট বক্তাদ্বয় শ্ৰীবিনন্দ কুমাৰ শইকীয়া আৰু শ্ৰীঅৰুন বৰাৰ সৈতে ছাত্ৰ একতা সভাৰ কাৰ্যাকৰী সমিতিৰ সদস্য-সদস্যা বৃন্দ ।

# অসমীয়া সাহিত্যৰ প্ৰাচীনতম্ নিদৰ্শন ঃ চৰ্য্যাপদ

—ধৰ্মকান্ত বৰুৱা
প্ৰবক্তা, অসমীয়া বিভাগ

চৰ্য্যাপদ সমূহক অসমীয়া ভাষা আৰু সাহিত্যৰ প্ৰাচীনতম্ নিদৰ্শন বুলি ঠাৱৰ কৰিব পাৰি। খৃষ্টীয় অষ্টম শতিকাৰ পৰা দশম শতিকাৰ ভিতৰত ৰচিত এই চৰ্য্যাপদসমূহে প্ৰাক্-বৈষ্ণৱ যুগৰ কবি সকলৰ আগৰ কালছোৱাৰ অসমীয়া সাহিত্যৰ চানেকি হিচাপে অসমীয়া সাহিত্যৰ বুৰঞ্জীত বুটা বাছি সাহিত্যৰ ক্ৰম-বিকাশত যথেষ্ট বৰঙণি আগবঢ়াইছে। সেয়েহে কাব্যগত ৰসৰ ফালৰ পৰা অসমীয়া সাহিত্যলৈ চৰ্য্যাপদসমূহে কিমান খিনি অৱদান আগবঢ়াইছে সেইয়াহে বৰ্ত্তমান বিচাৰ্য্য।

ইংৰাজী ১৯০৪ চনত মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীয়ে নেপাল ৰাজদৰবাৰৰ গ্ৰন্থালয়ৰ পৰা এই চৰ্য্যাপদ বা বৌদ্ধগান সমূহ উদ্ধাৰ কৰি আনি 'হাজাৰ বছৰেৰ পুৰাণ বাংলা ভাষাৰ বৌদ্ধ-গান ও দোহা'—এই নামেৰে প্ৰকাশ কৰে। উদ্ধাৰ কৰা পুথিখনত সৰ্বমুঠ ৪৬ টা সম্পূৰ্ণ আৰু এটা খণ্ডিত গান বা দোহা আছে। ইয়াত চৌবিশ-জন সিদ্ধাচাৰ্য্যৰ ৰচিত গীত সন্নিবিষ্ট কৰা হৈছে। এই সিদ্ধপুৰুষ আৰু গায়কসকলৰ সৰহ ভাগেই পুৰণি কামৰূপৰ লোক আছিল। সেইসকলৰ ভিতৰত সৰহপা, লুইপা, মীননাথ, ভুসুকপা, নাগাৰ্জুন আদি কামৰূপৰ লোক আছিল বুলি জনা যায়। এওঁ-লোকৰ কামৰূপৰ লগত ঘনিষ্ঠ সম্পৰ্ক থকাৰ পৰা ঠাৱৰ কৰিব পাৰি যে বৌদ্ধগান বা দোহা সমূহে অসমীয়া ভাষা আৰু সাহিত্যৰ প্ৰাচীনতম নিদৰ্শন দাঙি ধৰাত আচৰিত হ'বলৈ একো নাই।

অসমীয়া পুৰণি বৈষ্ণৱ সাহিত্যসমূহ ধৰ্মৰ ওপৰত প্ৰতিষ্ঠিত। সেই কাৰণে সেই যুগৰ সাহিত্যসমূহ উপদেশপূৰ্ণ আৰু উদ্দেশ্যধৰ্মী আছিল। ধৰ্মৰ ওপৰত প্ৰতিষ্ঠিত যদিও সেই যুগৰ সাহিত্য সমূহ কাব্যিক সৌন্দৰ্যৰ পৰা বঞ্চিত নহয়। সেই দৰে চৰ্য্যাপদবোৰো ধৰ্মৰ ওপৰত প্ৰতিষ্ঠিত, উদ্দেশ্যধৰ্মী, হিতবাদী সৃষ্টি। এইবোৰ সহজযান পন্থী লোকসকলৰ পথ প্ৰদৰ্শক মূলমন্ত্ৰ হোৱাৰ উপৰিও ভাষাতত্ব আৰু সাহিত্যৰ ফালৰ পৰাও এইবোৰৰ মূল্য অধিক। চৰ্য্যাপদত দৰ্শনতত্বৰ বাহিৰেও ভাৱৰ প্ৰসাৰতা, কল্পনাৰ সূক্ষ্মতা, প্ৰকৃতি আৰু নাৰীৰ প্ৰতি থকা সৌন্দৰ্যবোধ, কাব্যিক গঠন প্ৰাণালী, ছন্দ বৈচিত্ৰ্য আৰু কাব্যিক ৰস বোধ আদি সকলো লক্ষণেই সুন্দৰভাৱে প্ৰকাশ পাইছে। কাব্যিক মূল্যৰ ওপৰত ভিত্তি কৰি ডঃ মহেশ্বৰ নেওগদেৱে চৰ্য্যাপদৰ আলোচনা প্ৰসংগত এনেদৰে কৈছে—"The contents of these poems are of highly mystic nature centering round esoteric

doctrines of sahaja yana and erotistic practices of the sahajiyas. In form the Caryas may be termed lyric and stand comparison with the songs of Mankara, Durgavara, Sankaradeva and other poets of the following ages. ”

ভাৱৰ ফালৰ পৰা চৰ্য্যাগীতবোৰ অতি গভীৰ আৰু গুৰুত্বপূৰ্ণ। সাধাৰণতে ইয়াক তিনিটা ভাগত ভাগ কৰিব পাৰি। যেনে—(ক) দৰ্শন তত্ত্বমূলক, (খ) যোগ-সাধন সম্পৰ্কীয় আৰু (গ) তান্ত্ৰিক মতবাদমূলক। এই তিনিওবিধ চৰ্য্যাৰ মাধ্যমেদি বৌদ্ধ সিদ্ধাচাৰ্য্যসকলে সহজবাদৰ মূলতত্ত্ব সমাজত প্ৰচাৰ কৰিছিল। বৌদ্ধ ধৰ্মৰ মূল মন্ত্ৰ হ'ল— ‘সৰ্বং অনিত্যম্, সৰ্বং অনাত্মম্, নিৰ্বাণং শান্তম্।” আৰু ইয়াতেই শূন্যবাদৰ উৎপত্তি। বাসনাৰ নিবৃত্তি বা অহং ভাৱৰ বিলোপ সাধনেই নিৰ্বাণ। বাসনা, কামনাময় চিত্ত যেতিয়া অচিত্ততাত বিলীন হয় তেতিয়াই মুক্তিপ্ৰাপ্ত হয়; কিন্তু পিচলৈ নিৰ্বাণৰ স্বৰূপতে ভিন ভিন মতবাদৰ সৃষ্টি হয়। কোনো কোনোৰ মতে নিৰ্বাণ দুখময়, কোনো কোনোৰ মতে ই আনন্দময় আৰু কিছুমানৰ মতে ই বাস্তৱ আৰু ভাৱস্বভাৱ। সকলোবোৰ সিদ্ধাচাৰ্য্যৰ ভিতৰত নাগাৰ্জুনৰ বৃত্তিকে নিৰ্বাণ সম্পৰ্কীয় শুদ্ধ আৰু সবল ব্যাখ্যা বুলি ধৰা হয়। নিৰ্বাণৰ প্ৰধান বিশেষত্ব হ'ল ই নিত্য কৰুণাময় আৰু আনন্দময়। সাধাৰণতে অহংকাৰৰ পৰাই দ্বৈত জ্ঞানৰ উৎপত্তি। গতিকে অহংকাৰ বিলোপ সাধনেই নিৰ্বাণৰ চৰম লক্ষ্য। সৰ্বসত্তা বিলীন হোৱা বাবেই ই কৰুণাময়, সুখময়। সুখবাদেই সহজীয়া পন্থৰ চৰম লক্ষ্য। সেয়ে চৰ্য্যাত কৈছে— “সুন নৈৰামণি কণ্ঠে লইয়া মহাসুখে ৰাতি পোহাই।”–এনেদৰে দাৰ্শনিক তত্ত্বসমূহ চৰ্য্যাবোৰত আলোচনা কৰা হৈছে। এনেকুৱা দৰ্শনতত্ত্বমূলক আলোচনাৰ উপৰিও অনেক চৰ্য্যাত যোগ সাধন আৰু তান্ত্ৰিক মতবাদৰ আলোচনা পোৱা যায়। সিদ্ধাচাৰ্য্য কৃষ্ণচাৰ্য্য আৰু ভূসুকপাদৰ চৰ্য্যাত নৈতিক আৰু আধ্যাত্মিক উপদেশৰ উপৰিও তন্ত্ৰ সম্পৰ্কীয় কথা কেনেদৰে প্ৰকাশ পাইছে তলৰ চৰ্য্যাফাকিলৈ মন কৰিলেই ধৰিব পাৰি।

অধৰাতি ভৰ কমল বিকসিউ
বৰিস জোইনী তসু কমল বিকসিউ।

অৰ্থাৎ মহাসুখ কমল যেতিয়া শূন্যতাৰ প্ৰভাৱত বিকশিত হৈ উঠে তেতিয়া দেহত থকা অন্যান্য নাড়ীসমূহেও আনন্দধাৰা বৰষণ কৰে। আনহাতে চৰ্য্যাবোৰত গুৰুৰ ওপৰত বিশেষ নিৰ্ভৰ কৰাৰ কথাও পোৱা যায়। সেয়েহে সংসাৰৰ অসাৰ তত্ত্বক প্ৰতীয়মান কৰি গুৰুৰ ওচৰ চাপি নিৰ্বাণ লাভ কৰিবলৈ এনেদৰে নিৰ্দ্দেশ দিছে—

কাআ তৰুবৰ পঞ্চ বিডাল
চঞ্চল চিঅ পইঠো কাল।
দিট কৰিঅ মহাসুহ পৰিমাণ
লুই ভণই গুৰু পুচ্ছিঅ জান।

অৰ্থাৎ কায়াৰূপ দেহৰ পাঁচ ডালি ঠাল, চঞ্চল চিত্তত কালে প্ৰবেশ কৰিলে। মহাসুখৰ পৰিমাণক দৃঢ় ভাৱে ধৰা, গুৰুক সুধি এইবোৰ জানি লোৱা —লুইয়ে ইয়াকে কয়। ওপৰৰ চৰ্য্যাত মূল বিষয় বস্তু সহজবাদ যোগ সাধনৰ প্ৰতি থকা আগ্ৰহ

আৰু গুৰুৰ ওপৰত থকা নিষ্ঠা সম্পৰ্কে আলোচনা কৰা হৈছে। মুঠতে চৰ্য্যাবোৰত অন্তৰ্নিহিত ভাৱধাৰা এই সহজবাদ পাতালী গংগাৰ দৰে প্ৰৱাহমান। আনহাতে এই চৰ্য্যাবোৰত পৰমতত্ত্ব উপলব্ধি কৰিবলৈ গ'লে চৰ্য্যাৰ বাহ্যিক আৱৰণত পৰিব্যাপ্ত হৈ থকা সাহিত্যিক সোৱাদসমূহ অনুভৱ কৰা নাযায়; কিয়নো চৰ্য্যাৰ ভাষা 'সান্ধ্য ভাষা'। সন্ধ্যাৰ আধা আলো আধা ছাঁয়াৰ ৰহস্যময়তাই প্ৰত্যেকটো চৰ্য্যাকে আৱৰি আছে। অৱশ্যে সিদ্ধাচাৰ্য্যসকলে এইবোৰ প্ৰকাশ কৰিবলৈ যাওঁতে সহজ পন্থাকে মাধ্যম স্বৰূপে গ্ৰহণ কৰিছে। যেনে ঘৰুৱা প্ৰেম-প্ৰীতি, ৰং-ৰহইচ, সুখ-দুখ, হাঁহোন-কান্দোন আদি সংসাৰত ঘটি থকা কাহিনীবোৰৰ মাজেদিয়ে অজ্ঞ জনগণক ধৰ্মৰ পৰমতত্ত্ববোৰ বুজাবলৈ চেষ্টা কৰিছে। তাৰ ফলত চৰ্য্যাসমূহ একো একোটি প্ৰস্ফুটিত পদুমৰ দৰে স্নিগ্ধ কাব্যিক ৰসস্বাদী গাথাত পৰিণত হৈছে। ক'ৰবাত অসংগতিপূৰ্ণ ভাৱ, চিত্ৰ আছে যদিও তাৰ মাজেদিও অন্তৰৰ প্ৰেৰণা অনুভূতি, প্ৰাচুৰ্য্য আৰু প্ৰাবল্য, ৰসঘনতা, কাব্যিক কল্পনা আদিৰ সোৱাদ প্ৰকাশ নোপোৱাকৈ থকা নাই, যেনে—

জোইনি তই বিনু খনহি ন জিৱমি
তো মুহ চুম্বি কমল ৰস পিৱমি।

অৰ্থাৎ—হে যোগিনী, প্ৰৱল বাসনাৰ আবেগ হেতু তোমাক ত্যাগ কৰি মই এক মুহূৰ্ত্ত জীয়াই থাকিব নোৱাৰো, তোমাৰ মুখত চুমা বোলাই মই কমল ৰস পান কৰিম। বাহ্যিক দৃষ্টিকোণৰ ফালৰ পৰা চৰ্য্যাফাকিৰ অৰ্থ তেনেদৰে পোৱা যায়; কিন্তু কাব্যিক দৃষ্টিকোণৰ ফালৰপৰা চৰ্য্যাফাকিত কবিৰ যোগিনীৰ অৰ্থাৎ অস্পৃশ্যা নাৰীৰ প্ৰতি থকা ভালপোৱাৰ উমানহে প্ৰতীকৰ সহায়ত প্ৰকাশ পাইছে। ইয়াত প্ৰতীকসমূহ কবি কল্পনাৰ সুন্দৰ নিদৰ্শন। তেনেদৰে সিদ্ধাচাৰ্য্য কৃষ্ণপাদৰ চৰ্য্যাতো কল্পনাৰ মাধুৰিমা, ৰসঘন ভাৱধাৰা কিদৰে প্ৰকাশ পাইছে তাৰো আভাস তলৰ চৰ্য্যফাকিলৈ মন কৰিলে বুজিব পাৰি।—

জঅ জঅ দুন্দুহি সাদ উচ্ছলিআ
কাহ্নু ডোম্বী বিবাহে চলিআ
ডোম্বী বিবাহিআ আহৰিউ জাম
জউতুকে কিঅ আহতু ধাম।

এই চৰ্য্যাফাকিৰ স্বাভাৱিক বৰ্ণনাত এজন দৰাযাত্ৰীৰ মানসিক বৰ্ণনাৰ কথা প্ৰকাশ পাইছে— বৰযাত্ৰী কানু নামৰ দৰাজনে ঢাক-ঢোল বজাই ডোম্বীক বিবাহ কৰিবলৈ যাত্ৰা কৰিছে; কানুৱে (অস্পৃশ্যা) ডোম্বীক বিবাহ কৰিলেও যৌতুক-ৰূপে মহাসুখ পাব; কিন্তু ইয়াত ৰূপকৰ জৰিয়তে সহজাৱস্থা নিৰ্বাণ প্ৰাপ্তিৰ তত্ত্বহে ক'ব খুজিছে। তদুপৰি লৌকিক বৰ্ণনাই চৰ্য্যাটোৰ কাব্যিক সৌন্দৰ্য্যও প্ৰকাশ নকৰাকৈ থকা নাই। মুঠতে চৰ্য্যাবোৰত সিদ্ধাচাৰ্য্যসকলে নীৰস আধ্যাত্মিক কথাক ৰূপক আৰু চিত্ৰৰ সহায়ত সজীৱ আৰু আবেদনশীল কৰি গঢ়ি তোলাৰ লগে লগে ধৰ্মতত্ত্বও ব্যাখ্যা কৰিছে।

চৰ্য্যাপদ ৰচকসকল হ'ল সূক্ষ্মদৰ্শী মহাপণ্ডিত। কম কথাৰে বহু অৰ্থ প্ৰকাশ কৰিব পৰা ক্ষমতা, ঘৰুৱা জীৱনৰ সাধাৰণ বস্তুবোৰকে উপমা হিচাপে ব্যৱহাৰ কৰা, চিত্ৰধৰ্মিতা আদি গুণবোৰ তেওঁলোকৰ ৰচনাৰ মাজেদি সুন্দৰভাৱে প্ৰকাশ পাইছে।

যেনে—'**হাথেৰ কঙ্কণ মা লেহু দাপণ**' হাতত কঙ্কণ থাকোঁতে দাপোণৰ কোনো প্ৰয়োজন নাই। সেইদৰে ভুসুকুপাদে—'**অপহন মানসে হৰিণ বৈৰী**' গীতি কবিতা ফাকিৰে অসমীয়া সমাজত চলি থকা 'হৰিণৰ মাংসই নিজৰ বৈৰী' লৌকিক প্ৰৱচন ফাকিলৈ মনত পেলাই দিয়ে। তেনে ধৰণৰ আন এফাকি প্ৰৱচন যেনে—'**বৰ শূন গোহালি কিমো দুধ বলধে**', (দুষ্ট বলধতকৈ শূন্য গোহালিয়েই ভাল) মুঠতে জনসমাজত প্ৰচলিত প্ৰৱাদ বাক্যক অৱলম্বন কৰি সিদ্ধাচাৰ্য্য-সকলে তেওঁলোকৰ সাধন পদ্ধতিক পৰিস্ফুট-কৰিবলৈ প্ৰয়াস কৰিছিল।

চৰ্য্যাবোৰত ভাষাতকৈ ভাৱৰ পৰিস্ফুৰণ বেছি হোৱাৰ বাবে ইয়াক 'সান্ধ্য ভাষা' বুলি কোৱা হয়। এইবোৰত ব্যৱহৃত ছন্দও বিশেষ মন কৰিবলগীয়া। ছন্দৰ ক্ষেত্ৰত চৰ্য্যাবোৰত অক্ষৰৰ সমতা নাই যদিও তাত পুৰণি পয়াৰ আৰু ত্ৰিপদী ছন্দৰ স্ফুৰণ দেখিবলৈ পোৱা যায়। মাত্ৰাবৃত্ত ছন্দত ৰচিত এই চৰ্য্যাবোৰত অন্ত্যানু-প্ৰাস অলংকাৰৰ ব্যৱহাৰ এটা বিশেষ মন কৰিবলগীয়া কথা। আনহাতে চৰ্য্যাবোৰ বৰ দীঘলীয়া নহয়; দুই এটা দীঘলীয়া শাৰীৰ চৰ্য্যাৰ বাহিৰে বেছি ভাগেই দহ শাৰী বা চৌধ শাৰীৰ ভিতৰতে সীমাবদ্ধ; গতিকে ইয়াক অসমীয়া গীতি-ধৰ্মী 'চনেট' কবিতাৰ সৈতে ৰিজাব পাৰি। চৰ্য্যাবোৰ বিশেষকৈ ৰাগ-ৰাগিনী সহকাৰে গোৱা হয়। ইয়াত উল্লেখ থকা বিভিন্ন ৰাগ-ৰাগিনীৰ নামোল্লেখে চৰ্য্যাবোৰৰ মূল্য যথেষ্ট বঢ়াইছে। ছন্দ আৰু ৰাগ-ৰাগিনীৰ সম্পৰ্কত চৰ্য্যাৰ ৰচক-সকল শঙ্কৰদেৱ আৰু মাধৱদেৱ আদি বৈষ্ণৱ কবিসকলৰ পথ প্ৰদৰ্শক বুলি ভাৱিবৰ থল আছে। সেয়েহে গুৰু দুজনাৰ দ্বাৰা ৰচিত 'বৰগীত' সমূহৰ দৰে চৰ্য্যাবোৰো অতি মূল্যবান সম্পদ।

ডঃ বাণী কান্ত কাকতিয়ে চৰ্য্যাপদৰ অসমীয়াৰ লগত ভাষাগত সাদৃশ্য লক্ষ্য কৰি এইবোৰক অসমীয়া, বঙলা, উড়িয়া আৰু মৈথিলী ভাষাই সম্পূৰ্ণ স্বতন্ত্ৰৰূপ পোৱাৰ অব্যৱহৃত পূৰ্বাৱস্থাৰ ভাষাৰ নিদৰ্শন বুলিছে। সেয়েহে পুৱ ভাৰতৰ আটাইবোৰ ভাষাই নিজৰ নিজৰ ভাষাৰ সম্পত্তি বুলি দাবী কৰিবলৈ লৈছে। তথাপি ই যে অসমীয়াৰ বেছি ওচৰ চপা সেই বিষয়ে সন্দেহ নাই। এই মন্তব্যৰ ওপৰত ভিত্তি কৰি চৰ্য্যা-বোৰক অসমীয়া সাহিত্যৰ প্ৰাচীনতম্ নিদৰ্শন বুলি কলেও ভুল কোৱা নহয়। কাৰণ, পৰৱৰ্ত্তী যুগৰ কবি-সাহিত্যিক সকলে এই চৰ্য্যাপদ সমূহক চানেকি হিচাপে আগত ৰাখিয়েই সাহিত্য চৰ্চা কৰাৰ প্ৰমাণ স্বৰূপে আমাৰ 'বৰগীত' আৰু 'দেহ-বিচাৰ' গীতবোৰলৈ আঙুলিয়াব পাৰি। বৰগীতবোৰ যেনেদৰে আধ্যাত্মিক ভাৱাপন্ন, তেনে-দৰে চৰ্য্যাবোৰে আধ্যাত্মিক ভাৱাপন্ন, গঠন প্ৰণালীৰ ফালৰ পৰাও বৰগীত আৰু চৰ্য্যাবোৰ সমধৰ্মী। সেইদৰে আমাৰ 'দেহ বিচাৰ' গীতবোৰৰ লগতো চৰ্য্যাৰ যথেষ্ট মিল আছে। চৰ্য্যাৰ ভাষাৰ দৰে দেহ-বিচাৰৰ ভাষাও 'সান্ধ্য ভাষা' বুলি ক'ব পাৰি। কাৰণ চৰ্য্যাৰ দৰে দেহ-বিচাৰ গীততো ৰূপক আৰু প্ৰতীকৰ সহায়ত দেহতত্ত্ব আৰু পৰমাৰ্থতত্ত্ব ব্যাখ্যা কৰা হয়। দুয়োবিধ গীততে গুৰুৰ ওপৰত নিষ্ঠা প্ৰকাশ কৰা দেখা যায়।

চৰ্য্যাত যোগ-সাধনৰ উল্লেখ থকাৰ দৰে দেহ-বিচাৰ গীতো পোৱা যায়। এই ফালৰ পৰা চৰ্য্যাবোৰক অসমীয়া দেহ-বিচাৰ গীতৰ পথ-প্ৰদৰ্শক বুলি অভিহিত কৰিব পাৰি। সম্ভৱতঃ চৰ্য্যাবোৰক অনুসৰণ কৰিয়েই কোনো কোনো অনামী কবিয়ে দেহ-বিচাৰ গীতসমূহ ৰচনা কৰিছিল।

ওপৰৰ আলোচনাসমূহ প্ৰতীয়মান কৰাৰ সুবিধাৰ্থে তলত অসমীয়া ভাষা আৰু চৰ্য্যাপদৰ ভাষাৰ কিছুমান ধ্বনিগত, ৰূপগত আৰু শব্দগত সাদৃশ্য উল্লেখ কৰা হ'ল।

(ক) ধ্বনিগত সাদৃশ্য ঃ—

১। অসমীয়া ভাষাত কোনো শব্দত ওচৰা-ওচৰিকৈ দুটা অক্ষৰত থকা আ-ধ্বনিৰ পূৰ্ববৰ্ত্তী অক্ষৰৰ আ-ধ্বনি 'অ' নাইবা 'এ' ধ্বনি হোৱাৰ নিয়ম চৰ্য্যাপদতো দেখা যায়। যেনে,—

| অসমীয়া | চৰ্য্যা | বঙলা |
|---|---|---|
| চকা | চকা | চাকা |
| পথা | পথা | পাথা |

২। সংস্কৃতৰ উষ্ম বৰ্ণ তিনিটাৰ এটা 'স' ধ্বনিত ৰূপান্তৰিত হোৱা নিয়মৰ নিদৰ্শন অসমীয়াৰ দৰে চৰ্য্যাতো আছে। শবৰ, ষবৰালী, সবৰ [ চৰ্য্যা—৫০ ]।

(খ) ৰূপগত সাদৃশ্য ঃ—

১। অসমীয়াৰ সৈতে চৰ্য্যাৰ শব্দ বিভক্তিৰ মিল

| অসমীয়া | | চৰ্য্যা |
|---|---|---|
| ১মা— এ | — | কুম্ভীৰে খাঅ। |
| ২য়া— ক | — | ঠাকুৰক পৰিনিবিতা। |
| ৪ৰ্থী— লৈ | — | মেৰু শিখৰ লই। |
| ৬ষ্ঠী— ৰ | — | রুমেৰ তেন্তুলি, হৰিণীৰ নিলঅ। |
| ৭মী— ত | — | হাড়ীত ভাত নাই। |

২। নাস্ত্যৰ্থক 'ন' অসমীয়াত সদায় ক্ৰিয়াৰ আগত বহাৰ দৰে চৰ্য্যাতো ক্ৰিয়াৰ আগত বহে।

| অসমীয়া | চৰ্য্যা |
|---|---|
| নাযায় | ণজাই |
| নেদেখি | ণদেখি |

৩। অসমীয়া স্ত্ৰী প্ৰত্যয় 'নী' আৰু 'ঈ' চৰ্য্যাৰ সৈতে একে। যেনে—

শুণ্ডিনী, শবৰী, শিআলী ইত্যাদি।

৪। অসমীয়াত ভূত-কালত ক্ৰিয়া-বিভক্তি—'ইলো' ব্যৱহাৰ হোৱাৰ দৰে চৰ্য্যাতো ব্যৱহাৰ হয়। যেনে—

| অসমীয়া | চৰ্য্যা |
|---|---|
| আছিলো | অচ্ছিলো |

৫। অসমীয়াত অসমাপিকা ক্ৰিয়া—'ই'। চৰ্য্যাতো একে। যেনে—

দেখি, গই, উঠি, চুম্বি, ইত্যাদি।

৬। অসমীয়াত পুৰুষ অনুযায়ী ব্যৱহাৰ হোৱা সৰ্বনাম মই, তই মোৰ [ তিৰ্য্যক ৰূপ ) আদি চৰ্য্যাতো ক্ৰমে মই, তঁই, মোৰ ৰূপে ব্যৱহাৰ হয়।

(গ) শব্দগত সাদৃশ্য ঃ—

শব্দমালা বা শব্দগত ক্ষেত্ৰতো চৰ্য্যাত ব্যৱহৃত প্ৰায়বোৰ শব্দই অসমীয়াৰ সৈতে মিল আছে। যেনে— মোলাণ, পানী, আজি, কুঠাৰ, খাল, উজু আগলি ইত্যাদি শব্দবোৰ চৰ্য্যাতো একে ৰূপত ব্যৱহাৰ হয়। আৰু এটা বিশেষ মন কৰিব-লগীয়া কথা হৈছে যে চৰ্য্যাৰ কিছুমান শব্দৰ

অসমীয়া কামৰূপী উপভাষাৰ শব্দৰ হুবহু মিল আছে। যেনে—

| **কামৰূপী উপভাষা** | **চৰ্য্যা** |
|---|---|
| পোহিল | পহিল |
| বাপা | বাপা |
| বোপুৰা | বাপুড়া |
| কুৰ্ম্মা | কুড়ম্বা |
| গেল | গেল |
| ভম্ৰা | ভম্ৰা |
| ভতাৰ | ভতৰে |

আলোচনাৰ সামৰণিত ইয়াকে ক'ব পাৰি যে চৰ্য্যাপদ আৰু অসমীয়া ভাষাৰ সাদৃশ্য বা মিলে সম্ভৱতঃ ইয়াকে সূচায় যে চৰ্য্যাপদত সংৰক্ষিত ভাষাৰ ৰূপটোৱে অথবা তাৰ কিছু পৰিবৰ্ত্তিত ৰূপে এসময়ত গোটেই পূব-ভাৰতৰে সাহিত্যিক ভাষা ৰূপে পৰিগণিত হৈছিল। তাৰ প্ৰমাণ স্বৰূপে পূব-ভাৰতৰ বৈষ্ণৱ কবিসকলৰ ভিন্ ভিন্ ৰচনা ৰাজিলৈ আঙুলিয়াব পাৰি। সাধাৰণতে চৰ্য্যাবোৰ ৰচনা কৰা হৈছিল সংস্কৃত আৰু অৱহট্‌ঠ ভাষাত। আমাৰ বৈষ্ণৱ যুগৰ কবিসকলে (বিশেষকৈ অসম, বঙ্গ, আৰু উৰিষ্যা প্ৰদেশৰ) তেওঁলোকৰ ৰচনা ৰাজিত ব্যৱহাৰ কৰা 'ব্ৰজবুলি' ভাষাৰ ভিত্তি হিচাপে অৱহট্‌ঠ ভাষাত ৰচিত কাব্যৰ পৰম্পৰা থকা বুলি ক'ব পাৰি। সম্ভৱতঃ এটা সময়ত সংস্কৃত ভাষাক এফলীয়াকৈ থৈ অৱহট্‌ঠই একমাত্ৰ সাহিত্যিক ভাষাৰূপে পৰিগণিত হোৱাৰ বহুতো প্ৰমাণ পোৱা যায়। মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱে অংকীয়া নাট আৰু বৰগীতত ব্যৱহাৰ কৰা ব্ৰজবুলি ভাষাৰ চৰ্য্যাপদৰ ভাষাৰ লগত বহুখিনি মিল দেখা যায়। মুঠতে চৰ্য্যাপদসমূহ অসমীয়া ভাষা সাহিত্যৰ আপুৰুগীয়া সম্পদ। ইয়াক অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ প্ৰভাতী গান বুলি স্বীকাৰ কৰিব পাৰি। * ☆

---

* প্ৰবন্ধটো যুগুত কৰোঁতে সহায় লোৱা হৈছে—ড° কাকতি, ডিম্বেশ্বৰ নেওগ, ড° মহেশ্বৰ নেওগ, আৰু ড° উপেন্দ্ৰ নাথ গোস্বামীদেৱে চৰ্য্যাপদ আৰু অসমীয়া ভাষা সম্পৰ্কে কৰা আলোচনাৰ ওপৰত। মনীন্দ্ৰ বসু সম্পাদিত —চৰ্য্যাপদ।

# ঃ সূৰ্য্যোদয় ঃ

—হেমন্ত মহন্ত
১ম বাৰ্ষিক, স্নাতক মহলা (কলা)

কোনো কাহানিও নুশুনা কথা এবাৰ আজি হঠাতে অভাৱনীয়ভাৱে মাৰ মুখত শুনি মই স্তম্ভিত হৈ পৰিলোঁ। জাকিৰৰ ভনীয়েক পাঁচ বছৰীয়া আমিনাৰ জন্মদিন উপলক্ষে জাকিৰে মোক এসপ্তাহ আগতে কৰি যোৱা নিমন্ত্ৰণ সন্দৰ্ভত কোৱা মাৰ কথাখিনিৰ প্ৰতিটো শব্দই মোক বিছাই-বৰলে ডকা যেন লাগিছিল। মাই কৈছিল— "নাই, নাই জীতেন, তই কেতিয়াও যাব নোৱাৰ সেই মুছলমান গাঁৱলৈ। দেখা নাই দেশত কিহৰ জুই জ্বলিছে। আজি বোলে হিন্দুৱে মুছলমানক মাৰিছে, কালি বোলে মুছলমানে হিন্দু মাৰিছে। তেনেস্থলত তই কি সাহসত সেই মুছলমান গাঁৱলৈ যাবি কচোন।'..

আমিনাক দিবলৈ যোৱা কালিয়ে শনিবৰীয়া হাতৰ পৰা কিনি অনা প্ৰাকৃতিক দৃশ্যৰ ফটো খন অজানিতে মোৰ হাতৰ পৰা সুলকি পৰিল। হতবাক হৈ মাৰ ফালে চাওঁতে মাই পুনৰ কৈ উঠিল---'মই যি কৈছো শুন জীতেন। সোণেশ্বৰ মেম্বৰেও দেউতাৰক কৈছে যে সিহঁতে বোলে আমাৰ বিৰুদ্ধে.........'

মাক কথাখিনি শেষ কৰিব নিদি মই চিঞৰি উঠিলোঁ।---"মা, সেইটো হ'বই নোৱাৰে। তুমি শুনা সকলো কথাই মিছা। মই যামেই। মোক বাধা নিদিবা।"

মাটিত পৰা ফটো খন তুলি লৈ মই কিবা এক উত্তেজনাত মাৰ ওচৰৰ পৰা উচাট মাৰি আঁতৰি আহি তুলুপাৰ গাঁৱৰ মাজেৰে জাকিৰ-হঁতৰ ঘৰ অভিমুখে খোজ পেলালোঁ।

খোজকাঢ়ি যাওঁতে জাকিৰৰ লগত মোৰ আশৈশৱ সম্বন্ধৰ বহু কথাই মনলৈ আহিবলৈ ধৰিলে। .........জাকিৰৰ ঘৰ আমাৰ ঘৰৰ পৰা পাঁচ মাইল আঁতৰত। কিন্তু তাৰ মোমা-য়েকৰ ঘৰ আমাৰ গাঁৱত। সি মোমায়েকৰ ঘৰতে থাকি প্ৰাথমিক শিক্ষা গ্ৰহণ কৰিছিল বাবে আমি সৰুৰ পৰা একেলগে খেলা-ধূলা খেলি ডাঙৰ-দীঘল হৈছিলোঁ। তাৰ পিচত সি হাইস্কুলীয়া শিক্ষা আৰু বৰ্তমান কলেজীয়া শিক্ষা নিজৰ ঘৰত থাকি গ্ৰহণ কৰিলেও আমাৰ পুৰণি বন্ধুত্বৰ এনাজৰীডাল এতিয়াও সমানে অটুট হৈ আছে। আজিলৈ আমাৰ ঘৰত এনে এটি উৎসৱ বা সকাম হোৱা নাই য'ত জাকিৰ অনুপস্থিত আছে। ঠিক তেনেদৰে তাৰ ঘৰতো এনে এটি উৎসৱ বা পৰ্ব অনুষ্ঠিত হোৱা নাই য'ত মই নোযোৱাকৈ আছোঁ। হাইস্কুলত পঢ়া দিনত সৌ

সিদিনালৈ কিমান দিন মই তাৰ ঘৰত ৰাতি কটাইছোঁ অথবা কিমান দিন সি আমাৰ ঘৰত ৰাতি কটাইছে তাৰ হিচাপ নাই। সম্পূর্ণ স্বাভাবিকভাবে গঢ়ি উঠা আমাৰ বন্ধুত্বক লৈ সিহঁতৰ ঘৰৰ বা আমাৰ ঘৰৰ কোনোৱে কেতিয়াও মূৰ ঘমোৱা নাই। অথচ আজি মাৰ মুখৰ পৰা ওলোৱা প্রতিটো শব্দই মোৰ মনৰ গভীৰলৈ জোকাৰি গ'ল। মাৰ চিৰ চেনেহী চিনাকী ছবিখনো মোৰ কিবা অচিনাকী অচিনাকী যেন লাগিল।

তুলুপাৰা গাঁও পাৰ হৈয়ে জাকিৰহঁতৰ গাঁও। তুলুপাৰা গাঁৱৰ শেষ সীমা পোৱাৰ কিছু আগতে বিপৰীত ফালৰ পৰা দুজনমান মুছলমান মানুহ আহি থকা দেখি মোৰ দ্রুত খোজ কিয় জানো কেই চেকেণ্ড মানৰ বাবে হঠাতে থমকি ৰ'ল। নিজৰ ভিতৰৰ প্রতিক্রিয়াত নিজে লজ্জিত হৈ মই পুনৰ একে দ্রুততাৰে আগবাঢ়ি তেওঁলোকৰ কাষেৰে পাৰ হৈ যাওঁতে 'খুড়া' সম্বোধন কৰি মতা আফজল আলি নামৰ মানুহজনে মোৰ ফালে চাই মৰমেৰে মাত লগালে: 'জাকিৰহঁতৰ ফালৈ যাবি হবলা। যা .... আমিও তাৰ পৰাই আহিলোঁ।'

আফজল খুড়াৰ কথা খিনিয়ে মোৰ মনত কিছু সাহস দিলে যদিও জাকিৰহঁতৰ ঘৰ পোৱাৰ ঠিক আগে আগে মোৰ বুকুখন কিবা এক অজান ভয়ত পুনৰ কঁপি উঠিল। অহাৰ আগতে মায়ে কোৱা কথা খিনিলৈ চেৰেঙকৈ মনত পৰিল। নঙলাৰ বাঁহ এডাল গুচাৰ খুজি মোৰ হাতখন কোঁচ খাই আহিব খুজিলে। ঠিক সেই সময়ত জাকিৰৰ দহ বছৰীয়া ভনীয়েক ৰহিমাই মোৰ ওচৰলৈ দৌৰি আহিল। মোৰ কাষ পাইয়ে মোৰ হাত এখনত ধৰি তাই ক'বলৈ ধৰিলে— 'জীতেনদা, তুমি ইমান দেৰি কৰিলা! আমাৰ ঘৰত তোমাৰ কথাই পাতি আছে। আব্বাজানে কৈছে—তুমিহেনো আমাৰ ঘৰলৈ আৰু কেতিয়াও নাহা। দেশত হেনো কিবা হিন্দু-মুছলমানৰ কাজিয়া হৈছে। হিন্দুবোৰ হেনো মুছলমানৰ শত্রু হৈছে আৰু মুছলমানবোৰ হেনো হিন্দুবোৰৰ শত্রু হৈছে .. ...

ৰহিমাই আৰু কি কৈছিল শুনাৰ মোৰ ধৈৰ্য নাছিল। যিখিনি শুনিলো সেইখিনি শুনাৰ পিচত মই স্বৰগ পৰা মানুহৰ দৰে নিথৰ হৈ গলোঁ। জাকিৰৰ দেউতাকলৈ মোৰ মনে মনে বৰ খং উঠি গ'ল। কিয় বাৰু তেওঁ এই সৰু সৰু ল'ৰা-ছোৱালীবোৰৰ কোমল মনতো পৰোক্ষভাৱে হলেও সাম্প্রদায়িকতাৰ বীজ সুমুৱাই দিছে? তেওঁৱেতো সৌ সিদিনা মোক কৈছিল—"বোপা জীতেন, জাকিৰ আৰু তোৰ মিল দেখিলে মোৰ এনে যেন লাগে তহঁত যেন এক মাতৃৰ দুই সন্তান। চোৱা জীতেন, আজি আমাৰ দেশত যি সাম্প্রদায়িক সংঘর্ষৰ সৃষ্টি হৈছে আৰু তাৰ ফল স্বৰূপে যি বিভেদৰ সৃষ্টি হৈছে, মোৰ বিশ্বাস, তহঁতৰ দৰে ডেকাবোৰে সেইবোৰ নাশ কৰি এখন নিকা সমাজ গঢ়িবলৈ সক্ষম হবি।" আৰু তেওঁ কৈছিল—"এইখন ৰাম-ৰহিমৰ দেশ, এইখন শঙ্কৰ-মাধৱ, আজান ফকিৰৰ দেশ। যিখন দেশত কেবাশ বছৰ আগতে শঙ্কৰ-মাধৱৰ দৰে মহাপুৰুষে জাতিভেদ নাইকিয়া কৰি সম্প্রীতিৰ এডাল এনাজৰীৰে আমাক বান্ধি গৈছিল সেইখন

দেশৰ সন্তান তইঁত! তইঁতে ঋাইজক বুজাব লাগিব ঈশ্বৰ আল্লা এজনেই। আমি এক আল্লা এক ঈশ্বৰৰ সন্তান।" যিজন সহজ-সৰল আপোন ভোলা ব্যক্তিয়ে এনে মন্তব্য কৰি মোক উপদেশ দিছিল সেইজন মানুহৰ মনত কোনে বাৰু এই সাম্প্রদায়িকতাৰ বীজ ৰোপণ কৰিলে? কোনে তেওঁৰ নিচিনা হোজা মনৰ লোককো পতিয়ন নিয়ালে যে হিন্দুবোৰ তেওঁলোকৰ শত্রু? মোৰ মনলৈ নানা প্রশ্ন আহিব ধৰিলে।

হঠাৎ ৰহিমাৰ মাতত মোৰ চিন্তাৰ আঁত হেৰাল। তাই মোক হাতত ধৰি চোতাললৈ লৈ আহিল।

ৰহিমাই অকপটভাৱে কোৱা কথাখিনি আৰু মাই আহিবৰ সময়ত কৰা সাৱধান বাণীয়ে মোক যিমান আচৰিত কৰা নাছিল সিমান আচৰিত কৰিলে জাকিৰৰ অকল্পনীয় পৰিৱৰ্তনে। এসপ্তাহ আগৰ জাকিৰ আৰু আজিৰ জাকিৰৰ মাজত মই যেন এক বিৰাট পাৰ্থক্য দেখা পালোঁ। সি অস্বাভাৱিক মাতেৰে মোক ক'লে--'তই আজি নাহিবি বুলিয়ে ভাৱিছিলো জীতেন। নছিমে কোৱা মতেতো তই আমাৰ ঘৰলৈ কেতিয়াও নহাৰ সন্তাৱনাই আছিল। পিচে কিয় আহিলি তই?'

জাকিৰৰ কথাৰ কি প্রত্যুত্তৰ দিম মই পোনতে ভাৱি নাপালেঁা। যাৰ ঘৰত কোনো সকাম-নিকাম নহ'লেও দুই-তিনিদিন এনেয়ে থাকোঁ সেইখন ঘৰত আজি জাকিৰৰ কনিষ্ঠা ভনী আমিনাৰ জন্মদিনৰ উৎসৱ। আৰু নিমন্ত্রণ কৰিও জাকিৰে যেন সেই উৎসৱলৈ মই অহাটো বিচৰা নাই। মই একো বুজিব নোৱাৰি জাকিৰক কলোঁ--"তই এইবোৰ কি কৈছ জাকিৰ? মই অহা-নহাৰ লগত নছিমৰ কি সম্বন্ধ থাকিব পাৰে?"

মোৰ কথাৰ প্রত্যুত্তৰত সি যি ক'লে শুনি মই হতভম্ব হৈ গ'লোঁ। সি ক'লে—'শুন জীতেন, সেইদিনা তোক নিমন্ত্রণ কৰি মই তইঁতৰ ঘৰৰ পৰা আহি পাইছোহি মাথোন। এনেতে দেখো আমাৰ ঘৰত নছিমে দেউতাৰ লগত গোপনে কিবা কথা আলোচনা কৰি আছে। মোক অহা দেখা পায়ে নছিমে মই ক'লৈ গৈছিলোঁ সুধিলে। মই তইঁতৰ গাঁৱলৈ তইঁতৰ ঘৰলৈ যোৱা বুলি কোৱাত সি জাপ মাৰি উঠিল আৰু মোৰ ওপৰত খং কৰি সাৱধান কৰি দিলে মই যেন তইঁতৰ গাঁৱলৈ বা তইঁতৰ ঘৰলৈ কেতিয়াও নাযাওঁ। সি মোক লগতে ক'লে তইঁতৰ গাঁৱত হেনো কিবা মিটিং কৰিছে যাতে তইঁতৰ গাঁৱৰ কোনো মানুহ আমাৰ গাঁৱলৈ নাহে। সি আৰু ক'লে যে আমাৰ মানুহ তইঁতৰ গাঁৱলৈ গ'লে তইঁতে হেনো শেষ কৰি দিব পাৰ।"

জাকিৰৰ কথা সিমানতে শেষ হোৱা নাছিল। অলপ ৰৈ সি পুনৰ আৰম্ভ কৰিলে—'আৰু এটা কথা জীতেন। তইঁতৰ দেউতাক সভাপতি হিচাপে লৈ তইঁতৰ গাঁৱত বোলে কিবা হিন্দু কমিটি গঠন কৰিছে! আৰু সেই কমিটিয়ে নেতৃত্ব লৈ আমাৰ গাঁও আক্রমণ কৰিবলৈ বোলে কিবা ষড়যন্ত্র কৰি আছে! সঁচা নহয়নে এইবোৰ কথা? নেমাত কিয়?"

জাকিৰৰ কথাখিনি শুনাৰ পিচত মই বজ্রপৰা মানুহৰ দৰে অলৰ অচৰ হৈ তাৰ ফালে চাই

।

থাকিলোঁ। বাৰ বাৰ এটা কথাই মনলৈ আহিব ধৰিলে –নছিমে কিয় বাৰু এনে ভুৱা কথাবোৰ কৈ সহজ সৰল মানুহবোৰৰ মনত সাম্প্ৰদায়িকতাৰ বীজ সিঁচি দিছে? জাকিৰৰ অভিযোগ সমূহ একোটা বিৰাট প্ৰশ্নবোধক চিনেৰে উপৰ্যুপৰি মনলৈ আহিব ধৰিলে– কোনে হিন্দু কমিটি গঠন কৰিছে? কোনে জাকিৰৰ গাঁৱৰ মুছলমান মানুহখিনিক আক্ৰমণ কৰিবলৈ ষড়যন্ত্ৰ কৰিছে? কোনে আমাৰ দেউতাক সভাপতি পাতিছে?

নছিমৰ অবয়বটো এইবাৰ কুৎসিৎ ৰূপ লৈ মোৰ মনৰ চকুৰ আগত দেখা দিবলৈ ধৰিলে। কেইদিনমান আগতে সাধুতাৰ মুখা পিন্ধি এই নছিম আমাৰ ঘৰত উপস্থিত হৈছিল। উদ্দেশ্য আছিল সিহঁতৰ সমষ্টিৰ পৰা দেউতাক বিধায়কৰ পদত থিয় কৰোৱা। সি কৈছিল দেউতা উঠিলে হেনো সিহঁতৰ সমষ্টিৰ এটা ভোটো দেউতাৰ বাহিৰে আনে পাব নোৱাৰে; কাৰণ দেউতাৰ ওপৰত হিন্দুসকলৰ যিমান আস্থা আছে মুছলমানসকলৰ আস্থা তাতকৈ কোনো গুণে কম নহয়।

'কি হ'ল জীতেন? তোৰ দেখো মাত-বোল হেৰাল!'—জাকিৰৰ কণ্ঠস্বৰত মই সম্বিৎ ঘূৰাই পালোঁ। তাৰ হাত দুখনত খামোচ মাৰি ধৰি মই জোৰেৰে কৈ উঠিলো–'তই পাগল হৈছ নেকি জাকিৰ! তই এইবোৰ কি বলকিছ? মোক বিশ্বাস কৰ ভাই, এই সকলোবোৰ মিছা কথা। আমাৰ গাঁৱত কোনো হিন্দু কমিটি গঠন কৰা হোৱা নাই। সেয়ে দেউতাক তেনে কোনো কমিটিৰ সভাপতি পতাৰ প্ৰশ্নই উঠিব নোৱাৰে। তদুপৰি তহঁতৰ বিৰুদ্ধে কোনো ষড়যন্ত্ৰ কৰাও নাই। সকলোবোৰ ৰটনা ৰাজনীতিৰ নীচ দালাল নছিমৰ চক্ৰান্ত। তহঁত আৰু আমাৰ মাজত কাজিয়া এখন লগাই দি ৰং চোৱা আৰু মুনাফা আদায় কৰাই তাৰ কাম। ... .. ... মই শপত খাই কৈছোঁ আমি তহঁতৰ শত্ৰু নহয়, আমি তহঁতৰ বন্ধু।'

মোৰ কথাখিনি শুনাৰ পিচত জাকিৰে মোৰ চকুৰ ফালে খন্তেক ৰ লাগি চাই আছিল। সম্ভৱ তাৰ আউল লগা মনটোক মোৰ কথাৰে প্ৰত্যয় নিওৱাৰ চেষ্টা চলাইছিল। এনেতে জাকিৰৰ গাঁৱৰে জাকিৰৰ বন্ধু জৰিফ দৌৰি আহি আমাৰ কাষত থিয় হ'ল। জাকিৰ আৰু মোৰ ফালে চাই জৰিফে ক'বলৈ ধৰিলে—"তহঁতৰ সব কথা মই অথনিৰে পৰা শুনি আছোঁ। এই সকলো বোৰ বেইমান মন্ত্ৰীৰ ধামাধৰা, বেইমান নছিমৰ কুচক্ৰান্ত। ৰাজনীতিৰ এই দালালবোৰৰ মুখাবোৰ আমি আঁজুৰি পেলাই তাৰ আঁৰত লুকাই থকা কুৎসিৎ মুখবোৰ উদঙাই দিব লাগিব। বিশেষকৈ আমি ডেকাবোৰে কুচক্ৰীসকলৰ হাতৰ পুতুলা হৈ বহি থাকিলে নহ'ব। ..........
জাকিৰ, তই নছিমৰ নিচিনা এজন নীচ ব্যক্তিৰ মিছা প্ৰচাৰত পতিয়ন গৈ জীতেনৰ দৰে এজন বন্ধুক সন্দেহ কৰিলি। অকল সন্দেহ কৰাই নহয় অপমানো কৰিলি, অন্তৰ ভাঙি যোৱাকৈ আঘাতো দিলি। কিন্তু সেইখিনি কৰাৰ আগতে তই এটিবাৰো কথাটো চালি-জাবি নাচালি। নছিমে তাৰ জঘন্য অপপ্ৰচাৰ তোৰ নিচিনাকৈ মোৰ আৰু কেবাজনৰ আগতো কৰি ফুৰিছিল।

পিচে আমি তাৰ কথাত কাণ নিদি কথাটোৰ সত্যতা আছে নে নাই সেইটো বিচাৰ কৰি চালোঁ। অলপ ভুলৈয়ে গম পালোঁ এয়া তাৰ মুনাফা আদায়ৰ এটি নীচ উপায়। ... ..

জৰিফে আৰু কিছু কথা কৈছিল। কিন্তু সেইখিনি শুনাৰ বাবে জাকিৰৰ ধৈৰ্য্য নাছিল। সি জৰিফৰ ফালে চাই চিঞৰি উঠিছিলঃ 'হ'ব জৰিফ ভাই, আৰু নক'বা।' তাৰ পিচ মুহূৰ্ত্তে সি মোৰ হাত দুখনত খামোছ মাৰি ধৰি কান্দো কান্দো মাতেৰে ক'লে—'মোক ক্ষমা কৰি দিয়া ভাই, জীতেন।' মই ব'ব নোৱাৰি তাক সাৱটি ধৰিলোঁ। এইবাৰ জাকিৰে হুকহুকাই কান্দি উঠিল। জৰিফে অমাৰ ফালে চাই এটি তৃপ্তিৰ হাঁহি মাৰিলে। তাৰ হাঁহিটো শাওণৰ মেঘে ঢকা আকাশ ফালি মৰা সূৰ্য্যৰ হাঁহি যেন লাগিল। ★

---

জগতত মাথোন দুটাহে শক্তি আছে—তৰোৱালৰ শক্তি আৰু নৈতিক শক্তি। নৈতিক শক্তিৰ ওচৰত তৰোৱালৰ শক্তিয়ে এদিন পৰাজয় স্বীকাৰ কৰিব লাগিবই।

—নেপলিয়ন ব'নাপাৰ্ট

উচ্চ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত জীৱনব্যাপী সাধনা নহ'লে ওখ খাপৰ সাহিত্য সৃষ্টি হোৱা টান।

—কৃষ্ণকান্ত সন্দিকৈ

---

# ঃ সংবাদ ঃ

—সুশীল পাটোৱাৰী
১ম বাৰ্ষিক, উঃ মাঃ ( বিজ্ঞান শাখা )

অনুপমাহঁতৰ ঘৰখনত আজি উগুল-থুগুল লাগি পৰিছে। মাকৰ পৰা দেউতাকলৈ ঘৰখনৰ প্ৰতিটো প্ৰাণীয়ে কিবা এক অব্যক্ত আনন্দত উৎফুল্লিত হৈ পৰিছে। অনুপমাৰ অৱস্থাটো আৰু এখোপ চৰা। তাইৰ অন্তৰৰ আনন্দ আগ্নেয়-গিৰিৰ দৰে যেন যি কোনো মুহূৰ্ত্ততে ওলাই আহিব।

ষোল বছৰীয়া অনুপমাই ককায়েকৰ বিচনা খনত পাৰিম বুলি নতুন বিছনা চাদৰখন লৈ ভাবিবলৈ ধৰিলে কিমান দিন যে ককায়েক উজ্জ্বলক দেখা নাই। কিমান দিন হ'ব বাৰু? তাই নিজকে প্ৰশ্ন কৰিলে। উত্তৰ পাবলৈ বেছি সময় নালাগিল। এইবেলি বিহুটো পালে পূৰা চাৰি বছৰ হ'ব। পুনৰ তাইৰ মনলৈ প্ৰশ্ন আহিল। এই চাৰি বছৰে সি বাৰু ক'ত আছিল? ক'ত কি কৰি ঘূৰি ফুৰিছিল? ঠিকমতে খোৱা শোৱা মেলা কৰিব পাৰিছিলনে? তাৰ বাৰু সিহঁতলৈ মনত পৰা নাছিলনে? এইবাৰ আহিলে সি আৰু ঘূৰি যাব নেকি?

প্ৰশ্নবোৰৰ উত্তৰ বিচাৰি তাই খন্তেকলৈ আনমনা হৈ পৰিছিল। মাকে কোঠাৰ দুৱাৰ মুখৰ পৰা দুবাৰ মতাতো তাই শুনা নাছিল। তৃতীয়বাৰ আগতকৈ জোৰত মতাতহে তাই শুনিলে। মাকে আবেগেৰে কৈ গ'ল—'অনুপমা দেৰি নকৰিবি। বিছনাখন কৰি সোনকালে আহ। পাচলিখিনি মোক কুটি-বাছি দে। দেউতাৰেও বজাৰলৈ ওলাই গৈছে। মাছ-মঙহ কিবা পালে কিনি সাউতকৈ ওলাবহি।'

মাক যোৱাৰ ফালে চাই অনুপমাই ভাবিলে —এৰা, তাই সময় নষ্ট কৰিব নোৱাৰে। আৰু অলপ পিচতে ভালদৰে সাজ লাগিব আৰু তাৰ অলপ পিচতে ককায়েক উজ্জ্বল আহি ওলাবহি। যোৱা কালিয়ে গাঁৱৰ হৰি মাষ্টৰৰ ল'ৰা অনুপৰ মুখত উজ্জ্বলে অতি গোপনে খবৰ পঠিয়াইছে— আজি সন্ধিয়া ঠিক সাত বজাৰ পিচতে সি আহিব। লগত আৰু এজন সহকৰ্মী বন্ধুও আহিব। নিশা খোৱা-বোৱা কৰি ঘৰতে থাকিব। অৱশ্যে সি ঘৰলৈ অহা খবৰটো যাতে কোনো প্ৰকাৰে ঘূণাক্ষৰেও বাহিৰত প্ৰকাশ নাপায় তাৰ প্ৰতি সকলোকে সতৰ্ক কৰি দিবলৈ অনুপক দঢ়াই দঢ়াই কৈ পঠাইছে।

অনুপমাই বিচনা পৰা শেষ কৰি দৌৰা-দৌৰিকৈ কোঠাৰ পৰা ওলাই পাকঘৰ পালে। মাকৰ কাষতে বহি তাই পাচলিখিনি কুটাত ব্যস্ত হৈ পৰিল। মাক চৌকাৰ ওপৰত তুলি দিয়া পায়সখিনি লাৰি দিয়াত ব্যস্ত। মাকৰ নীৰৱ

মূৰ্ত্তিটোলৈ চাই তাইৰ বুজিবলৈ বাকী নাথাকিল মাকৰ মনত কিহৰ জোৱাৰ উঠিছে। আজি চাৰি বছৰে এই ৰূপ তাই ইতিমধ্যে বহুবাৰ প্ৰত্যক্ষ কৰিছে যদিও আজি যেন সেই ৰূপৰ স্বৰূপ অলপ বেলেগ। ঠিক যেন ধুমুহা বৰষুণৰ আগমুহূৰ্ত্তৰ আকাশৰ গোমা ৰূপ।

অনুপমাই পাচলিখিনি কুটা শেষ কৰি থিয় হ'ব খোজোতেই পাকঘৰৰ পিচফালৰ দুৱাৰখনত কাৰোবাৰ হাতৰ টোকৰ শুনিলে। উচপ খাই মাক থিয় হ'ল। অনুপমায়ো আহি মাকৰ কাষ পালে। আৰু ঠিক সেই মুহূৰ্ত্ততে দুৱাৰখন লাহে লাহে মেলি দুটি মানুহ ছায়া মূৰ্ত্তিৰ নিচিনা এটাৰ পিচত এটাকৈ সোমাই আহিল। সিহঁতৰ গাত সৈনিকৰ পোছাক। হাতত ষ্টেনগান। মাকে খন্তেক এটা মূৰ্ত্তিৰ ফালে নিৰীক্ষণ কৰি 'উজ্বল' বুলি ওখ পাখ ডেকাজনক সাৱটি ধৰিলে। 'মনে মনে থাকা মা, মনে মনে থাকা, কোনোবাই শুনিব।' বুলি ডেকাজনে মুখ মেলাৰ পিচত অনুপমাৰ আৰু বুজিবৰ বাকী নাথাকিল যে সেয়া তাইৰ চাৰি বছৰ আগতে দেশ মাতৃৰ স্বাৰ্থত ওলাই যোৱা আপোনৰো আপোন ককায়েক উজ্বল। 'ককাইদেউ' বুলি তায়ো ডেকাজনক সাৱটি ধৰিলে। সিহঁতৰ চিঞৰ শুনি ইতিমধ্যে মাছ কিনি ঘৰ সোমোৱা দেউতাকো উধাতু খাই সেইখিনি পালেহি। উজ্বলক দেখি দেউতাকৰ মুখতো এটি আনন্দৰ হাঁহি-বিৰিঙি উঠিল। আবেগত তেওঁ কৈ উঠিল—'উজ্বল তই আহিলি!' "হয় দেউতা' বুলি সি কুঁজা হৈ দেউতাকৰ ভৰি চুলে।

উজ্বলে তাৰ সৈতে অহা উদ্ধৱক ঘৰৰ প্ৰত্যেকৰ লগত চিনাকি কৰি দিলে। তাৰ পিচত মাকৰ বাহিৰে আটাই কেইটা ড্ৰইং ৰূমত প্ৰবেশ কৰিলে। ড্ৰইং ৰূমত বহাৰ পিচত অনুপমাই চাৰি বছৰত হৈ যোৱা ঘৰৰ বহু কথাই উজ্বলক জনালে। মাকে যে প্ৰায়ে উজ্বলৰ কথা কৈ কান্দি থাকে আৰু দেউতাকে যে নানান বুজনিৰে মাকক শান্ত্বনা দিয়ে সেই সকলোবোৰ কথা তাই অনৰ্গল কৈ যাবলৈ ধৰিলে। অনুপমাই উৎসাহেৰে কোৱা কথাখিনি শেষ হোৱাৰ পিছত দেউতাকে নানা যুক্তি দি দুয়োজন বিপ্লৱীকে বিপ্লৱৰ কণ্টকময় পথ ত্যাগ কৰিবলৈ পৰামৰ্শ দিলে। ইতিমধ্যে মাকে চাহ আনি প্ৰত্যেকৰে সমুখত থ'লে। চাহৰ লগত মাকে অতি হেঁপাহেৰে বনোৱা পায়স আৰু অনুপমাই আবেলিতে বনাই থোৱা পিঠা। চাহ খাবলৈ কৈ মাকেও সিহঁতক বুজালে যাতে সিহঁতে হিংসা আৰু ৰক্তপাতৰ বাট ত্যাগ কৰি অহিংস পথেৰে লক্ষ্যত উপনীত হোৱাৰ চেষ্টা কৰে। প্ৰত্যুত্তৰত এইবাৰ উদ্ধৱে ক'লে—"খুড়ীদেউ, শস্যত যেতিয়া পোকে ধৰে তেতিয়া সেই পোক-বোৰ ঔষধ প্ৰয়োগ কৰি ধ্বংস কৰা হয়। আৰু পোকবোৰ ধ্বংস হ'লে এডৰা নতুন নদন-বদন শস্যৰ সৃষ্টি হয়। ঠিক সেইদৰে সমাজ জীৱনক আক্ৰমণ কৰা পোকবোৰ ধ্বংস কৰিলেহে সমাজ-খন নিকা হয়। মাকে পুনৰ ক'লে—'এইবোৰ কাম তোমালোকে প্ৰাণৰ বিনিময়ত নকৰি আন উপায়েৰেওতো কৰিব পাৰা!' উদ্ধৱে তাৰ বৈপ্লৱিক যুক্তি আকৌ দাঙি ধৰি ক'লে— 'খুড়ীদেউ, শস্য আক্ৰমণ কৰা পোকবোৰ যেদি

দিলে সিহঁতে পুনৰ আহি শস্যৰ অনিষ্ট কৰে। শস্য ৰক্ষা কৰিব লাগিলে সেয়ে পোকবোৰ একেবাৰে ধ্বংস কৰা উচিত।' উদ্ধৱৰ কথা শেষ হোৱাৰ লগে লগে ইমান বেলি নীৰৱে থকা উজ্জ্বলেও মাত লগালে—'মা, তুমি কৈছা অস্ত্ৰৰ দ্বাৰা আমি সমস্যা সমাধান কৰিব নোৱাৰো। কিন্তু তুমিতো দেখিছা যিসকলে দেশ শাসনৰ গাদীত বহি আছে তেওঁলোকেতো সন্ত্ৰাসবাদ ৰোধ কৰিবলৈ পুলিছ মিলিটেৰী নিয়োগ কৰে! আৰু তেওঁলোকৰ আজ্ঞাবাহী পুলিচ-মিলিটাৰীয়ে হেজাৰজনক ঘৃণীয়া কৰে—হেজাৰ জনৰ প্ৰাণ লয়। তেওঁলোকে দেখো অস্ত্ৰৰ বাহিৰে আন উপায়েৰে সমস্যা সমাধান কৰাৰ কথা চিন্তা নকৰে!' মাকে উদ্ধৱ আৰু উজ্জ্বলৰ যুক্তি শুনিলে যদিও মনে মনে ধৰি ল'লে ক'ৰবাত কিবা কেনা লাগিছে। তেওঁৰ অনুভৱ হ'ল সিহঁতে যেন সঠিক বাট বিচাৰি ল'ব পৰা নাই। কথা বঢ়াব নুখুজি আলোচনা সিমানতে সমাপ্ত কৰি মাকে সিহঁতক পাকঘৰলৈ ভাত খাবলৈ মাতি নিলে।

পাক ঘৰত ইতিমধ্যে অনুপমাই ভাত বঢ়াৰ দিহা কৰিছিল। মাকে আহি নিজেও লাগি দিলে। উজ্জ্বল আৰু উদ্ধৱৰ লগত দেউতাকেও ভাত খাবলৈ বহিল। খাই থকাৰ সময়ত আৰু নানা ধৰণৰ কথাৰ অৱতাৰণা হ'ল।

তেওঁলোকৰ ভাত খোৱা প্ৰায় শেষ হৈছেহে ঠিক সেই সময়তে সিহঁতৰ দৰ্জাত কোনোবাই টুকুৰিওৱা শুনিলে।

'কোন?' দেউতাকে সন্ত্ৰস্ততাৰে প্ৰশ্ন কৰিলে।

'মই অনুপ, দৰ্জাখন সোনকালে খুলি দিয়ক।' মুখত ল'ব খোজা শেষ গৰাহ ভাত কাঁহীত থৈ হাতখন পানীৰে দৌৰাদৌৰিকৈ ধুই লৈ উজ্জ্বলেই দৰ্জাখন খুলি দিলে। দৰ্জা খোলাৰ লগে লগে অনুপ ফোঁপাই-জোপাই সোমাই আহিল। সি ভিতৰত সোমায়ে কোনো পাতনি নেমেলাকৈ ক'লে যে পুলিচ-মিলিটেৰীয়ে উজ্জ্বলহঁতৰ আগমনৰ কথা গম পাইছে। গতিকে সিহঁত অতি সোনকালে তাৰ পৰা পলাব লাগে।

কথা শুনি উজ্জ্বল আৰু উদ্ধৱে মুহূৰ্ততে নিজৰ কৰ্তব্য স্থিৰ কৰি পেলালে। ওচৰতে পেলাই থোৱা ষ্টেনগান দুটা দুয়ো তুলি লৈ পাকঘৰৰ পিচ ফালৰ দৰ্জাখনেৰে বাৰীৰ ফালে এন্ধাৰৰ মাজে মাজে দৌৰ দিলে। ঘৰখনৰ আনন্দ নিমিষতে হেৰাই গ'ল। হঠাৎ অদূৰত গুলিৰ শব্দ শুনা গ'ল। লগে লগে চাৰিওফালে হৈ চৈ লাগি পৰিল। বনজুইৰ দৰে বিয়পি পৰা বাতৰি উজ্জ্বলৰ মাক-দেউতাক আৰু ভনীয়েক অনুপমায়ো পালে—উজ্জ্বল আৰু উদ্ধৱ মিলিটেৰীৰ হাতত ধৰা পৰিছে।

উজ্জ্বলৰ মাক পাগলীৰ দৰে হৈ পৰিল। উজ্জ্বলহঁতৰ ঘৰত গোট খোৱা মানুহবোৰৰ কোনো কোনোৱে মাকক শান্ত্বনা দিয়াৰ চলেৰে ক'লে যে পুলিচ-মিলিটেৰীয়ে উজ্জ্বল আৰু উদ্ধৱক একো কৰা নাই, মাথো দুই এটা ধমক দি গাড়ীত উঠাই লৈ গৈছে।...

দহমিনিট সময় কথমপি পাৰ হৈ গৈছিল। হঠাৎ অনুপ দৌৰি আহি সকলোকে বিশ্বাস আৰু অবিশ্বাসৰ অটল সাগৰত পেলাই খবৰ দিলে যে উজ্জ্বল আৰু উদ্ধৱক চাৰিআলিত গাড়ী ৰাখি দৌৰিবলৈ দিয়া হৈছিল আৰু দৌৰি

থকাৰ সময়তে পিচফালৰ পৰা গুলি কৰি সিহঁত দুজনক হত্যা কৰা হয়। উজ্জ্বলৰ মৃত্যুৰ খবৰ পোৱাৰ লগে লগে মাক মূৰ্চ্ছা যায়।

পিচদিনা বাতৰি কাকতত সকলোৱে পঢ়িবলৈ পালে উদ্ধৱ আৰু উজ্জ্বলৰ মৃত্যুৰ বাতৰি। ডাঙৰ হৰফৰ শিৰোনামাৰে প্ৰচাৰ কৰা বাতৰিৰ বিৱৰণীত প্ৰকাশ কৰা হ'ল যে আগ নিশা প্ৰায় আঠ বজাত দুৰ্দ্ধৰ্ষ উগ্ৰপন্থী উজ্জ্বল ডেকা আৰু উদ্ধৱ শৰ্মাক সেন্য বাহিনী আৰু পুলিচৰ যুটীয়া প্ৰচেষ্টাত গ্ৰেপ্তাৰ কৰি থানা অভিমুখে আনি থকা অৱস্থাত সিহঁত দুয়ো সৈন্যবাহিনীৰ দুজন জোৱানৰ গালৈ হাতবোমা নিক্ষেপ কৰি পলাব খোজোতে সৈন্য-বাহিনীৰ লগত হোৱা খণ্ড যুদ্ধত গুলিবিদ্ধ হৈ দুইজনৰে মৃত্যু ঘটে। ★

---

তুমি সাহসী হোৱা—কাৰোবাক হত্যা কৰিবলৈ নহয়: তুমি ঘিণ কৰা ভাৰক প্ৰেমেৰে আকোৱালী ল'বলৈ। প্ৰেমে কাৰো মাজত বিভাজন নানে, বৰং ই ভগৱানৰ লগত আমাক সাঙুৰেহে।

—মাদাৰ টেৰেছা

প্ৰথমে নিজক বুজি লোৱা, তেতিয়াহে আনক বুজিবা।

—চক্ৰেটিছ

জীৱন সংগ্ৰামৰ পদে পদে বাধা নাথাকিলে সংগ্ৰামৰ অৰ্থ কি হ'ল? সহজতে পোৱা কোনো বস্তুৱে তৃপ্তি নাথাকে। তৃপ্তি কষ্টসাধ্য বস্তু এটাৰ ওপৰতহে পোৱা যায়।

—টমাছ হাৰ্ডি

---

# ॥ প্ৰতীক্ষা ॥

ক্ষীৰোদ কুমাৰ চৌধুৰী
১ম বাৰ্ষিক, স্নাতক মহলা

সৰুৰে পৰা দেশৰ বাবে দহৰ হকে সক্ৰিয় অংশ গ্ৰহণ কৰা অঞ্জন চৌধুৰীৰ কৰ্ম নিপুণতা সকলোৱে দেখি আহিছিল। সমাজৰ যি কোনো কামতে অঞ্জন চৌধুৰীৰ সহযোগিতাৰ তুলনা নাছিল। সমাজত তেওঁৰ সেয়ে এক স্বকীয়া স্থানো আছিল। সামাজিক কাম-কাজত অঞ্জন চৌধুৰী যিমান তৎপৰ আছিল, বুদ্ধি আৰু জ্ঞানতো আছিল সিমান প্ৰখৰ। সুখ্যাতিৰে স্নাতক ডিগ্ৰী লোৱা সেয়ে তেওঁৰ বাবে বিশেষ কঠিন হোৱা নাছিল। স্নাতক ডিগ্ৰী লোৱাৰ পিচত তেওঁৰ স্বাধীনচিতীয়া মনে চৰকাৰী চাকৰিলৈ হাবিয়াস কৰা নাছিল। ব্যক্তিগতভাৱে কিবা এটা প্ৰতিষ্ঠান খোলাৰ মানসেৰে তেওঁ চৰকাৰৰ পৰা এটা ঋণ লৈছিল। এই ঋণটোৰে তেওঁ সৰু পথাৰত সৰুকৈ এটি তাঁত শিল্পৰ উদ্যোগ খোলে। এই মহিলা প্ৰতিষ্ঠানটো চলাবৰ বাবে অঞ্জনে নিযুক্তি দিছিল মানসী বৰুৱা নামৰ প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱা ছোৱালী এজনী।

মানসী বৰুৱা ক্ৰমে অঞ্জনৰ মানসী হিচাপে প্ৰতীয়মান হৈছিল। তেওঁ তাঁতত কেনেধৰণে কাপোৰ বব লাগে, কেনেদৰে ফুল বাছিব লাগে ইত্যাদি কথাবোৰ প্ৰতিষ্ঠানটোত প্ৰশিক্ষণ লোৱা প্ৰতিজনী ছোৱালীকে সুন্দৰকৈ শিকাব পাৰিছিল। ফল স্বৰূপে প্ৰতিষ্ঠানত প্ৰশিক্ষণ লোৱা মহিলা আৰু ছোৱালীৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছিল আৰু প্ৰতিষ্ঠানৰ আয়ো ক্ৰমে বাঢ়ি গৈছিল। এটা কথাত ক'বলৈ গ'লে, অঞ্জন চৌধুৰীৰ উদ্যোগ প্ৰতিষ্ঠানটো সুন্দৰভাৱে চলাই লৈ গৈছিল একমাত্ৰ মানসী বৰুৱাই।

সময় বাগৰিছিল। এটা সময়ত মানসী অঞ্জনৰ একেবাৰে আপোন হৈ পৰিছিল। সেয়ে এদিন অঞ্জনে মানসীক কৈয়ে পেলালে—মানসী, সময়ে কালে বাট চাই থাকিব ? তুমিতো জানাই এই প্ৰতিষ্ঠানটো তোমাৰ বাহিৰে আনে চলোৱাটো সম্ভৱ নহ'ব। তুমি মোক বুজিবলৈ এবাৰ চেষ্টা কৰা। মোৰ চকুৰ ফালে এবাৰ চালেই বুজিব পাৰিবা মই তোমাক পাব বিচাৰোঁ।' কেইচেকেণ্ডমান মানসী নীৰৱ হৈ থাকি অঞ্জনৰ ফালে চাই মাথো সন্মতিসূচক এক সলজ্জ হাঁহি মাৰিছিল।

এনেদৰে সম্পূৰ্ণ বুজাবুজিৰ ভিত্তিত অঞ্জন আৰু মানসীৰ বিয়াখন এদিন সম্পন্ন হৈ গৈছিল। সুন্দৰ যুগ্ম জীৱনৰ স্বাক্ষৰ হিচাপে সময়ত তেওঁলোকৰ সংসাৰলৈ আহিছিল দুটি ল'ৰা সন্তান। অঞ্জন আৰু মানসী দুয়ো লগ লাগি ডাঙৰ সন্তানটিৰ নাম ৰাখিছিল মানস আৰু সৰু সন্তানটিৰ

নাম ৰাখিছিল সোণমণি। মাক মানসীৰ লক্ষ্য আছিল সিহঁতক ভাল মানুহ কৰা, ডাঙৰ মানুহ কৰা। সিহঁতক আশ্রয় কৰি মানসীৰ আছিল বহুতো আশা, বহুতো কল্পনা। মানসীৰ নির্দোষ আশা কল্পনাবোৰে অঞ্জনক দিছিল বিমল তৃপ্তি।

বতিহীন ভাবে চলি যোৱা তেওঁলোকৰ যুৱীয়া জীৱনত এদিন অভাৱনীয়ভাবে নামি আহিছিল বিপদৰ কলীয়া ডাৱৰ। যি অঞ্জন চৌধুৰী ঘৰ সংসাৰ বাদ দিয়ো সভা সমিতিৰ নিমন্ত্রণ ৰক্ষা কৰে সেই অঞ্জনক কিছুদিনৰ পৰা ঘৰতে নীৰৱে বহি থকা দেখি মানসীয়ে এদিন অঞ্জনক সুধি পেলালে—আজি কেইদিনমানৰ পৰা আপোনাৰ মন একেবাৰে ভাল নহয় যেন অনুমান হৈছে। এনেয়ে এঘণ্টাও ঘৰত বহি থাকিব নোৱাৰা মানুহজন এই কেইদিন কি কাৰণত ক'লৈকে নগৈ ঘৰতে বহি আছে আপুনি কব লাগিব।' এটি হুমুনিয়াহ কাঢ়ি অঞ্জনে কৈছিল—'কম মানসী, সকলো ক'ম। সকলোবোৰ শুনাৰ পিচত তোমাৰ চকুলো কোনে মচি দিব সেই চিন্তাইহে মোক খুলি খুলি খাইছে। ··· ··· শুনা, আজি প্রায় তিনি মাহ মান আগৰ পৰা মোৰ হৃদ-যন্ত্রত কিবা এটা বিষ অনুভৱ কৰি কাকো আনকি তোমাকো নোকোৱাকৈ আছিলোঁ। অৱশেষত বিষ অসহনীয় হৈ অহাত যোৱা সপ্তাহত গুৱাহাটীলৈ যাওঁতে মই গুৱাহাটীৰ মহেন্দ্র মোহন চৌধুৰী হস্পিতালৰ ডাঃ ৰঞ্জন চলিহাৰ ওচৰ পাইছিলোঁ। ডাঃ চলিহাৰ মতে বেমাৰ গোপন কৰি ৰখাৰ পুৰস্কাৰ হিচাপে মই অচিৰেই মৃত্যুক সাৱটি ল'ব লাগিব। সেয়েহে মই ঘৰৰ পৰা ক'লৈকো ওলোৱা নাই। ভাৱ হয় ক'ৰবালৈ ওলালেই জানোচা কিবা অঘটন ঘটে!"

অঞ্জনৰ কথাখিনি শুনাৰ পিচত মানসী বাউলীৰ দৰে কান্দি উঠিছিল। কি কথাৰে কি ভাবাৰে নিজক আৰু প্রাণাধিক স্বামীক শান্তনা দিব ভাবি পোৱা নাছিল।

এই ঘটনাৰ কেইদিন মান পিচতে নিয়তিয়ে মানসীৰ শিৰৰ সেন্দূৰ কাঢ়ি নিলে আৰু মানস আৰু সোণমণিহঁতৰ মুখৰ পৰা জীৱন্ত ব্যক্তি এজনক দেউতা বুলি মতাৰ অধিকাৰ খিনিও কাঢ়ি নিলে। বগা সাজ এযোৰ পিন্ধি উকা কপাল এখন লৈ মানসী পোনতে কিংকর্তব্য বিমূঢ় হৈ পৰিছিল যদিও পিচলৈ মন স্থিৰ কৰি পেলালে। তেওঁৰ সমুখত প্রধানকৈ এটাই ধ্যান ধাৰণা হ'ল—ল'ৰা ছুজনক মানুহ কৰিবই লাগিব। আৰু তাৰ বাবে তেওঁ নির্ভৰ কৰিব লাগিব একমাত্র অৱলম্বন ক্ষুদ্র শিল্প প্রতিষ্ঠানটোৰ ওপৰত। লগতে মানসীৰ মনত আৰু এটা নতুন কল্পনাৰ আৱির্ভাৱ হ'ল—সমাজকর্মী, দেশকর্মী স্বামী অঞ্জন চৌধুৰীৰ স্মৃতিত তেওঁলোকৰ বাসস্থান সৰু পথাৰৰ পৰা আৰম্ভ কৰি সমগ্র অসমতে এটি মহান সংগঠনৰ জন্ম দিয়া। তেওঁৰ এইটোও আশা—এই অনু-ষ্ঠানৰ গুৰি ধৰক অঞ্জনৰ জীৱন্ত প্রতিমূর্ত্তি মানস আৰু সোণে।

সময়ত মানসীৰ আশা আৰু কল্পনাই বাস্তৱত অঙ্কুৰ মেলিছিল। মানসে ইতিহাস বিষয় লৈ এম. এ. পৰীক্ষাত প্রথম শ্রেণীৰ প্রথম স্থান লৈ উত্তীর্ণ হৈছিল আৰু সোণে পদার্থ বিজ্ঞানত 'মেজৰ' লৈ সুখ্যাতিৰে বি. এছ. চি পৰীক্ষাত

উত্তীর্ণ হৈছিল। মানস আৰু সোণ মানসীয়ে আশা কৰা মতেই দেউতাক অঞ্জনৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ ডাঙৰ দীঘল হৈছিল। মানসীয়ে মানস আৰু সোণক অৱলম্বন কৰি লৈ নিজৰ ঐকান্তিক প্ৰচেষ্টা আৰু উদ্যোগেৰে সৰু পথাৰত পোন প্ৰথমে জন্ম দিছিল এটি সমাজ উন্নয়ন অনুষ্ঠানৰ। স্বৰ্গীয় স্বামী অঞ্জনৰ স্মৃতিত জন্ম দিয়া অনুষ্ঠানটিৰ নাম ৰাখিছিল—'অঞ্জন সমাজ বিকাশ সংগঠন'।

অচিৰেই সংগঠনটোৱে নিজৰ কৰ্ম কুশলতাৰ বলত ৰাইজৰ সুদৃষ্টি আকৰ্ষণ কৰিব পাৰিছিল। কোৱা বাহুল্য, এই ক্ষেত্ৰত মানস আৰু সোণৰ অৰিহণা আছিল প্ৰভূত।

সময়ৰ লগে লগে অনুষ্ঠানটোৱে অসমৰ বিভিন্ন অঞ্চলতো শাখা কেন্দ্ৰ স্থাপন কৰিবলৈ সমৰ্থ হৈছিল। বিভিন্ন অঞ্চলৰ আদৰ্শবাদী উদ্যোগী ডেকা-গাভৰু বিলাকেই, মূলতঃ আছিল এই কেন্দ্ৰ সমূহৰ সদস্য। বানপানী, ভূমিকম্প, মহামাৰী, সাম্প্ৰদায়িক সংঘৰ্ষ আদিত বিপদাপন্ন হোৱা ৰাইজক স্বেচ্ছামূলক সেৱা আগবঢ়োৱাটোৱে আছিল মূল কেন্দ্ৰটোৰ দৰে এই কেন্দ্ৰ সমূহৰো লক্ষ্য। মূল কেন্দ্ৰটোৰ দৰে এই শাখা কেন্দ্ৰ সমূহেও অঞ্চলে অঞ্চলে ৰাইজৰ ভূয়সী প্ৰশংসা বুটলিব পাৰিছিল। কেন্দ্ৰ সমূহৰ কৃতকাৰ্য্যতা দেখি মানসীৰ এনে লাগিছিল যেন তেওঁৰ স্বামী অঞ্জনে অঞ্চলে অঞ্চলে ঘূৰি সমাজৰ সেৱা কৰি ৰাইজৰ অকুণ্ঠ মৰম চেনেহ আৰু প্ৰশংসাহে বুটলিছে!

মানসীৰ উৎসাহ আৰু অনুপ্ৰেৰণাত মানস আৰু সোণে শাখা কেন্দ্ৰৰ সংখ্যা বৃদ্ধি কৰিবলৈ আৰু প্ৰতিষ্ঠিত কেন্দ্ৰসমূহৰ কাম-কাজ তদাৰক কৰিবলৈ অসমৰ বিভিন্ন অঞ্চলত প্ৰায়ে ঘূৰি ফুৰিবলগীয়া হৈছিল। সোণ সৰু বাবে মানসেই এই ক্ষেত্ৰত বেছিকৈ আগভাগ লৈছিল। দুই গোষ্ঠী সংঘৰ্ষৰ ফলস্বৰূপে দুৰ্গত হৈ পৰা ৰাইজক সহায় কৰিবলৈ মানস এবাৰ যাবলগীয়া হৈছিল নিজ ঘৰৰ পৰা দুশ মাইল আঁতৰৰ স্থান এডোখৰলৈ। তালৈ গৈ মানসে স্থানীয় কেন্দ্ৰৰ কৰ্মী সকলক সহায়ত দেহে-কেহে লাগি গৈছিল দুৰ্গত সকলৰ সহায় কৰাত। সভা-সমিতি পাতি সম্প্ৰীতি ৰক্ষা কৰিবলৈ উদাত্ত বক্তৃতা দিছিল মানসে। দেশত অশান্তিৰ জুই জ্বলাবলৈ চেলু চাই থকা সমাজ বিৰোধী চক্ৰ এটাই মানসহঁতৰ ওপৰত বহুদিনৰ পৰা আখেজ ৰাখি আছিল। সেইদিনা মানসহঁতে বক্তৃতা দি ঘূৰি আহোঁতে মানসহঁতৰ এম্বেছেদৰ গাড়ীখন নিৰ্জন স্থান এডোখৰত এই চক্ৰটোৰ কেইজনমানে আক্ৰমণ কৰিলে। মাৰণাস্ত্ৰেৰে সজ্জিত দলটোৱে মানসহঁতৰ যাকে যেনেকৈ পালে আক্ৰমণ কৰি গাড়ীখন ভাঙি ছিঙি চুৰমাৰ কৰি তাৰ পৰা পলাই পত্ৰং দিলে। কিছু বেলিৰ মূৰত ৰাইজে গম পাই কিছু দূৰৰ হস্পিতাললৈ নিলে যদিও মানসৰ আঘাত আটাইতকৈ বেছি হোৱাত হস্পিতাললৈ নিয়াৰ পথত মানসৰ মৃত্যু ঘটিল। লগৰীয়া কেইজনক গুৰুতৰ অৱস্থাত সেই হস্পিতালত প্ৰাথমিক চিকিৎসা দি মেডিকেল কলেজলৈ প্ৰেৰণ কৰা হ'ল।

নিষ্ঠুৰতম বাতৰিটো সেইদিনাই গধূলি ৰেডিঅ' যোগে পাই মাক মানসী উদ্বাউল হৈ পৰিল।

স্বামী অঞ্জনক হেকৰাৰ আঘাত পাহৰি নোৱোৰাতে অকল্পনীয় এই আঘাতে মানসীক সম্পূৰ্ণ ৰূপে কাবু কৰি পেলাব বুলি বহুতেই শঙ্কা কৰিছিল যদিও মানসী কিন্তু পৰিস্থিতিৰ ওচৰত সেও নামানিলে। অলপ দিনৰ পিচতে মানসীয়ে মনৰ হেৰোৱা বল ঘূৰাই আনিলে। সংসাৰৰ এতিয়া একমাত্ৰ অৱলম্বন সোণক লৈ মানসী নিজৰ লক্ষ্যাত অলৰ অচৰ হৈ থাকিল। 'অঞ্জন সমাজ বিকাশ সংগঠন'ৰ কাম সোণৰ সহযোগত আগতকৈও উদ্যমেৰে কৰি যাবলৈ দৃঢ় প্ৰতিজ্ঞ হ'ল।

মানসীৰ ধাৰণা হ'ল, কেন্দ্ৰসমূহ মানসৰ দৰে অঞ্জন আৰু মানসীৰ পুত্ৰ। কেন্দ্ৰ সমূহৰ কৰ্ম বিলাক যিমান দিনলৈ জীয়াই থাকিব সিমান দিনলৈ অঞ্জন আৰু মানস জীয়াই থাকিব বুলি মানসীৰ দৃঢ় বিশ্বাস জন্মিল।

মানসীয়ে প্ৰতিজ্ঞা কৰিলে—কেন্দ্ৰসমূহ জীয়াই ৰাখিবই লাগিব। কেন্দ্ৰসমূহৰ সংখ্যা আৰু বঢ়াব লাগিব। ★

---

জীৱনত ধন ঘটাটোৱেই একমাত্ৰ কাম্য হ'ব নোৱাৰে। মানুহ হৈ থাকিব পৰাটোহে আচল কথা। নিজে কিমান সুখ-সুবিধা আহৰণ কৰিব পাৰি সেইটো চিন্তাত থকাতকৈ আনৰ বাবে কিমানখিনি কৰিব পৰা যায় তাৰ চিন্তাহে কৰিব লাগে।

★ ★ ★ ★

কু কামৰ বাবে আত্মা যি অনুশোচনাত দগ্ধ হয় সেয়েই নৰক আৰু সৎ জীৱন-যাপনত আত্মাৰ যি সন্তুষ্টি সেয়েই স্বৰ্গ। নৈতিক জীৱন-যাপনৰ পুৰস্কাৰ সৎ জীৱন নিজেই।

—ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ।

# বিশ্ব পৰিক্ৰমা ঃ

## —'নতুন দক্ষিণ আফ্ৰিকা আৰু মেণ্ডেলাৰ সমুখত নতুন প্ৰত্যাহ্বান

১০ মে'৯৪ তাৰিখে অগণন মানুহৰ উপস্থিতিত দক্ষিণ আফ্ৰিকাৰ নতুন ৰাষ্ট্ৰপতি হিচাপে শপত গ্ৰহণ কৰি মেণ্ডেলাই বিশ্বৰ ইতিহাসত ৰচনা কৰিলে নতুন ইতিহাস। প্ৰায় তিনিশ বছৰ ধৰি চলা জাতি-বৰ্ণ বিদ্বেষী ৰাজনৈতিক ব্যৱস্থাৰ উচ্ছেদ কৰি বিশ্বৰ ৰাজনৈতিক মঞ্চত নতুন সুখা-নুভূতি লৈ জন্ম হ'ল দক্ষিণ আফ্ৰিকাৰ। মানৱ সভ্যতাৰ লগ্নৰ পৰা সামাজিক বৈষম্য বিভিন্ন সমাজত ওতঃপ্ৰোতভাৱে জড়িত হ'লেও, বিগত প্ৰায় তিনি শতিকাত দক্ষিণ আফ্ৰিকাই ৰাজনৈতিক ভাৱে আৰু চকুত পৰাকৈ এই জাতি-বৰ্ণ ব্যৱস্থাক সাৰ-পানী দি পৰিপুষ্ট কৰি আহিছিল ; কিন্তু মেণ্ডেলাৰ নেতৃত্বই এই ব্যৱস্থা উচ্ছেদ কৰি দক্ষিণ আফ্ৰিকাত নতুন মহাজাতীয়তাবাদৰ জন্ম দিলে।

অতীতত জাতি-বৰ্ণ বিভেদৰ ওপৰত ভিত্তি কৰি হোৱা নিৰ্বাচনৰ বিপৰীতে দক্ষিণ আফ্ৰিকাত এইবাৰৰ নিৰ্বাচন মোটামুটি ভাৱে গণতান্ত্ৰিক আছিল। ১৮ বছৰৰ ওপৰৰ দক্ষিণ আফ্ৰিকাৰ নাগৰিকে ভোটাধিকাৰ প্ৰয়োগ কৰি নিজৰ প্ৰকৃত ৰাজনৈতিক অধিকাৰ সাব্যস্ত কৰিছিল। মোটামুটিকৈ তৃতীয় বিশ্বৰ এই নিৰ্বাচন নিৰপেক্ষ আছিল বুলি ক'ব পাৰি। ভোটৰ তালিকা অবিহনে I. D. কাৰ্ডৰ ওপৰত ভিত্তি কৰি নাগৰিক সকলক ভোটাধিকাৰ প্ৰয়োগ কৰিবলৈ সুবিধা দিয়া হৈছিল।

মেণ্ডেলাৰ নেতৃত্বত সম্প্ৰতি গঠিত কৰা হৈছে জাতীয় ঐক্যৰ চৰকাৰ। প্ৰদত্ত ভোটৰ শতকৰা পাঁচ ভাগ ভোট লাভ কৰা ৰাজনৈতিক দলৰ সদস্য মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰাৰ ব্যৱস্থা কৰা হ'ল। ইয়াৰ দ্বাৰা দক্ষিণ আফ্ৰিকাৰ সকলো গোষ্ঠী আৰু সংখ্যালঘু দলৰ মাজত ৰাজনৈতিক নিৰা-পত্তাবোধৰ সৃষ্টি কৰি মেণ্ডেলাই ৰাজনৈতিক বিচক্ষণতাৰ পৰিচয় দিবলৈ সমৰ্থন হ'ল।

'নতুন' দক্ষিণ আফ্ৰিকা ভাৰতবৰ্ষৰ কাৰণে তাৎপৰ্যপূৰ্ণ। কাৰণ দক্ষিণ আফ্ৰিকাত দহ লাখতকৈ বেছি ভাৰতীয় বংশোদ্ভূত লোক বসবাস কৰে। বৰ্ণ বিদ্বেষী চৰকাৰৰ বিৰুদ্ধে প্ৰথমে সংগ্ৰামৰ সূত্ৰপাত কৰিছিল তাহানি মোহন দাস কৰমচাঁদ গান্ধীয়ে। দক্ষিণ আফ্ৰিকাত থকা শেষ ৰাষ্ট্ৰদূত সৰোজিনী নাইডুৰ অনুমোদনক্ৰমে দক্ষিণ আফ্ৰিকাৰ লগত ভাৰতবৰ্ষই পোন প্ৰথমে ৰাজ-নৈতিক আৰু অৰ্থনৈতিক সম্পৰ্ক ছেদ কৰিছিল আৰু ভাৰতবৰ্ষই মেণ্ডেলাক 'নেহৰু পুৰস্কাৰ' প্ৰদান কৰি বিশ্বৰ দৰবাৰত দক্ষিণ আফ্ৰিকাৰ ক'লা জাতীয়তাবাদৰ গুৰুত্ব বৃদ্ধি কৰিছিল।

বৰ্তমান মেণ্ডেলাৰ সমুখত দেখা দিয়া নতুন সমস্যাসমূহ আলোচনা কৰাৰ আগতে আমি অতি সংক্ষিপ্তভাৱে কুখ্যাত অ্যাপাৰথেইড বা Separate Development আৰু দক্ষিণ আফ্ৰিকাৰ জাতীয়তাবাদ সম্বন্ধে আলোচনা কৰিম।

ইংলেণ্ডৰ শিল্প বিপ্লৱৰ প্ৰভাৱত দক্ষিণ আফ্ৰিকাত প্ৰৱেশ কৰিছিল প্ৰথমে 'ডাচ' সকলে। উইলিয়াম অব অৰেঞ্জাৰ (ইংলেণ্ডৰ তৃতীয় উইলিয়াম)ৰ নেতৃত্বত বাণিজ্যৰ দিশত হলেণ্ডে প্ৰভুত্ব বিস্তাৰ কৰে। ইউৰোপৰ উপনিবেশীয় ৰাষ্ট্ৰমণ্ডলীৰ ভিতৰত হলেণ্ডেই প্ৰথমে 'ডাচ ইষ্ট ইণ্ডিয়া কোম্পানী' গঠন কৰি ভাৰতবৰ্ষ আৰু দক্ষিণ পূব এচিয়াত বাণিজ্যিক সুভাৰম্ভ কৰে। বাণিজ্যৰ যোগাযোগ আৰু খাদ্য যোগান সুনিশ্চিত কৰাৰ উদ্দেশ্যে হলেণ্ডৰ নাবিকসকলে নিজ ৰাজ্যৰ পৰা কিছুমান কৃষক আনি দক্ষিণ আফ্ৰিকাৰ কেপটাউনৰ ওচৰত সংস্থাপিত কৰিছিল। এই কৃষকসকলেই দক্ষিণ আফ্ৰিকাৰ আদিম জনগোষ্ঠীৰ লগত প্ৰথমে সহযোগিতাৰ মাধ্যমেৰে আৰু পিচত কূটকৌশল প্ৰয়োগ কৰি নতুন নতুন কৃষি মাটি দখল কৰাৰ বাবে উঠি-পৰি লাগিল। ইতিমধ্যে হলেণ্ডত দেখা দিয়া ধৰ্মীয়, ৰাজনৈতিক আৰু বাণিজ্যিক পৰিৱৰ্তনৰ ফলত ডাচ কৃষকসকলে দক্ষিণ আফ্ৰিকাৰ উত্তৰ-পূব অঞ্চলৰ বিশাল তৃণভূমিত বসবাস আৰম্ভ কৰে। এই বিদেশী অনুপ্ৰৱেশকাৰীসকলৰ ক্ষমতাৰ মূল উৎস আছিল ঘোঁৰা আৰু বন্দুকৰ নলী। উত্তৰ-পূব পিনে পৰম্পৰা অনুযায়ী জীৱন নিৰ্ব্বাহ কৰা আদিম জনগোষ্ঠীটোৱে আধুনিক সভ্যতাৰ পোহৰত কৌশল অৰ্জন কৰা ডাচ সকলৰ হাতত পৰাজিত হ'বলৈ বাধ্য হৈছিল। কালক্ৰমত ডাচসকলে দক্ষিণ আফ্ৰিকাৰ আদিম জনগোষ্ঠীক সম্পূৰ্ণভাৱে পদানত কৰিছিল। অৱশ্যে তাৰ লগে লগে কিছুসংখ্যক মানুহক তেওঁলোকে খৃষ্টধৰ্মত দীক্ষিত কৰিবলৈও পাহৰা নাছিল।

বুয়েৰ নামেৰে জনাজাত এই ইউৰোপীয়ান সকলে নিজকে আমেৰিকান সমগোত্ৰীয় বুলি গণ্য কৰে। যিদৰে ইউৰোপৰ বিভিন্ন দেশৰ পৰা প্ৰব্ৰজন কৰা প্ৰোটেষ্টান ধৰ্মী লোকসকলে আমেৰিকাৰ ভূমিপুত্ৰসকলক বিতৰণ কৰি পূৰ্বৰ জাতীয়সত্তা পৰিহাৰ কৰি নিজকে আমেৰিকান বুলি পৰিচয় দিবলৈ ধৰিলে, ঠিক সেইদৰে বুয়েৰ সকলেও নিজকে আফ্ৰিকানাৰ (Afrikaner) বুলি পৰিচয় দিবলৈ ধৰিলে। নেপোলিয়নৰ পতনৰ পিচত ইউৰোপত দেখা দিয়া পট পৰিৱৰ্তনৰ সুযোগ গ্ৰহণ কৰি ইংলেণ্ডে হলেণ্ডৰ হাতৰ পৰা দক্ষিণ আফ্ৰিকা দখল কৰে আৰু ইংলেণ্ডৰ নতুন ৰাজনৈতিক ব্যৱস্থাৰ হেঁচাত বুয়েৰসকল আফ্ৰিকাৰ আভ্যন্তৰীণ অঞ্চলত প্ৰৱেশ কৰিবলৈ বাধ্য হৈ পৰে।

শ্বেতাংগসকলৰ ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক কূটকৌশলৰ বলি হৈ দক্ষিণ আফ্ৰিকাৰ পৰিশ্ৰমী, স্বাধীনচেতীয়া আদিবাসীসকল আধুনিক শিক্ষা-দীক্ষাৰ পৰা বঞ্চিত হৈ সৰ্বতোপ্ৰকাৰে অনগ্ৰসৰ হৈ থাকিবলগীয়া হ'ল প্ৰায় ২০০ বছৰ ধৰি। এওঁলোকৰ জীৱন-যাত্ৰা আৱৰ্তিত হৈ থাকিল শাৰীৰিক আনন্দ আৰু বেদনাৰ চক্ৰত। এই দুৰ্ভগীয়া মানুহখিনিৰ মাজত খৃষ্ট ধৰ্মৰ প্ৰচাৰ

কৰি তেওঁলোকক আধুনিক সভ্যতাৰ পোহৰলৈ অনাৰ দায়িত্ব ল'লে গীৰ্জাৰ প্ৰভুসকলে। কিন্তু খৃষ্ট ধৰ্মত দীক্ষিত হ'লেও কৃষ্ণাংগ মানুহখিনিক শ্বেতাংগসকলৰ উন্নতিৰ বাটত খোজ দিয়াৰ যোগ্য বুলি বিবেচনা কৰা নহ'ল। দক্ষিণ আফ্ৰিকাৰ বৰ্ণবিদ্বেষৰ গোড়া সমৰ্থক হ'ল যাজকসকল। অতীতৰ পৰা অফ্ৰিকান চাৰ্চৰ প্ৰভুসকলে অজ্ঞ আৰু নিৰক্ষৰ কৃষ্ণাংগসকলক বুজাই দিছিল যে শ্বেতাংগসকল হ'ল ভগৱানৰ প্ৰিয় সন্তান। ভগৱানৰ ইচ্ছানুযায়ী শ্বেতাংগ আৰু কৃষ্ণাংগ সকলৰ মাজত মৌলিক পাৰ্থক্য থকাটো বাঞ্ছনীয়। এই পাৰ্থক্যৰ আধাৰত দক্ষিণ আফ্ৰিকাৰ বিশেষ বিশেষ অঞ্চল, দোকান, মটৰ গাড়ী, অফিচ আদি শ্বেতাংগসকলৰ বাবে সংৰক্ষিত কৰাৰ ব্যৱস্থা কৰা হ'ল। এইদৰে 'অ্যাপাৰ থেইড' বা ( Separate Development ) ব্যৱস্থা অনুযায়ী বহু যুগ ধৰি দক্ষিণ আফ্ৰিকাৰ কৃষ্ণাংগসকলক ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক বিকাশৰ পৰা বঞ্চিত কৰি ৰখা হ'ল।

১৯৪৮ চনত বুয়েৰ প্ৰাধান্য থকা National Party য়ে নিৰ্বাচনত জয়লাভ কৰি ৰাজনৈতিক ক্ষমতা কৰায়ত্ত কৰে। অ্যাপাৰ থেইড নীতি অনুযায়ী শ্বেতাংগসকলৰ প্ৰভুত্ব চিৰস্থায়ী কৰাৰ এলানি আইন যেনে—Group Areas Act, Immorality Act আৰু Mixed Marriage Act প্ৰণয়ন কৰে। ইপিনে শিল্পোদ্যোগত বুয়েৰ সকলতকৈ আগবঢ়া ইংৰাজসকলে দক্ষিণ আফ্ৰিকাত বহু কল-কাৰখানা স্থাপন কৰে। ফলত আৰ্থিক দিশত দক্ষিণ আফ্ৰিকাত নতুন সমস্যাৰ সৃষ্টি হয়। বুয়েৰসকলে আন আন গৰীব বগা চামৰাৰ মানুহৰ সৈতে ঐক্যবদ্ধ হৈ ট্ৰেড ইউনিয়ন গঠন কৰি কল-কাৰখানা, অফিচ আদিত বগা চামৰাৰ মানুহৰ চাকৰি সংৰক্ষণৰ দাবী তোলে। এইদৰে সময়ৰ গতি সলনিৰ লগে লগে দক্ষিণ আফ্ৰিকাৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক অৱস্থাৰ দ্ৰুত পৰিবৰ্তন হ'বলৈ ধৰে আৰু এই পৰিবৰ্তিত পটভূমিত দক্ষিণ আফ্ৰিকাত নতুন জাতীয়তাবাদ গঢ় লৈ উঠে। লক্ষণীয় কথা এই যে দক্ষিণ আফ্ৰিকাৰ জাতীয়তাবাদৰ মৌলিক গাঁথনি হ'ল গোষ্ঠী চেতনা তথা ট্ৰাইবালিজিম। এই ট্ৰাইবালি-জিমৰ প্ৰকৃত চৰিত্ৰ বুজিব পৰা যায় দক্ষিণ আফ্ৰিকাৰ গোষ্ঠীসমূহৰ মাজত লগা নিষ্ঠুৰ হিংসা-মূলক ঘটনাৰাজিৰ পৰা। দক্ষিণ আফ্ৰিকাৰ জাতীয়তাবাদ কথাটো এটা অৰ্থত স্বপ্নবোধক যেন লাগিলেও পৰিবৰ্তিত অৱস্থাৰ লগত সংগতি ৰাখি কৃষ্ণাংগ আৰু শ্বেতাংগসকলৰ মাজত সমন্বয় সাধন কৰাৰ ওপৰত যে দক্ষিণ আফ্ৰিকাৰ সুস্থ ভৱিষ্যত নিৰ্ভৰ কৰিছে তাত অকণো সন্দেহ নাই।

অৱশ্যে বৰ্তমান দক্ষিণ আফ্ৰিকাত বৰ্ণবাদৰ পৰিৱৰ্তে অৰ্থবাদৰ উত্তৰায়ণ লক্ষ্য কৰিব পাৰি। Group Areas Act উঠাই দিয়াৰ ফলস্বৰূপে সম্পদশালী ক'লা আৰু বগা শ্ৰেণীৰ মাজত, বিভাজনৰ সীমাৰেখা নোহোৱা হোৱাত দুয়োটা শ্ৰেণীয়ে আৰ্থিক তাগিদাত মিলা-মিচা কৰিবলৈ বাধ্য হৈছে।

নাটালত বাস কৰা ভাৰতীয়সকলে জুলু গোষ্ঠীৰ আক্ৰমণাত্মক দৃষ্টিভংগীত শংকিত হৈ

নিজৰ নিৰাপত্তাৰ বাবে এইবাৰ নিৰ্বাচনত ডি. ক্লাৰ্কৰ National Party ক ভোট দান কৰিছে। অৱশ্যে মেণ্ডেলাই তেওঁৰ মন্ত্ৰীসভাত ভাৰতীয় স্পীকাৰ, ডেপুটি স্পীকাৰ আদি গুৰুত্বপূৰ্ণ বাব প্ৰদান কৰি ভাৰতীয় বংশোদ্ভূতসকলক প্ৰাধান্য আৰু নিৰাপত্তা দিয়াটো লক্ষ্যণীয়।

বঞ্চিত, অৱহেলিত আৰু শোষিত দক্ষিণ আফ্ৰিকাৰ সাধাৰণ মানুহৰ আশা-আকাঙ্খ্যা পূৰণ কৰাৰ প্ৰতিশ্ৰুতিৰে মেণ্ডেলাৰ নতুন চৰকাৰে Reconstruction and Development Programme ৰ ৰূপৰেখা অনুসাৰে এইবোৰ কাৰ্য সম্পাদন কৰিবলৈ প্ৰতিজ্ঞাৱদ্ধ হৈছে : (১) ২৫ লাখ মানুহৰ কৰ্মব্যৱস্থা কৰা (২) ন্যূনতম সা-সুবিধাৰে ১০ লাখ গৃহ নিৰ্মাণ কৰা (৩) বাধ্যতামূলকভাৱে আৰু বিনামূল্য প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা কৰা (৪) দৰিদ্ৰ অঞ্চলত জন-স্বাস্থ্য ৰক্ষাৰ সু-ব্যৱস্থা কৰা (৫) কৃষি ভূমিৰ শতকৰা ৩০ ভাগ ভূমিহীন কৃষকৰ হাতত তুলি দিয়া ইত্যাদি। এই বিৰাট প্ৰতিশ্ৰুতি কাৰ্য-কৰী কৰিব লাগিলে মেণ্ডেলাৰ চৰকাৰক সম্ভহতে প্ৰয়োজন হ'ব ১১ বিলিয়ন ডলাৰ। এই বিৰাট অঙ্কৰ অৰ্থখিনি সংগ্ৰহ কৰাটো মেণ্ডেলাৰ সমুখত সম্প্ৰতি এক বিৰাট প্ৰত্যাহ্বান। ই নিৰ্ভৰ কৰিছে মেণ্ডেলাৰ ব্যক্তিত্ব আৰু সফল নেতৃত্বৰ ওপৰত। আমি মেণ্ডেলাৰ পাণ্ডিত্য, আত্মত্যাগৰ ইতিহাস আৰু ৰাজনৈতিক প্ৰজ্ঞাক স্বীকাৰ কৰিও ক'ব লাগিব যে দক্ষিণ-আফ্ৰিকাৰ জনসাধাৰণক দিয়া নিৰ্বাচনী প্ৰতিশ্ৰুতি সফলভাৱে ৰূপায়ণ কৰাত ব্যৰ্থ হ'লে, মেণ্ডেলাৰ ভাগ্য নক্ৰুমা, নিয়েৰেৰে আদিৰ দৰে অন্ধকাৰৰ গৰ্ভত নিমজ্জিত হ'বলৈ বাধ্য। অৱশ্যে এইটো নঘটাকে বিশ্বৰ সকলো শুভ বুদ্ধিসম্পন্ন মানুহে কামনা কৰে। *

---

[ * সাম্প্ৰতিক আলোচনী আদিৰ ভিত্তিত আলোচনাটি যুগুতাই দিলে বুৰঞ্জীবিভাগৰ মুৰব্বী অধ্যাপক শ্ৰীদ্বিজেন দাসে। ]

## স্মৰণীয় ঃ

"যি গান্ধীক কেতিয়াও দেখা নাই, কেৱল তেওঁ লেখা ৰচনা আদি পঢ়িছে, তেওঁৰ মনত এনেকুৱা লাগিব পাৰে, তেওঁ যেন পুৰোহিত শ্ৰেণীৰ মানুহ—অতি পৱিত্ৰতাবাদী, গহীন-গম্ভীৰ, তেওঁৰ মুখত আনন্দৰ চিন নাই, কিবা 'ক'লা কাপোৰ পিন্ধা খৃষ্টান সাধুসকলৰ নিচিনাকৈ তেওঁ ফুৰা-চকা কৰে।' কিন্তু লেখা পঢ়ি তেওঁৰ প্ৰতি ধাৰণা কৰিবলৈ গ'লে অবিচাৰ কৰা হয়, তেওঁৰ লেখাতকৈ তেওঁ বহুত ডাঙৰ, তেওঁ লেখা কিবা কথা উৰ্দ্ধৃত কৰি তাৰ সমালোচনা কৰা বৰ সমীচীন নহয়। তেওঁ খৃষ্টান সাধু পুৰোহিতৰ সম্পূৰ্ণ বিপৰীত। তেওঁৰ হাঁহিমুখখন দেখিলেই মন প্ৰফুল্ল হয়, তেওঁৰ হাঁহিত যাদু আছে, তেওঁৰ ওচৰত বহিলে মনটো পাতল লাগি যায়। শিশুৰ দৰে তেওঁৰ সৰলতাই মানুহক মুগ্ধ কৰে। তেওঁ যেতিয়া কোনো খোটালিলৈ সোমাই আহে, তেতিয়া এক নিৰ্মল পোহৰত যেন চৌদিশ উদ্ভাসিত হৈ উঠে।" *

—জৱাহৰলাল নেহৰু।

[ * নৰেন্দ্ৰ নাথ শৰ্মা অনূদিত জৱাহৰলাল নেহৰুৰ আত্মজীৱন চৰিতৰ পৰা সংগৃহীত ]

আমি বহুতেই ৰহস্যবাদৰ পথত যাব নোবাৰিব পাৰোঁ আৰু আধ্যাত্মিক অভিজ্ঞতাৰ কথা আমাৰ ভাল নালাগিবও পাৰে। কিন্তু সেইবুলি আমাৰ মনে চিন্তা কৰিব নোৱাৰিলে বুলিয়েই আৰু আমাৰ কোনো বস্তু ভাল নালাগিল বুলিয়েই তাক অবাস্তৱ বুলি দলিয়াই পেলাব নোৱাৰি। আধ্যাত্মিক অভিজ্ঞতাৰ প্ৰতি আমি নিজকে অন্ধ কৰি ৰাখিলেও ই সত্য নোহোৱাকৈ নাথাকে। আমি বহুত চেষ্টা কৰিও আইনষ্টাইনৰ আপেক্ষিকতাবাদ বুজিব নোৱাৰিব পাৰোঁ; কিন্তু সেই বুলিয়েই এনে সচেতন অজ্ঞতা বা অসমৰ্থতাই তাৰ ওপৰত অবিশ্বাস নুবুজায়।

—সৰ্বপল্লী ৰাধাকৃষ্ণন।

# আমাৰ প্ৰতিভা ঃ



মিচ্ হিড়িম্বা হাজোৱাৰী

বছৰৰ শ্ৰেষ্ঠা খেলুৱৈ



শ্ৰীৰূপ কুমাৰ ৰাভা

বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ



শ্ৰীপ্ৰদীপ কলিতা

বছৰৰ শ্ৰেষ্ঠ সংগীত প্ৰতিযোগী

## নৱাগত আদৰণি উৎসৱৰ ৰেঙণি ঃ



নৱাগত আদৰণি উৎসৱৰ মুখ্য অতিথি হিচাবে ভাষণৰত অৱস্থাত কবি নৱকান্ত বৰুৱা ।

## মহাবিদ্যালয় সপ্তাহৰ ৰেঙণি ঃ

'মহাবিদ্যালয় সপ্তাহ'ৰ মুখ্য অতিথি হিচাবে ভাষণৰত অৱস্থাত কবি হীৰেন ভট্টাচাৰ্য ।



# অসমৰ দুগৰাকী বিশিষ্ট কবি

● নৱকান্ত বৰুৱা

আৰু

● হীৰেন ভট্টাচাৰ্যৰ

সৈতে 'জৱাহৰ জ্যোতি'ৰ

তত্ত্বাৱধায়কৰ সাক্ষাৎকাৰ।

তোমালোকে পোহৰ বিচৰা পোহৰেৰে
পোহৰক ক'ত পাবা পোহৰত
... ... ... ... ... ... ... ...
আহিবা লগত লৈ
চিত্তৰ তিমিৰ····· অকপট, অমোঘ, সৰল···
ভেদিয়া দেখিব পাবা
অনন্ত উজ্জ্বল কৰা নিমিষৰ
আলোক স্পন্দন ·····

—নৱকান্ত বৰুৱা।

০ ০ ০

মোকো তোমাৰ প্ৰেমিক কৰি লোৱা
কাতৰ দেহত খেলক বসন্ত বতাহ,
প্ৰিয় শব্দ আহি খুন্দা খাওক কলিজাত।
মুকলি হওক বৰ্ণবোধৰ বন্দী আখৰ,
সিহঁতৰ গাত
তিৰবিৰ কৰক উৎসৱৰ সাজ
আহা তোমাৰ গান শুনো, প্ৰেমৰ নিৰ্জান গান।

—হীৰেন ভট্টাচাৰ্য।

# ঃ কবি নৰকান্ত বৰুৱাৰ সৈতে সাক্ষাৎকাৰ ঃ

"....'জোনাকী যুগ' আৰু আৱাহন যুগ'ত অসমীয়া সাহিত্যৰ ৰাজধানী আছিল কলিকতা। গুৱাহাটীক অসমীয়া সাহিত্যৰ ৰাজধানী কৰিলে 'ৰামধেনু যুগ'ৰ এদল উজ্জ্বল উদ্ধত তৰুণে—যি সকলৰ মধ্যমণি আছিল নৰকান্ত বৰুৱা।" ...হোমেন বৰগোহাঞি।

[ ৯।৭।৯৪ ইং তাৰিখে আবেলি অসমৰ প্ৰথিতযশা কবি, বিশিষ্ট শিক্ষাবিদ নৰকান্ত বৰুৱাদেৱক গুৱাহাটীৰ নিজ বাসভৱনত সাক্ষাৎ কৰিছিলোঁ সাহিত্য-সংস্কৃতি সম্পৰ্কে আমি যুগুতাই নিয়া কেইটামান প্ৰশ্নৰ উত্তৰ বিচাৰি। নিজৰ ব্যস্ততাপূৰ্ণ দৈনন্দিন জীৱনৰ মাজত আমাৰ বাবে আহুতীয়াকৈ প্ৰয়োজনীয় আহৰি উলিয়াই অতি আন্তৰিকতাৰে আমাৰ প্ৰশ্নসমূহৰ উত্তৰ দি আমাক কৃতাৰ্থ কৰা বাবে শ্ৰদ্ধেয় কবি গৰাকীক আমাৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। —দিলীপ দাস, তত্ত্বাৱধায়ক, 'জৱাহৰ জ্যোতি'। ]

১ নং প্ৰশ্ন ঃ কবিতাত অপেক্ষাকৃতভাৱে বেছি গুৰুত্ব দি সাহিত্যৰ আন কিছুমান দিশতো হাত দি আপুনি অসমীয়া সাহিত্যক সমৃদ্ধ কৰিছে। সাহিত্যৰ কোনটো দিশত আপুনি আত্মপ্ৰকাশৰ সন্তুষ্টি বেছি অনুভৱ কৰে?

উত্তৰ ঃ কবিতাৰে আৰম্ভ কৰিছিলোঁ। আৰু এতিয়ালৈ কবিতা লিখি আছোঁ। সেই কাৰণে হয়তো কবিতাক গুৰুত্ব দিয়া বুলি ক'ব পাৰি। মোৰ আনটো দিশ হয়তো উপন্যাস। স্বৰূপতে ক'বলৈ গ'লে, ঐতিহাসিক উপন্যাস। মই কাহিনী সাজিব নাজানোঁ; সেইবাবে মই চুটি গল্প লিখিব নোৱাৰিলোঁ। মোৰ উপন্যাসবোৰৰ কাহিনী বা কাহিনীৰ ভেটিটো ইতিহাস বা পৰম্পৰাই নিৰ্মাণ কৰি দিয়া। মই কেৱল তাক সজীৱ কৰি তুলিবলৈ চেষ্টা কৰোঁ। কবিতা লেখাৰ সময়ত মই চেতনাৰ উচ্চ শিখৰত উঠিবলৈ অথবা অৱচেতনৰ গহ্বৰত সোমাবলৈ চেষ্টা কৰোঁ। উপন্যাসৰ ক্ষেত্ৰত মই পাঠকৰ সৈতে একেখন সমতলত থিয় দি যেন কথা-বতৰা হওঁ। শিশু সাহিত্যৰ ক্ষেত্ৰতো মই ঘাইকৈ কবি, কিন্তু শিশুৰ কাল্পনিক জগতখনৰ দেখাত উদ্ভট কিন্তু অন্তৰঙ্গ আবেগ অনুভূতিবোৰ মই গদ্যেৰে প্ৰকাশ কৰিবলৈ চেষ্টা কৰোঁ।

আত্মসন্তুষ্টি বুলি মোৰ কোনো ধাৰণা নাই। কিন্তু মই কবি নোহোৱা হ'লে কথা সাহিত্যিকো নহ'লোহেঁতেন, শিশু সাহিত্যিকো নহ'লোহেঁতেন।

২ নং প্ৰশ্ন ঃ আপোনাৰ জীৱন দৰ্শন সম্পৰ্কে কিছু আভাস দিবনে?

উত্তৰ ঃ দোষ-গুণেৰে ভৰা এই পৃথিৱীখনক আৰু মানুহকে ধৰি তাৰ সকলো প্ৰাণীকে ভাল

পাবলৈ চেষ্টা কৰোঁ। আৰু এটা কথাও অনুভৱ কৰোঁ—যেন চিন্তাবিহীন কৰ্ম আৰু কৰ্মবিহীন চিন্তা অসাৰ্থক। কিন্তু চিন্তাকো কেতিয়াবা কৰ্ম হিচাবে গ্ৰহণ কৰিব পাৰি।

৩ নং প্ৰশ্নঃ আপোনাক অনুপ্ৰাণিত কৰা দুই চাৰিজন দেশী বিদেশী কবিৰ নাম ক'বনে? তেওঁলোকৰ কবিতাৰ কেনেবোৰ বৈশিষ্ট্যই আপোনাক আকৰ্ষণ কৰে সেই বিষয়েও চমুকৈ দুআষাৰ ক'ব নেকি?

উত্তৰঃ কবিতা লেখাৰ এই পঞ্চাশ বছৰৰ ভিতৰত বিভিন্নজনে বিভিন্নভাবে প্ৰভাৱিত কৰিছে। কৈশোৰ অৱস্থাত দেৱকান্ত বৰুৱা, গণেশ গগৈ, ৰত্নকান্ত বৰকাকতী আদিয়ে, যৌৱনৰ পৰা এতিয়ালৈকে ৰবীন্দ্ৰনাথ ঠাকুৰে আৰু এসময়ত অভিভূত কৰিছিল মেথিউ আৰ্ণল্ডৰ কবিতাই। এতিয়া এই বাৰ্ধক্যত অভিভূত হৈ পৰিছোঁ গে'টেৰ কাব্য নাট দুখন পঢ়ি। থ'লমূলকৈ এই কেইজনৰ নামকে ক'লো। কিন্তু হুইটমেন, পুশ্বকিন আদি আন কিছুমান বিদেশী কবিয়েও মোক মানুহৰ ঐক্যৰ বিষয়ে সজাগ কৰিছে। ৰবীন্দ্ৰনাথৰ মানৱতাবাদ, হুইটমেনৰ বলিষ্ঠ গণতান্ত্ৰিক আদৰ্শ, পুশ্বকিনৰ কাৰুণ্য— এইবোৰে মোক ইমান অভিভূত কৰিছিল যে মই সেইবোৰৰ বহুতো নিজৰ কবিতা হিচাবে লেখি পেলাইছিলোঁ। অৰ্থাৎ অনুবাদ কৰিছিলোঁ। এতিয়া গে'টেৰ ক্ষেত্ৰতো সেয়ে ঘটিছে। জীৱনত সুন্দৰ-অসুন্দৰ, শুভ-অশুভ যে সদায় একেলগে সাঙোৰ খাই থাকে সেই কথাটো গে'টেই মোৰ মনৰ চকুত উদ্ভাসিত কৰিছে। মই যে এওঁলোকক কেৱল অনুবাদেই কৰিছোঁ সেইটো নহয়, মোৰ নিজৰ কবিতাৰ ক্ৰম-বিকাশৰ ইতিহাস কোনোবাই অনুসন্ধান কৰিলে এওঁলোকৰ এই প্ৰভাৱ উপলব্ধি কৰিব পাৰিব।

৪ নং প্ৰশ্ন ঃ আপুনি কিছুমান প্ৰাণ-পৰশা অৰ্থপূৰ্ণ গীতো ৰচনা কৰিছে। কবিতা নে গীত ৰচনাই আপোনাক বেছি আনন্দ দিয়ে?

উত্তৰ ঃ মোৰ গায়ক সুৰকাৰ বন্ধু বীৰেণ দত্তৰ সংযোগতহে মোৰ গানবোৰৰ ৰচনা আৰু বিকাশ সম্ভৱ হৈছে। মোৰ শ্ৰোতা-পাঠকে অলপ মন কৰিলেই ধৰিব পাৰিব যে মোৰ বহুতো গান দৰাচলতে মোৰ কবিতাৰে ঘনীভূত ৰূপ (Condensed form)। সেই কাৰণে হয়তো কাব্যামোদী সকলেও সেইবোৰ গ্ৰহণ কৰিছে। কেইবাজনো তৰুণ সুৰকাৰ গায়কেও মোৰ গান ৰূপায়িত কৰিছে, যেন ৺ জ্যোতিষ ভট্টাচাৰ্য।

ক'ত বেছি আনন্দ পাওঁ সেইটো দৰাচলতে প্ৰশ্ন নহয়; প্ৰশ্ন হৈছে মোৰ প্ৰত্যেক ৰচনাতে মই আনন্দ আৰু বিষাদ একেলগে পাওঁ। মোৰ আনন্দ মোৰ প্ৰচেষ্টাৰ বাবে আৰু বিষাদ মোৰ অসম্পূৰ্ণতাৰ বাবে।

৫ নং প্ৰশ্ন ঃ উদীয়মান অসমীয়া কবিসকলৰ ভৱিষ্যত সম্পৰ্কে আপোনাৰ ধাৰণাৰ এটি থ'লমূল আভাস দিবনে?

৬ নং প্ৰশ্ন ঃ অসমীয়া সাহিত্যৰ সাম্প্ৰতিক মানদণ্ড আন কিছুমান ভাৰতীয় ভাষাৰ সাহিত্যৰ তুলনাত কেনে সেই বিষয়ে আপোনাৰ মতামত চমুকৈ জনাবনে?

দুয়োটা প্ৰশ্নৰ উত্তৰ ঃ চৰায়ে যেনেকৈ পখা অনুক্ৰমে উৰে, তেনেকৈয়ে কবিসকলেও নিজৰ শক্তি আৰু সাধ্য অনুসৰি কবিতা ৰচনা কৰে। প্ৰত্যেকৰে নিজস্ব এখন পৃথিৱী থাকে আৰু সেই পৃথিৱীখন বহল মানৱ বিশ্বৰে এটা অংশ। এই কথাখিনি মই এতিয়া লেখি থকা কবি সকলৰ ক্ষেত্ৰতো প্ৰয়োগ কৰোঁ। কবি সকলে যেতিয়া নিজৰ অনুভূত জীৱনেৰে (felt life) কবিতা ৰচনা কৰে তেতিয়াই সেই কবিতা সাৰ্থক হয় আৰু যেতিয়া এই অন্তৰঙ্গ জীৱনবোধ নাথাকে তেতিয়াই কবিতাই এটা বাহ্যিক ৰূপতহে দেখা দিয়ে। এইখিনিতে মোৰ মনত পৰিছে সংস্কৃত আলংকাৰিক-সকলৰ কথা। তেওঁলোকে কাব্য আৰু চিত্ৰ-কাব্য বুলি দুটা শব্দ ব্যৱহাৰ কৰিছিল। কাব্য বুলিলে তেওঁলোকে তেনেধৰণৰ সৃষ্টিকে বুজিছিল য'ত অন্তৰঙ্গ জীৱনবোধ আছে আৰু যি উপ-যুক্ত আঙ্গিকৰ দ্বাৰা ৰসোত্তীৰ্ণ হৈছে। আন-হাতে চিত্ৰকাব্যত কবিতাৰ দেহাবয়ব আছে—তাৰ অন্তৰঙ্গ জীৱনবোধ বা আত্মা নাই। সহজকৈ ক'বলৈ হ'লে, এবিধ প্ৰকৃত কাব্য আৰু আনবোৰ কাব্যৰ ছবি মাথো। ছবিত যেনেকে আত্মা নাথাকে ঠিক তেনেকৈ চিত্ৰকাব্যতো প্ৰকৃত কাব্য গুণ নাথাকে। ইয়াৰ বিচাৰ কিন্তু পাঠকেহে কৰে। গতিকে সাম্প্ৰতিক কবিতাৰ পাঠক হিচাবে মই কাব্য, চিত্ৰকাব্য দুয়োবিধৰে সমুখীন হৈছোঁ। কিন্তু অসমীয়া কবিতাৰ ধাৰাবাহিকতা কেতিয়াও ক্ষুণ্ণ হোৱা নাই বুলিয়ে মোৰ ধাৰণা।

ভাৰতীয় আন ভাষাৰ লগত তুলনামূলক-ভাৱে কোৱাটো টান, যিহেতু অসমীয়া আৰু বঙলা ভাষাৰ কবিতাৰ বাহিৰে আন ভাৰতীয় ভাষাৰ লগত মোৰ প্ৰত্যক্ষ পৰিচয় নাই। অসমীয়া, মাৰাঠী কবিতা (ইংৰাজী অনুবাদত) একেলগে পঢ়িলে মই চৰিত্ৰগত একো পাৰ্থক্য দেখা নাপাওঁ। তাৰ কাৰণ হয়তো সম্প্ৰতি ভাৰতত আনকি বিশ্বতো একে ধৰণৰ চিন্তাভাৱনাই প্ৰভাৱ পেলাই আছে।

৭ নং প্ৰশ্ন ঃ মুষ্টিমেয় যি কেইজন সমালোচকে অসমীয়া সাহিত্যৰ সমালোচনাত ব্ৰতী হৈ আছে তেওঁলোকে কিমানদূৰ সফলতাৰে নিজৰ ভূমিকা পালন কৰিছে বুলি ভাৱে?

উত্তৰ ঃ এই ক্ষেত্ৰতো এটা কথা কওঁ—এওঁলোকেও পখা অনুক্ৰমেহে উৰিছে। অসমীয়া সাহিত্যৰ বহল দিগন্ত তেওঁলোকে হয়তো সম্পূৰ্ণ পৰিক্ৰমা কৰিব পৰা নাই। একেবাৰে সাম্প্ৰতিক কালৰ কবিতাৰ আলোচনাত ধূলি যিমান উৰিছে, কবিতাৰ সত্য সিমানে ঢাক খাই গৈছে যেন লাগে। চৰ্যাপদৰ পৰা আৰম্ভ কৰি বৈষ্ণৱ যুগ সামৰি একেবাৰে এতিয়াৰ কবি হীৰেন ভট্ট আনকি নীলিম কুমাৰলৈকে সকলোবোৰ সামৰি এটা বিহঙ্গম দৃষ্টিৰে কোনোবাই সমালোচনা সাহিত্য সৃষ্টি কৰাৰ চেষ্টা কৰিলে অসমীয়া সাহিত্যৰ বৰ ডাঙৰ সেৱা কৰা হ'ব।

৮ নং প্ৰশ্ন ঃ আন ভাষাৰ পৰা অসমীয়া ভাষালৈ যিমান গ্ৰন্থ অনূদিত হৈছে তাৰ তুলনাত অসমীয়া ভাষাৰ পৰা আন ভাষালৈ বিশেষকৈ

ইংৰাজী ভাষালৈ অনূদিত হোৱা গ্ৰন্থৰ সংখ্যা বৰ কম। ইয়াৰ কাৰণ আৰু প্ৰতিকাৰৰ বিষয়ে অলপ ক'বনে?

উত্তৰ : দেখাত ইয়াৰ কাৰণ একেটাই। অসমীয়া পাঠকে বিশ্বৰ বিভিন্ন সাহিত্যৰ মৰ্যাদা অনুভৱ কৰিছে, কিন্তু আমি আমাৰ প্ৰতি আনৰ আগ্ৰহ সিমান জগাই তুলিব পৰা নাই। লগতে আৰু এটা কথা ক'ব পাৰি —অসমীয়'ৰ পৰা আন ভাষালৈ অনুবাদ কৰিব পৰা লোকৰ সংখ্যা কম বা প্ৰায় নায়েই। তদুপৰি অনুবাদ কৰাৰ পিছত সেই অনুবাদৰ প্ৰকাশক, পাঠক সমাজ এখন আমিয়ে হয়তো সৃষ্টি কৰিব নোৱাৰিব পাৰোঁ। এই পৰমুখাপেক্ষীত্বই কেতিয়াবা মনত দুখ দিয়ে। তথাপিও অসমীয়া সাহিত্যৰ কিছু চানেকি ভাৰতৰ অন্যান্য ভাষালৈ অনূদিত নোহোৱাকৈ থকা নাই। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'মৃত্যুঞ্জয়,' 'আই' ইত্যাদি উপন্যাস হিন্দীলৈ অনূদিত হৈছে। মহিম বৰাৰ 'কাঠনি বাৰীৰ ঘাট,' নৱকান্ত বৰুৱাৰ 'ককা-দেউতাৰ হাড়' আৰু আন আন লেখকৰ কিছু কিতাপ ভাৰতীয় অন্যান্য ভাষালৈ অনূদিত হৈছে। আমাৰ চুবুৰীয়া বঙ্গ ভাষা-লৈও আমাৰ বহুতো কবিতা অনূদিত হৈছে আৰু পাঠক সমাজেও আদৰিয়ে লৈছে। দুখন আধুনিক অসমীয়া কবিতা সংকলনৰ নাম মনত পৰিছে—'প্ৰতিবেশী সহোদৰ' আৰু 'আধুনিক অসমীয়া কবিতা' এখন কলিকতাৰ পৰা আৰু আনখন গুৱাহাটীৰ পৰা প্ৰকাশিত হৈ আদৃতও হৈছে।

৯নং প্ৰশ্ন : আমাৰ ধাৰণাত অসমীয়া সাহিত্যৰ কিছুমান শ্ৰেষ্ঠ কবিতা, গল্প বা উপন্যাস ইংৰাজী ভাষালৈ অনূদিত হ'লে কিছু সংখ্যক অসমীয়া লিখকে (ইতিমধ্যে স্বীকৃতি লাভ কৰা নগণ্য সংখ্যকৰ উপৰিও) আন্তৰ্জাতিক স্বীকৃতি তথা খ্যাতি লাভ কৰিলেহেঁতেন। সেই বিষয়ে আপোনাৰ মতামত কি?

উত্তৰ : এই কথাষাৰ একেবাৰে সঁচা। আন্তৰ্জাতিক নহ'লেও ভাৰততে ইংৰাজী ভাষাৰ মাধ্যমেৰে এই ধৰণৰ সংযোগ ঘটি আছে। হীৰেন ভট্টাচাৰ্যৰ Ancient Gongs আৰু মামনি ৰয়চম গোস্বামীৰ উপন্যাস আৰু আত্মজীৱনীৰ ইংৰাজী অনুবাদে যথেষ্ট জনপ্ৰিয়তা লাভ কৰিছে। Ancient Gongs ৰ অনুবাদ বৰ সাৱলীল হৈছে বুলি খুচৱন্ত সিঙে কেবাবাৰো উল্লেখ কৰিছে। অৱশ্যে মামনি ৰয়চম গোস্বামীৰ কিতাপ কেইখনৰ গুণ তেওঁ অনুভৱ কৰিছে, কিন্তু অনুবাদ দুৰ্বল হৈছে বুলি কৈছে। অসমীয়া সাহিত্যিক হিচাবে মই কিন্তু বিশ্ব সাহিত্যৰ পৰা অসমীয়া সাহিত্যলৈ অনুবাদ কৰাৰ (এইখিনিতে কথাত ৰস সৃষ্টি কৰিলে মৰা স্বভাৱ সুলভ মিঠা হাঁহিটো মাৰি শ্ৰদ্ধেয় কবি গৰাকীয়ে পৰৱৰ্ত্তী শব্দটো ব্যৱহাৰ কৰিছিল) 'ঠিকা'টোহে লৈছোঁ। অসমীয়া সাহিত্যক বিশ্বৰ দৰবাৰলৈ পঠিয়াই দিয়াৰ বাবে যিখিনি যোগ্যতা লাগে সেইখিনি হয়তো মোৰ দৰে মানুহৰ নাই। ★

# কবি হীৰেন ভট্টাচাৰ্যৰ সৈতে সাক্ষাৎকাৰঃ

' আমাৰ কবিতাৰ বুৰঞ্জীত হীৰেন ভট্টাচাৰ্য এক একক আৰু অনুপম প্ৰতিভা।' —ডঃ হীৰেন গোহাঁই।

[ ২৯।৬।৯৪ ইং তাৰিখে আবেলি প্ৰায় দুঘণ্টা সময় অসমৰ এই বিশিষ্ট কবি গৰাকীৰ লগত গুৱাহাটীৰ আৰ. জি. বৰুৱা পথত অৱস্থিত তেখেতৰ বাসস্থান 'স্নেহ-তীৰ্থ'ত আমাৰ সাক্ষাৎ হৈছিল –সাহিত্য-সংস্কৃতি সম্পৰ্কে আমি যুগুতাই নিয়া প্ৰশ্ন কেইটামানৰ ভিত্তিত। উক্ত সাক্ষাৎকাৰত তেখেতৰ বক্তব্যৰ যিখিনি আমি আমাৰ লেখাত আখৰে আখৰে ধৰি ৰাখিব পাৰিছিলোঁ সেইখিনি প্ৰত্যক্ষ উক্তিত ৰাখি বাকীখিনি যথাসম্ভৱ হীন-ডেঢ়ি নঘটোৱাকৈ পৰোক্ষ উক্তিত সজাই ইয়াত উপস্থাপন কৰা হৈছে। দুটিমান প্ৰশ্নৰ ক্ষেত্ৰত উত্তৰৰ লগতে কবি গৰাকীয়ে প্ৰশ্নৰ পৰিসীমাৰ বাহিৰত অথচ প্ৰাসঙ্গিকভাবে নিজৰ মূল্যবান চিন্তা, মতামত ব্যক্ত কৰিছিল। সংশ্লিষ্ট প্ৰশ্নৰ উত্তৰৰ লগতে সেইখিনিও উপস্থাপন কৰাৰ ( বন্ধনীৰ ভিতৰত ৰাখি ) লোভ সামৰিব নোৱাৰিলোঁ। অতি আন্তৰিকতাৰে এক সৌহাৰ্দপূৰ্ণ পৰিবেশত আমাৰ লগত দীঘলীয়া সময় কথা পাতি আমাক কৃতাৰ্থ কৰা বাবে চেনেহ আৰু শ্ৰদ্ধাৰ কবি গৰাকীক আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। —দিলীপ দাস, তত্ত্বাৱধায়ক, 'জৱাহৰ জ্যোতি'। ]

১ নং প্ৰশ্ন: কবিতা লিখিবলৈ কেতিয়াৰ পৰা কেনেকৈ অনুপ্ৰাণিত হৈছিল ?

উত্তৰ: এই প্ৰশ্নৰ উত্তৰত তেওঁ কৈছিল যে নিচেই সৰু কালৰ পৰা তেওঁ কবিতা লিখিবলৈ আৰম্ভ কৰা নাছিল— বাইশ বছৰ বয়সৰ পৰাহে কবিতা লিখিবলৈ লৈছিল। ঘৰুৱা জীৱনত এটা সাংস্কৃতিক পৰিবেশৰ মাজত ডাঙৰ-দীঘল হোৱা বাবে আৰু অসমৰ বেছিভাগ সাহিত্যিকক, শিল্পীক নিচেই সৰু কালৰ পৰা অতি ওচৰৰ পৰা লগ পোৱা বাবে সাহিত্যৰ প্ৰতি, শিল্পৰ প্ৰতি তেওঁৰ ভাল পোৱা নিচেই সৰুকালিৰ পৰা। তদুপৰি, সৰুকালৰ পৰাই তেওঁ সাহিত্যৰ অনুষ্ঠান, সংস্কৃতিমূলক সংঘ আদিৰ লগত জড়িত আছিল বুলিও কয়। এই প্ৰসঙ্গত তেওঁ সৰু কালত তেজপুৰৰ 'পাৰিজাত সংঘ'ৰ ( তেতিয়া সংঘৰ সভাপতি আছিল দণ্ডিনাথ কলিতা ) লগত জড়িত থকাৰ কথা উল্লেখ কৰে আৰু কলিতাৰ উপৰিও পদ্মনাথ গোহাঞি বৰুৱা, ৰাজ-মোহন নাথ, সৰ্বানন্দ ৰাজকোঁৱৰ আদি বিশিষ্ট ব্যক্তি তথা সাহিত্যিকসকলৰ সান্নিধ্য লাভ কৰা বুলি কয়। ( কথা প্ৰসঙ্গত ১৯৫৩

চনৰ পৰা ১৯৬২ চন মানলৈ তেওঁ ভাৰতীয় গণ নাট্য সংঘৰ লগতো নিজকে সক্রিয়ভাৱে জড়িত ৰখাৰ কথা উন্মুকিয়াইছিল )। এনেকুৱা এক পৰিবেশে তেওঁক কবিতা লিখাৰ প্ৰাৰম্ভিক অনুপ্রেৰণা দিছিল বুলি তেওঁ কয়। পিছলৈ ৰবীন্দ্রনাথ, জীৱনানন্দ আদিৰ কবিতা অধ্যয়নেও তেওঁৰ কবিতা সৃষ্টিত প্রেৰণা যোগাইছিল বুলি কয়।

২ নং প্রশ্ন : আপোনাৰ প্রথম প্রকাশিত কবিতাটো কি আছিল আৰু ক'ত প্রকাশিত হৈছিল ?

উত্তৰ : 'নিমন্ত্রণ' ; প্রকাশিত হৈছিল 'আৱাহন'ত —বোধকৰোঁ ১৯৫৫ চনত।

৩ নং প্রশ্ন : আপোনাৰ জীৱনদর্শন তথা মানুহ বা জীৱনৰ প্রতি দৃষ্টিভঙ্গী কেনে সেই সম্বন্ধে অলপ ক'ব নেকি ?

উত্তৰ : 'সকৰে পৰা সাম্যবাদৰ প্রতি আকর্ষিত হৈছিলোঁ। মোৰ সাহিত্যত যদি তাৰ প্রতিফলন হৈছে সেয়া ভাল কথা।' কথাষাৰ শুনি স্বাভাৱিকভাৱে আমাৰ মনলৈ আহিছিল তেওঁৰ ৰচনাৰ এনে পংক্তিঃ

'ভাই! সময় বুজি আহিবা এদিন,
ফু-মাৰি চোতালত লগে ভাগে খাম
দুখৰ ধানৰ এসাজ ভাত।'

৪ নং প্রশ্ন : কবি আৰু পাঠকৰ মাজত সম্পর্কৰ বিষয়ে দু-আষাৰ ক'ব নেকি ?

উত্তৰ : এই প্রশ্নৰ উত্তৰত নৈ এখন সাগৰলৈ গতি কৰাৰ তুলনা দি তেওঁ কৈছিল : 'কবিতা হৈছে পাঠক অভিমুখী। কবিতাৰ ভাল-বেয়াও নিৰূপণ কৰে পাঠকে।' সাহিত্যত পাঠকৰ অপৰিসীম ভূমিকাৰ সন্দৰ্ভত তেওঁ আৰু কৈছিল : 'সাহিত্য ধৰি ৰাখে পাঠকে। পাঁচশ বছৰ আগতে শেক্সপীয়েৰে নাটক লিখিছিল। তেওঁৰ নাটক আজিও যে আছে সেয়া সম্ভৱ হৈছে পাঠক-দর্শকৰ বাবে।' তেওঁৰ মতে, লিখক এজনৰ কৃতকার্যতাও বহুখিনি নির্ভৰ কৰে পাঠকৰ ওপৰত। পাঠক যিমানে ভাল হ'ব লিখক তথা কবিও সিমানে ভাল হ'ব। কথাটো ভাল ছাত্রই ভাল শিক্ষক গঢ়াত সহায় কৰাৰ দৰে। তেওঁ আকৌ কৈছিল, সকলো শিল্পৰে কাম হৈছে পাঠক, দর্শক, শ্রোতা আদিৰ একো একোখন সমাজ গঢ়া। কবিৰো সেয়ে।

৫ নং প্রশ্ন : আপোনাৰ কবিতাৰ বিষয়বস্তুৰ সন্দৰ্ভত অলপ ক'ব নেকি ?

উত্তৰ : 'কবিতা কবিৰ আত্ম-জীৱনীৰ দৰে। কবিতাত সাধাৰণতে কবিয়ে নিজৰ কথাকে লিখে আৰু তাতে প্রতিফলন ঘটে তেওঁৰ সমাজ, সংস্কৃতিৰ···।'

কবি গৰাকীয়ে কৈছিল, ভাৰতবর্ষৰ কথা ক'লেও তেওঁৰ মনৰ চকুৰ আগত অগা-ডেৰা কৰে গাঁৱৰ কথা—গাঁৱৰ ছবি। তেওঁৰ কবিতাত নিজ দেশ ভাৰতবর্ষখন নানা ধৰণে প্রকাশ পায়। তেওঁৰ ভাৰতবর্ষখন—গাঁও-ভাৰতবর্ষ। ধান, বান, পথাৰ আদিক সামৰি লোৱা গাঁৱৰ মানুহৰ ছবি।

তেওঁ আকৌ কৈছিল– 'কবিতাই মোক ভাষাক ভাল পাবলৈ শিকাইছে আৰু ভাল পাবলৈ শিকাইছে মানুহক।' শেষত তেওঁ

ধেমালিৰে কৈছিল—Land, language, love ক লৈ তেওঁৰ কবিতা।

৬ নং প্ৰশ্ন : আপোনাৰ প্ৰিয় দেশী বা বিদেশী দুই চাৰি গৰাকী কবিৰ নাম ক'ব নেকি ?

উত্তৰ : এই প্ৰশ্নৰ উত্তৰত তেওঁ কয় যে কবিতা ভাষাৰ শিল্প। কোনো ভাষাৰ ওপৰত ভাল দখল নাথাকিলে সেই ভাষাৰ কবিতাৰ সূক্ষ্ম সৌন্দৰ্য উপলব্ধি কৰাত অসুবিধা। উদাহৰণ স্বৰূপে তেওঁ কয় যে ফৰাচী ভাষা তেওঁ নাজানে ; গতিকে তেওঁ ব'দলেয়াৰৰ কবিতা ভাল পোৱা বুলি ক'লে ভুল কোৱা হ'ব। ঠিক সেইদৰে তেওঁ পাবল'নেৰুদাৰ কবিতা অনুবাদত পঢ়িছে—মূলত পঢ়িব নোৱাৰা বাবে কবিতাৰ সূক্ষ্ম সৌন্দৰ্য উপলব্ধি কৰিব পৰা নাই। কিন্তু ভাৰতীয় দুই এক ভাষাৰ কিছুমান কবিৰ কবিতা পাঠে তেওঁক আনন্দ দিয়ে।

[ ভাষাৰ প্ৰসঙ্গ ওলাওঁতে তেওঁ সম্প্ৰতি অসমীয়া ভাষাত ঘটা বিকৃতিৰ বিষয়ে কিছু বিশদভাবে নিজৰ প্ৰতিক্ৰিয়া তথা উদ্বিগ্নতা প্ৰকাশ কৰে। নিজৰ ভাষাৰ প্ৰকাশক্ষম উপযুক্ত শব্দ থকা সত্ত্বেও আন ভাষাৰ শব্দৰ ব্যৱহাৰ, উপযুক্ত সহজ শব্দ থকা সত্ত্বেও কঠিন আৰু প্ৰসঙ্গত সাধাৰণতে ব্যৱহাৰ নোহোৱা শব্দৰ ব্যৱহাৰ, কিছুমান ভাব প্ৰকাশত অশুদ্ধ প্ৰকাশ-ৰীতিৰ ব্যৱহাৰ—আদি ত্ৰুটী উদাহৰণ সহকাৰে আঙুলিয়াই দিয়ে। তেওঁৰ আশংকা—ভাষাৰ এনে বিকৃতিৰ গৰাখহনীয়া সময়মতে ৰোধ কৰিব নোৱাৰিলে, অসমীয়া ভাষা-সাহিত্যই অন্ধকাৰ ভৱিষ্যতৰ সমুখীন হ'ব লাগিব। তেওঁৰ মতে, মাতৃভাষা মাটিৰো ভাষা Language of the soil।' মাটিৰ গোন্ধ মাতৃভাষাত অৱশেই থাকিব লাগিব। যুক্তিসঙ্গত ভাবে প্ৰয়োজন সাপেক্ষে ভাষাৰ সলনি সকলোৰেই বিচাৰে। সলনি হোৱাটো জীৱনৰ লক্ষণ। সলনি মানে, তেওঁৰ ভাষাত, 'আৰু সুন্দৰ হোৱা।' ভাষা আৰু শব্দৰ প্ৰসঙ্গত কবি গৰাকীয়ে নিজৰ মতামত আন্তৰিকতাৰে ব্যক্ত কৰি থাকোঁতে মনলৈ আহিছিল কবিৰ স্বৰচিত কবিতাৰ দুটি এটি এনে পংক্তি :

'মোৰ ভিতৰত এটা যেন খেতিয়ক,
মই শব্দবোৰ জিভাত দি চাওঁ,
কাৰ কি সোৱাদ,
হাতৰ তলুৱাত লৈ চাওঁ কিমান তপত,

* * * *

'কলম মোৰ কমাৰৰ হাতৰ হাতুৰী,
ভাঙি পিটি গঢ়ি লওঁ শব্দ,
খেতিয়কৰ ফাল যেন চোকা ·· ··· '

ভাষাৰ প্ৰসঙ্গতে তেওঁ আমাৰ চুকে-কোণে, গাঁৱে-ভূঁয়ে গঢ়ি উঠা ইংৰাজী মাধ্যমৰ স্কুল সমূহৰ বিষয়েও উল্লেখ কৰে। এই স্কুল সমূহত পঢ়া ছাত্ৰ-ছাত্ৰী সমূহে যে সময়ত নিজৰ ভাষাটোকে লিখিব বা পঢ়িব নোৱাৰিব সেই কথাটো তেওঁ আক্ষেপেৰে উল্লেখ কৰে। আন ভাষী লোক এজনে অসমীয়া ভাষাটো ভালকৈ ক'ব পাৰে নে নাই তাক লৈ তেওঁ বৰকৈ নাভাবে। কিন্তু নিজৰ ভাই, নিজৰ ভতিজা

বা নিজৰ গাঁৱৰ ল'ৰাটোৱে যদি নিজৰ ভাষাটো ভালদৰে ক'ব, পঢ়িব আৰু লিখিব নোৱাৰে তেনেহলে তাতকৈ আৰু দুখৰ কথা আমাৰ বাবে আন একোৱে হ'ব নোৱাৰে। সময়ত ধেমেলীয়া কবিয়ে অৱস্থাটোৰ অন্ধকাৰ ভৱিষ্যত এটাৰ ইঙ্গিত দিবলৈ গৈ নিৰ্দোষ ধেমালিৰে কৈছিল—সময়ত হয়তো ইংৰাজী মাধ্যমত পঢ়া অসমীয়া ল'ৰা-ছোৱালীয়ে ইংৰাজী নজনা মাক-দেউতাকলৈ অসমীয়াত চিঠি লিখি দিবৰ বাবে তেনে চিঠি লিখি দিয়া মানুহৰ এচৰ চাপি এটা বৃত্তি ( Profession ) ৰে সৃষ্টি কৰিব যেন পাওঁ! নিচেই সৰুৰে পৰা ইংৰাজী মাধ্যমত পঢ়া মেধাবী অসমীয়া ছাত্ৰ-ছাত্ৰীৰ পৰা পাব পৰা অৱদান কিছুমানৰ পৰাও যে অসমীয়া ভাষা-সাহিত্য বঞ্চিত হ'ব সেই কথাটোও তেওঁ আক্ষেপেৰে উল্লেখ কৰিবলৈ পাহৰা নাছিল।]

৭নং প্ৰশ্ন: সম্প্ৰতি যি মুষ্টিমেয় সমালোচকে অসমীয়া সাহিত্যৰ সমালোচনাত ব্ৰতী হৈ আছে তেওঁলোকে নিজৰ ভূমিকা কেনেদৰে পালন কৰিছে বুলি ভাবে?

উত্তৰ: এই প্ৰশ্নৰ উত্তৰত তেওঁ অসমীয়া সাহিত্যত সমালোচকৰ বৰ অভাৱ থকা বুলি আৰু লগতে যি নগণ্য সংখ্যক সমালোচনাত ব্ৰতী হৈ আছে তেওঁলোকেও নিজৰ ভূমিকা ঠিকমতে পালন কৰা নাই বুলি কয়। তেওঁৰ মতে, সমালোচকৰ এটা মুখ্য কাম হৈছে পাঠক গঢ়া, কিন্তু অসমীয়া সাহিত্যৰ সমালোচক সকল এই ক্ষেত্ৰত করুণ ভাবে ব্যৰ্থ হৈছে। প্ৰসঙ্গক্ৰমে তেওঁ ৺ বাণীকান্ত কাকতিদেৱৰ নাম শ্ৰদ্ধাৰে সুঁৱৰে। তেওঁ ভাবে, সমালোচক সকলে স্ব-প্ৰণোদিত হৈ শিল্পী-সাহিত্যিকৰ সৃষ্টিৰ review কৰিব লাগে—যাতে এনে review য়ে পাঠক গঢ়াত সহায় কৰিব পাৰে।

[পাঠক গঢ়িবলৈ, তেওঁৰ মতে, সাহিত্যত এটা movement লাগে। তেওঁ কয় যে সাহিত্যৰ এই movement টো কিতাপে নানে, আনে আলোচনীয়ে। সম্প্ৰতি অসমীয়া সাহিত্যত সৰ্বসাধাৰণ পাঠকৰ প্ৰয়োজন পূৰাব পৰা কিছু সংখ্যক আলোচনীৰ প্ৰয়োজন আছে বুলি তেওঁ ভাবে।]

৮নং প্ৰশ্ন: আপোনাৰ দৃষ্টিত উদীয়মান অসমীয়া লেখক সকলৰ সৃষ্টিৰ মানদণ্ড কেনে সেই বিষয়ে এটি থূলমূল আভাস দিব নেকি?

উত্তৰ: এই প্ৰশ্নৰ উত্তৰত কবিতাৰ সন্দৰ্ভত তেওঁ নীলিম কুমাৰ, অনুভৱ তুলসী আদি দুই চাৰিজনৰ সম্ভাৱনাৰ উল্লেখ কৰে। উদীয়মান গল্পকাৰ, ঔপন্যাসিক আদিৰ ক্ষেত্ৰতো তেওঁৰ মন্তব্য একেধৰণৰ আছিল। সম্প্ৰতি গল্প লিখি থকা মুষ্টিমেয় ডাক্তৰ, ইঞ্জিনীয়াৰৰ লেখাত তেওঁ আশাৰ ৰেঙণি দেখা বুলি উল্লেখ কৰে।

উদীয়মান লেখক সকলৰ বিপৰীতে তেওঁ কিন্তু প্ৰবীণ লেখক কিছুমানৰ নাম প্ৰশংসাৰে উল্লেখ কৰে। প্ৰথম আত্মপ্ৰকাশতে যে সেই সকল লেখকে সম্ভাৱনা আৰু প্ৰতিশ্ৰুতিৰ

বলিষ্ঠ স্বাক্ষৰ লৈ ওলাই আহিছিল সেইটো অলপ ধেমালিৰ সুৰেৰে কৈছিল— যঁহি-মেলি আজি যোগেশ দাস, ভবেন শইকীয়া, মহিম বৰা, নীলমণি ফুকন, নৱকান্ত বৰুৱা বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, আব্দুল মালিক, হোমেন বৰগোহাঞি, মামনি ৰয়চম গোস্বামী আদি হোৱাগৈ নাই ··· ··· ··· ।'

৯ নং প্ৰশ্ন : অসমীয়া সাহিত্যৰ সাম্প্ৰতিক স্থবিৰতাৰ কাৰণ কি বুলি ভাবে ?

উত্তৰ : এই প্ৰশ্নৰ উত্তৰত তেওঁ ভাষাটো চৰ্চাৰ অভাৱ এটা কাৰণ বুলি উল্লেখ কৰে। তেওঁ কয় যে ভাষাৰ চৰ্চাই প্ৰকাশ ক্ষমতা বঢ়ায় যিটোৰ প্ৰয়োজন সাহিত্য সৃষ্টিত সৰ্বাধিক। তেওঁৰ কথাত, 'ভাষাই মানুহক ভবায়। ভাষাহীন মানুহৰ ভাৱৰ জগতখনো সৰু। ভাষাৰ অভাৱে ভাৱৰো অভাৱ সূচায়।' ধেমেলীয়া সুৰেৰে তেওঁ কৈছিল, সাহিত্যৰ নিচিনা কিছুমান সৃষ্টিৰ প্ৰয়োজন অনুভৱ নকৰিলেতো পঞ্চাশটা মান শব্দ লৈয়ে এটা জীৱন পাৰ কৰি দিব পাৰি ··· ··· ··· । লগতে সমালোচকৰ অভাৱ, ভাষাৰ বিকৃতিকৰণ আদিয়েও ভাল সাহিত্য আৰু সাহিত্যিক সৃষ্টিত অন্তৰায় সৃষ্টি কৰা বুলি তেওঁ ভাবে।

১০ নং প্ৰশ্ন : নবীন কবি সকলক কিবা উপদেশ দিব নেকি ?

উত্তৰ : 'মই সাহিত্যৰ নবীনতা ( newness ) ৰ প্ৰতিহে আগ্ৰহী।' লগতে তেওঁ কয় যে নতুন লেখক থাকিলেহে পুৰণা লেখক থাকে। নতুন লেখকৰ অভাৱত পুৰণি সাহিত্য অকালতে মৰহি যায়। এই প্ৰসঙ্গত তেখেতে মনত পেলায় বেজবৰুৱাৰ সেই শাৰী কবিতা— "পুৰণি পৃথিৱীক নকৈ চাই লওঁ ··· · ।'

১১ নং প্ৰশ্ন : আজি কেইবছৰমান আগতে আপোনাৰ নিৰ্বাচিত কবিতা কিছুমানৰ সংকলন এটি অধ্যাপক প্ৰদীপ আচাৰ্যৰ দ্বাৰা ইংৰাজীত অনূদিত হৈ প্ৰকাশ পাইছিল। সেই সম্পৰ্কে আপোনাৰ প্ৰতিক্ৰিয়া জানিব পাৰোনে ? লগতে আন অসমীয়া কবিৰ কবিতাৰ এনে অনুবাদৰ প্ৰয়োজনীয়তা সম্পৰ্কে আপোনাৰ মতামত কি জনাবনে ?

উত্তৰ : এই প্ৰশ্নৰ উত্তৰত তেওঁ সংকলনটিৰ অনুবাদ ভাল হোৱা বুলি বহুতে তেওঁক জনোৱাৰ কথা কয়। যদিও কবিতাৰ অনুবাদ টান বুলি কয়, অনুবাদৰ প্ৰয়োজনীয়তা নিশ্চয় আছে বুলি তেওঁ ভাবে। এই প্ৰসঙ্গত তেখেতৰ 'ল'ৰা-ধেমালি'ৰ পৰা এষাৰ কবিতা আমাৰ মনলৈ আহিছিল—'এটা কথা স্পষ্ট, অনুবাদে নকৰে কবিতা নষ্ট।' তেওঁ আমাক আকৌ কৈছিল যে তেওঁৰ 'সুগন্ধি পখিলা' কিতাপখনৰ আটাইবোৰ কবিতা কাৰ্বি ভাষালৈ অনূদিত হৈছে। তেওঁ আনন্দেৰে কৈছিল— 'আমাৰ অসমৰে আন এডোখৰ ঠাইৰ ভাষালৈ মোৰ কবিতা অনূদিত হোৱাত বেছি ভাল লাগিছে।'

১২নং প্ৰশ্ন : কবিতা লিখাৰ উপৰি আপুনি ছবিও আঁকে। এই দুটাৰ কোনটো আগতে আৰম্ভ কৰিছিল ? আপোনাৰ কবিতা ৰচনাত আপোনাৰ ছবিৰ অথবা ছবি অঁকাত আপোনাৰ কবিতাৰ কিবা ভূমিকা আছে নেকি ?

উত্তৰ : এই প্ৰশ্নৰ উত্তৰত বিনম্ৰভাৱে তেওঁ কয় যে তেওঁ professional চিত্ৰকৰ নহয়— Serious painter ও নহয় । মন গ'লে কেতিয়াবা ছবি আঁকে - ইংৰাজিত যাক কয়— sunday painter—দেওবৰীয়া চিত্ৰকৰ ।

কবিতা লিখা আৰু ছবি আঁকা—দুইটা যেহেতু ভিন্ন কলা, দুইটাৰ মাজত পোন-পটীয়া সম্বন্ধ নাই বুলি তেওঁ ভাবে।

১৩নং প্ৰশ্ন : আপুনি কিছু সংখ্যক গীতো ৰচনা কৰিছে। গানৰ প্ৰতি আপোনাৰ আকৰ্ষণৰ বিষয়ে অলপ ক'বনে ?

উত্তৰ : "গান মোৰ আটাইতকৈ প্ৰিয়— কবিতাতকৈও। এতিয়াও মই ক'ৰবাত ভাল গান শুনিলে থমকি ৰৈ যাওঁ'—বুলি কৈ কবি গৰাকীয়ে তেওঁৰ সঙ্গীতপ্ৰিয় মনটো আমাৰ আগত অকৃপণভাবে উদঙাই দিছিল । "গানৰ মাজেৰে কবিতালৈ অহা" বুলি কোৱা কবি গৰাকীয়ে আমাক আকৌ কৈছিল যে গানে তেওঁক কবিতা ৰচনা কৰিবলৈ অনু-প্ৰাণিত কৰে। তেওঁৰ মতে, গান ভাল পোৱা মানে মানুহক ভাল পোৱা। তেওঁ আমাক কৈছিল যে তেওঁ নিজে গান নাগায়, কিন্তু বহু সুগায়ক তেওঁৰ ভাল বন্ধু আৰু বহু গানৰ সৃষ্টিৰ সময়ত তেওঁ নিজে উপস্থিত আছিল । প্ৰসঙ্গক্ৰমে তেওঁৰ স্বৰচিত 'সাতোখন সুৰদী নৈ', 'মোৰ সোণৰ সোলেং অ' আঘোণৰ ৰ'দ', 'সৌ শিৰিষ ডালত এজনী চৰাই' আদি গীত প্ৰাণ সঞ্চাৰ কৰি গোৱা অসমৰ যশস্বী শিল্পী বিশিষ্ট শিক্ষাবিদ ডঃ বীৰেন্দ্ৰ নাথ দত্তৰ নাম তেওঁ উল্লেখ কৰে। ডঃ দত্তৰ লগতে তেখেতে আন কেবা গৰাকীও প্ৰিয় অসমীয়া গায়ক শিল্পীৰ নাম উল্লেখ কৰে।

১৪নং প্ৰশ্ন : আপোনাৰ শেহতীয়া কবিতাৰ সংকলন 'শইচৰ পথাৰ মানুহ'ৰ পাতনিত আপুনি এবাৰ কথা উল্লেখ কৰিছিল : 'সম্প্ৰতি মোৰ কবিতা প্ৰায় নোহোৱাৰ দৰেই। মোৰ যোৱা ছবছৰৰ কবিতাৰে এই সৰু সংকলনটো কৰিছো।" কবিতা লিখাৰ এই স্থবিৰতাৰ একমাত্ৰ কাৰণ হিচাবে আপোনাৰ কবিতাৰ পৰা বুটলি অনা নিম্নোক্ত কবিতা ফাঁকিকে ল'ব পাৰো নেকি ? :

তামস আকাশখনৰ
স্তব্ধতা ভাঙে কোমল কঁহুৱা ফুলে।
কবিতাৰো বতৰ আছে
আহিনৰ আকাশে কাণে কাণে ক'লে।

উত্তৰ : 'কবিতা ৰবি শস্য নহয়। সকলো বতৰতে কবিতা হব পাৰে।' ★

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৯২–৯৩ চনৰ ছাত্ৰ একতা সভাৰ কাৰ্যনিৰ্বাহক পৰিষদৰ ছাত্ৰ প্ৰতিনিধি হিচাপে সাধাৰণ সম্পাদকৰ পদত মোক নিৰ্বাচিত কৰি মহান অনুষ্ঠানটোৰ সেৱা কৰিবলৈ সুযোগ দিয়া বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ মই আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছোঁ। লগতে অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত যিসকল জ্ঞাত-অজ্ঞাত বীৰ শ্বহীদে প্ৰাণ বলি দিলে তেওঁলোকলৈ অশ্ৰু-অঞ্জলি যাচিছোঁ।

সাধাৰণ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰাৰ কেইদিনমান পিছতে ৫–২–৯৩ ইং তাৰিখৰ পৰা ১১–২–৯৩ ইং তাৰিখলৈ সাতদিনীয়া কাৰ্যসূচীৰে মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱ 'মহাবিদ্যালয় সপ্তাহ' উদ্‌যাপন কৰা হয়। আৰম্ভণিৰ দিনাখন মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ নাথদেৱে পতাকা উত্তোলন কৰি উৎসৱৰ শুভাৰম্ভ কৰে। উৎসৱৰ দিন কেইটিত কাৰ্যক্ৰমণিকা অনুযায়ী বিভিন্ন খেলা-ধূলা, গীত-মাত, কুইজ, আকস্মিক বক্তৃতা, তৰ্ক প্ৰতিযোগিতা, মুকলি বক্তৃতা প্ৰতিযোগিতা, ভেশছন, পৰম্পৰাগত সাজপাৰ প্ৰতিযোগিতা, পুষ্পসজ্জা আৰু হস্তশিল্প প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয়। শেষৰ দিনাখন মহাবিদ্যালয়ৰ অধ্যক্ষৰ সভাপতিত্বত বহা বঁটা-বিতৰণী সভাৰে উৎসৱৰ সামৰণি মৰা হয়। বঁটা-বিতৰণী সভাত মুখ্য অতিথিৰ আসন অলংকৃত কৰিছিল সাহিত্য অকাডেমী বঁটা বিজয়ী প্ৰথিতযশা কবি শ্ৰীযুত হীৰেন ভট্টাচাৰ্য্যদেৱে আৰু নিৰ্দ্দিষ্ট বক্তাদ্বয় আছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শ্ৰীযুত বিনন্দ কুমাৰ শইকীয়া আৰু সমাজ সেৱা বিভাগৰ সম্পাদক শ্ৰীযুত অৰূন বৰাদেৱ। তেখেতসকলৰ বিভিন্ন দিশত আগবঢ়োৱা দিহা-পৰামৰ্শ আৰু বহুমূলীয়া ভাষণে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক অতিকৈ অনুপ্ৰাণিত কৰিছিল। এই সুযোগতে সমূহ ছাত্ৰ-ছাত্ৰীৰ হৈ তেখেতসকললৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

অইন বছৰৰ দৰে এই বেলিও মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীয়ে মিলি বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী আই বীণাপাণিৰ শ্ৰীচৰণত পুষ্পাৰ্ঘ নিবেদন অনুষ্ঠানৰ আয়োজন কৰে।

ইয়াৰ উপৰিও ১৯৯৩–৯৪ চনৰ শিক্ষা বৰ্ষৰ বাবে মহাবিদ্যালয়লৈ অহা নৱাগত ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনাবলৈ ২৪–৯–৯৩ ইং তাৰিখে নৱাগত আদৰণি সভাখন উলহ-মালহেৰে দিন জোৱা কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়। এই উপলক্ষে আয়োজন কৰা মুকলি সভাত পৌৰোহিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱে। এই সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসম সাহিত্য সভাৰ প্ৰাক্তন

সভাপতি কবি-সাহিত্যিক শ্ৰীযুত নৱ কান্ত বৰুৱাদেৱ। তেওঁৰ উপস্থিতি আৰু ভাষণে উপস্থিত প্ৰতি গৰাকী ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু সুধী ব্যক্তিক উৎসাহিত আৰু অনুপ্ৰাণিত কৰে। এই সুযোগতে মই তেখেতলৈ সমূহ ছাত্ৰ-ছাত্ৰীৰ হৈ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। লগতে উপস্থিত থাকি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰা প্ৰতি গৰাকী ব্যক্তিকো ধন্যবাদ জ্ঞাপন কৰিলোঁ।

এই বেলিও বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ উদ্যোগত শ্ৰীশ্ৰীবিশ্বকৰ্ম্মা পূজাৰ আয়োজন কৰা হয়। এই অনুষ্ঠানৰ আয়োজন কৰাত বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ একাগ্ৰতাক মই আন্তৰিকতাৰে শলাগিছোঁ।

মোৰ কাৰ্যকালৰ ভিতৰত বৰ্তমান শাসনাধিষ্ঠ চৰকাৰৰ কিছুমান জনস্বাৰ্থ বিৰোধী কাৰ্য (যেনে, মদৰ মুকলি বেহাত অনুমোদন, লটাৰীৰ নিচিনা জুৱাখেলৰ পৃষ্ঠপোষকতা, গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ নাম ভৰ্তিত প্ৰত্যক্ষ হস্তক্ষেপ আদি)ৰ প্ৰতিবাদত সদৌ অসম ছাত্ৰ সন্থাই আহ্বান কৰা অৱস্থান ধৰ্মঘট আৰু অন্যান্য প্ৰতিবাদী কাৰ্যসূচী ছাত্ৰ একতা সভাৰ সদস্য-সকলৰ লগতে অন্যান্য ছাত্ৰ-ছাত্ৰীৰ সহযোগত সুচাৰুৰূপে পালন কৰা হয়।

**অভাৱ-অভিযোগ ঃ** আমাৰ মহাবিদ্যালয়ৰ অভাৱ-অভিযোগৰ বিষয়ে কোৱাটো একপ্ৰকাৰ অৰণ্যৰোদন। ১৯৮৯ চনতে মহাবিদ্যালয়ে ৰূপালী জয়ন্তী পালন কৰিলে যদিও মহাবিদ্যালয়ৰ নানান অভাৱ এতিয়াও পূৰণ হোৱা নাই। প্ৰতিবছৰে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পাই অহাৰ লগে লগে সমস্যাও বৃদ্ধি পাই আহিছে। এই সম্পৰ্কে আগৰ প্ৰতি গৰাকী সাধাৰণ সম্পাদকে তেওঁলোকৰ প্ৰতিবেদনত উল্লেখ কৰি গৈছে। এই সমস্যা সমূহৰ মুখ্য সমস্যাবোৰ পুনৰ কৰ্তৃপক্ষৰ দৃষ্টি গোচৰ কৰিলোঁ ঃ (১) ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শ্ৰেণীকোঠা বৃদ্ধি কৰা (২) কলা শাখাৰ স্নাতক মহলাত সকলো বিষয়তে "মেজৰ" খোলা (৩) স্থায়ী ছাত্ৰী জিৰণী কোঠাৰ ব্যৱস্থা কৰা (৩) স্থায়ী প্ৰেক্ষাগৃহ নিৰ্মাণ কৰা (৫) ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলৰ প্ৰয়োজন অনুসাৰে চাইকেল ষ্টেণ্ডৰ ব্যৱস্থা কৰা (৬) মহাবিদ্যালয়ৰ সৌন্দৰ্য বৃদ্ধিৰ বাবে এখনি ফুলনি বাগিচাৰ ব্যৱস্থা কৰা (৭) মহা-বিদ্যালয়ৰ স্থায়ী গেটখন নিৰ্মাণ কৰা। এই সমস্যাবোৰ কৰ্তৃপক্ষই যদিও একে লগে সমাধান কৰিবলৈ অক্ষম তথাপিও ভৱিষ্যতে এটা এটাকৈ অভাৱবোৰ পূৰণ কৰিব বুলি আশা কৰিলো।

**ছাত্ৰ-ছাত্ৰীৰ প্ৰতি দু-আষাৰ ঃ** দেশী-বিদেশী অশুভ শক্তিৰ পৃষ্ঠপোষকতাত অসমৰ চৌদিশে আজি গঢ় লৈ উঠা সকলো ধৰণৰ দুৰ্নীতি, অসামাজিক কাম-কাজৰ প্ৰতি সদা সতৰ্ক হৈ থাকি উপযুক্তভাৱে প্ৰতিবাদ আৰু প্ৰতিৰোধ কৰিবলৈ ছাত্ৰ ছাত্ৰীসকলক অনুৰোধ জনালোঁ।

সদৌ শেষত মোক সাধাৰণ সম্পাদক হিচাপে কাৰ্যভাৰ চলাই যাওঁতে বিভিন্ন দিশত দিহা-পৰামৰ্শ দি উৎসাহিত কৰা কাৰণে মই

মহাবিদ্যালয়ৰ অধ্যক্ষ তথা ছাত্র একতা সভাৰ সভাপতি মহোদয়ৰ লগতে মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলক মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জনালোঁ। লগতে ছাত্র একতা সভাৰ সতীর্থসকললৈ আৰু বন্ধু-বান্ধৱী—ৰতন, দেৱজিৎ, বেদান্ত, বাণেশ্বৰ, অক্ষয়, প্রশান্ত, প্রদীপ, জেউতি, মেঘালী, ৰবী, অনীতা, গীতা, হীৰা, আৰু প্রতিভালৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। তদুপৰি সকলো সময়তে সহযোগিতা আগবঢ়োৱা বাবে মহাবিদ্যালয়ৰ কার্যালয় সহায়ক সকললৈও মই আন্তৰিক কৃতজ্ঞতা জনালোঁ।

অৱশেষত মহাবিদ্যালয়ৰ সমূহৰ ছাত্র-ছাত্রীলৈ ধন্যবাদ যাচি আৰু সকলোৰে ওচৰত মোৰ এবছৰীয়া কার্যকালছোৱাত হোৱা জ্ঞাত-অজ্ঞাত ভুল-ত্রুটিৰ বাবে ক্ষমা বিচাৰি মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনাৰে প্রতিবেদন সামৰিলোঁ।

॥ জয় আই অসম ॥

**শ্রীজগত চন্দ্র দাস**
সাধাৰণ সম্পাদক,
ছাত্র একতা সভা,
১৯৯২-৯৩ চন।

—:★:—

# খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যি সকল বন্ধু-বান্ধৱীৰ মৰম আৰু বিশ্বাসে জৱাহৰলাল নেহৰু মহা-বিদ্যালয়ৰ ১৯৯২-৯৩ চনৰ ছাত্ৰ একতা সভাৰ খেল বিভাগৰ সম্পাদকৰ পদত বিপুল ভোটেৰে জয়যুক্ত কৰাই গুৰু দায়িত্ব বহন কৰিবলৈ মোক সুযোগ দিলে তেওঁলোকলৈ মোৰ হিয়া ভৰা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

খেল-ধেমালিয়ে অকল আমাৰ শৰীৰটোকে ভালে নাৰাখে, ই আমাৰ মানসিক দিশটোও বহু সময়ত পৰিচালিত কৰে। সেয়ে ছাত্ৰ-ছাত্ৰীয়ে অকল শিক্ষানুষ্ঠানৰ পাঠ্যক্ৰমৰ ভিতৰতে আবদ্ধ নাথাকি বিভিন্ন খেল-ধেমালিসমূহত যোগদান কৰা উচিত। বৰ্তমান যুগত ছাত্ৰ-ছাত্ৰীসকলে খেল-ধেমালিৰ জৰিয়তে নিজৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰি ভৱিষ্যত এজন সু-নাগৰিক হিচাপে সমাজত আত্ম-প্ৰতিষ্ঠা লাভ কৰিব পাৰে।

বিগত বছৰবোৰৰ দৰে এই বছৰো মহা-বিদ্যালয়ৰ বাৰ্ষিক উৎসৱ 'মহাবিদ্যালয় সপ্তাহ' বিভিন্ন কাৰ্য-সূচীৰে পালন কৰা হয়। খেল-বিভাগৰ ফালৰ পৰাও বিভিন্ন খেলৰ প্ৰতি-যোগিতা অনুষ্ঠিত কৰা হয়। খেল পথাৰত তেনেই সীমিত সংখ্যক ছাত্ৰ-ছাত্ৰী উপস্থিত আছিল যদিও উপস্থিত থকাসকলৰ ছাত্ৰ-ছাত্ৰী খিনিৰ মাজত যথেষ্ট উৎসাহ দেখা গৈছিল। কথা এবাৰ দুখেৰে উল্লেখ কৰিব লগীয়া হৈছে যে আমাৰ মহাবিদ্যালয়ত খেলৰ সামগ্ৰীসমূহ মজুত থকা সত্বেও প্ৰতিযোগীৰ সংখ্যা তেনেই নগণ্য আছিল। তথাপিও যি কেইজন প্ৰতিযোগীয়ে যোগদান কৰিছিল তেওঁলোকে আশানুৰূপ মানদণ্ডৰ খেল প্ৰদৰ্শন কৰি যোগ্যতাৰ পৰিচয় দিবলৈ সক্ষম হৈছিল। এই চেগতে তেওঁলোকৰ খেলুৱৈ জীৱনৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

এইবেলি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত আন্তঃ মহাবিদ্যালয় ফুটবল টুৰ্ণামেণ্ট অনুষ্ঠিত নোহোৱাত আমাৰ মহাবিদ্যালয়ত সুদক্ষ ফুটবল খেলুৱৈ থকা সত্বেও আন্তঃ মহাবিদ্যালয় পৰ্যায়ত আমি পাৰদৰ্শিতা দেখুওৱাৰ সুবিধা নাপালো। মই কাৰ্যভাৰ গ্ৰহণ কৰিয়ে কিছুমান খেলৰ সামগ্ৰীৰ প্ৰয়োজনীয়তাৰ বিষয়ে অধ্যক্ষ মহোদয়ক জনোৱাত তেওঁ সেইবোৰৰ যোগান ধৰে। কিন্তু আমাৰ ছাত্ৰ-ছাত্ৰীৰ ইচ্ছাৰ অভাৱত সেই সামগ্ৰীবোৰৰ আশানুৰূপ সৎ ব্যৱহাৰ যেন নহ'ল। সেয়েহে সমূহ ছাত্ৰ-ছাত্ৰীলৈ অনুৰোধ— তেওঁলোকে যেন খেলা-ধূলাৰ প্ৰতি অধিক মনোযোগী আৰু আগ্ৰহী হয়।

মোৰ কাৰ্যকালছোৱাত সকলো দিশৰ পৰা সহায়-সহযোগ আৰু দিহা-পৰামৰ্শ দি উপকৃত কৰা কাৰণে খেল বিভাগৰ তত্বাৱধায়ক অধ্যাপক

শ্ৰীযুত দ্বিজেন দাস চাৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তদুপৰি অধ্যক্ষ মাননীয় শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ আৰু মাননীয় শ্ৰীযুত মদন কাকতি চাৰদেৱলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে বিভিন্ন দিশত পদে পদে সহায় সহযোগিতা আগবঢ়োৱাৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সকলো সহকৰ্মীৰ উপৰিও তনুশ্ৰী, পদুমনী, পম্পা, ৰঞ্জু, প্ৰতিভা, ৰবী, ৰূপালী, নৱনীতা, ৰমেন, শিশিৰ, বাপ্পি, অক্ষয় জয়ন্ত, বানে আৰু অনিললৈ মোৰ আন্তৰিক ধন্যবাদ যাচিছোঁ।

অৱশেষত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ ধন্যবাদ যাচি আৰু সকলোৱে ওচৰত মোৰ জ্ঞাত অজ্ঞাত ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ আশু উন্নতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয় আই অসম।

**শ্ৰীভুদেৱ অধিকাৰী**
সম্পাদক, খেল বিভাগ
জৱাহৰলাল নেহৰু মহাবিদ্যালয়,
বকো।

# তর্ক আৰু আলোচনা চক্ৰৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল ছাত্ৰ ছাত্ৰীয়ে মোক তেওঁলোকক সেৱা কৰাৰ বাবে ১৯৯২–৯৩ চনৰ তৰ্ক আৰু আলোচনাচক্ৰৰ সম্পাদক ৰূপে নিৰ্বাচিত কৰিলে তেওঁলোকলৈ মোৰ আন্তৰিক নমস্কাৰ যাচিলোঁ। মোৰ কাৰ্যকালটো আছিল মোৰ বাবে সফলতা আৰু বিফলতাৰ মিশ্ৰিত সময়। হয়তো মহাবিদ্যালয়ৰ সৰ্বনিম্ন শ্ৰেণীৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰা বাবে কিম্বা মোৰ জ্ঞানৰ পৰিসীমা তেনেই সীমিত হোৱা বাবে মই দায়িত্ব পালন কৰাৰ ক্ষেত্ৰত হয়তো নানা দোষ-ত্ৰুটিৰ মাজেৰে অগ্ৰসৰ হ'বলগীয়া হৈছিলোঁ। প্ৰতিটো দোষ–ত্ৰুটিৰ বাবে সংশ্লিষ্ট সকলোৰে ওচৰত মই ক্ষমা ভিক্ষা মাগিছোঁ।।

মোৰ কাৰ্যকালৰ প্ৰথম পদক্ষেপতে পাইছিলোঁ মহাবিদ্যালয়খনৰ 'মহাবিদ্যালয় সপ্তাহ।' নিৰ্বাচনত আশানুৰূপভাবে ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰা দেখি ভাবিছিলোঁ 'মহাবিদ্যালয় সপ্তাহ'টোও তেওঁলোকৰ উপস্থিতিৰে সৰ্বতোপ্ৰকাৰে সাফল্য-মণ্ডিত হ'ব। কিন্তু কেইবা হেজাৰ টকা খৰচ কৰি পতা 'মহাবিদ্যালয় সপ্তাহ'ত ছাত্ৰ–ছাত্ৰীৰ আশানুৰূপ উপস্থিতি নেদেখি বাৰুকৈয়ে হতাশ হৈছিলোঁ। তদুপৰি লক্ষ্য কৰিছিলো বেছি-ভাগ ছাত্ৰ–ছাত্ৰীৰে যেন কোনো প্ৰতিযোগিতাত ভাগ লোৱাৰ এটা উৎসাহী মন নাই। মোৰ বিভাগৰ তৰ্ক, আবৃত্তি আৰু বিশেষকৈ বক্তৃতা প্ৰতিযোগিতাত মই প্ৰতিযোগী বিচাৰিব লগীয়া হৈছিল। দুই এটা প্ৰতিযোগিতাত প্ৰতিযোগীৰ সংখ্যা ইমানেই তাকৰ আছিল যে প্ৰতিযোগিতা বাতিল হোৱাৰ ভয়ত মই নিজেও সেইবোৰত প্ৰতিযোগী হিচাপে থিয় দিছিলোঁ। তাতোকৈ লাজৰ কথা এয়ে যে কোনো কোনো প্ৰতি-যোগিতাৰ সময়ত প্ৰেক্ষাগৃহত প্ৰতিযোগী কিছুমানক বিচাৰিব লগা হৈছিল আৰু নাম দিও সময়ত কিছু সংখ্যক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰা নাছিল। এইবোৰ খুব পৰিতাপৰ কথা। মহা-বিদ্যালয় এখন আগুৱাই নিয়াত আৰু আজিৰ বিশ্বত নিজক প্ৰতিষ্ঠা কৰাত ছাত্ৰ-ছাত্ৰীসকলে এনেবোৰ অনুষ্ঠানত ভাগ লোৱা নিতান্তই প্ৰয়োজন। চলিত সময় প্ৰতিযোগিতাৰ সময়। গতিকে নিজক প্ৰতিযোগিতাত প্ৰবৃত্ত কৰাবই লাগিব। আজিৰ সময় যুক্তিৰ সময়। এই যুক্তিৰ লগত অবিচ্ছেদ্যভাবে জড়িত আছে বাক্-পটুতাৰ। তৰ্ক, আলোচনাচক্ৰ আদিত ভাগ লোৱাৰ সেয়ে বিশেষ প্ৰয়োজন আছে। আশা কৰিছোঁ, মহাবিদ্যালয়ত পতা এনেকুৱা প্ৰতিটো অনুষ্ঠানৰে তাৎপৰ্য উপলব্ধি কৰি আৰু সেই-বোৰক শিক্ষাৰ এক অবিচ্ছেদ্য অংগ আৰু ভৱিষ্যত জীৱন গঢ়াৰ পাথেয় বুলি ধৰি লৈ প্ৰতি গৰাকী ছাত্ৰ ছাত্ৰীয়ে এইবোৰ অনুষ্ঠানত ঐকান্তিকতাৰে অংশ গ্ৰহণ কৰিব। 'মহাবিদ্যালয়

সপ্তাহ' মানে এসপ্তাহৰ বাবে মহাবিদ্যালয় বন্ধ—এনে ভ্ৰান্ত ধাৰণা যদি কোনো ছাত্ৰ ছাত্ৰীয়ে পোষণ কৰে তেনেহ'লে ভৱিষ্যতে নিজকে গঢ় দিয়াৰ বহু সুবিধাৰ পৰা বঞ্চিত হ'ব।

সৰ্বশেষত, মোৰ কাৰ্যকালত বিশেষ সহায় সহযোগিতা আগবঢ়োৱা বাবে মোৰ বিভাগৰ তত্বাৱধায়ক শিক্ষক পৰম শ্ৰদ্ধেয় মঃ মীৰাজ খান আৰু লগতে অন্যান্য শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ ছাত্ৰীসকললৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

**শ্ৰীসুশীল পাটোৱাৰী**
তৰ্ক আৰু আলোচনা
চক্ৰৰ সম্পাদক।

—:×:—

# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

সমাজ এখনক সৰ্বাঙ্গ সুন্দৰ কৰি গঢ়ি তোলাত মানুহে বিভিন্ন ধৰণে অৱদান আগবঢ়াব পাৰে। মোৰ অতি মৰমৰ মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়াব খুজিছিলো সমাজ সেৱা বিভাগৰ সম্পাদক ৰূপে। মোৰ আশাৰ প্ৰতি সঁহাৰি জনাই ১৯৯২-৯৩ চনৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভালৈ সমাজ সেৱা বিভাগৰ সম্পাদকৰূপে মোক নিৰ্বাচিত কৰা বাবে সমূহ বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক ধন্যবাদ জনাইছোঁ।

সম্পাদকৰ দায়িত্বভাৰ লোৱাৰ কেইদিনমান পিছতে 'মহাবিদ্যালয় সপ্তাহ' আৰম্ভ হয়। সেই উপলক্ষে মহাবিদ্যালয় চৌহদ পৰিষ্কাৰ কৰাৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত এখনি চাফাই প্ৰতিযোগিতা পতা হয়। উক্ত প্ৰতিযোগিতাত নিষ্ঠা সহকাৰে সেৱাৰ মনোভাৱ দেখুৱাবলৈ সমৰ্থ হোৱা প্ৰতিযোগীক নিৰ্বাচন কৰি পুৰস্কৃত কৰা হয়।

সমাজ সেৱাৰ সম্পাদক হিচাপে শপত গ্ৰহণ অনুষ্ঠানত দিয়া প্ৰতিশ্ৰুতি অনুসৰি কাম কৰিব পাৰিছো নে নাই তাৰ বিচাৰৰ ভাৰ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীৰ, শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলৰ আৰু সংশ্লিষ্ট কৰ্তৃপক্ষৰ।

বৰ্তমান কৰ্মৰ যুগ। কৰ্মৰ দ্বাৰাই নিজক, সমাজক তথা দেশৰ জনগণক আগবঢ়াই নিব পাৰি। মোৰ কাৰ্যকালত সমাজ সেৱাৰ কাম-কাজ মহাবিদ্যালয়ৰ চৌহদৰ ভিতৰতে সীমাৱদ্ধ ৰাখিব লগীয়া হ'ল। আশা কৰিছোঁ, পৰৱৰ্তী সম্পাদকসকলে সমাজ সেৱাৰ কাম মহাবিদ্যালয়ৰ চৌহদৰ বাহিৰলৈ প্ৰসাৰিত কৰিব পাৰিব।

মোৰ কাৰ্যকালছোৱাত সকলো প্ৰকাৰে সহায়-সহযোগিতা আগবঢ়োৱা বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱ আৰু সমাজ সেৱা বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত মদন কাকতিদেৱলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে সকলো সময়তে মোক সহায়-সহযোগিতা আগবঢ়োৱা বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক ধন্যবাদ যাচিছোঁ।

সমাজ সেৱা বিভাগৰ সম্পাদক ৰূপে গধুৰ দায়িত্ব পালনত অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে মাৰ্জনা বিচাৰি আৰু মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ঃ জয়তু 'জৱাহৰ জ্যোতি' ঃ

**শ্ৰীনিৰঞ্জন ৰাভা**

সম্পাদক, সমাজ সেৱা বিভাগ।

—ঃ★ঃ—

# ছাত্ৰ জিৰণি-কোঠাৰ সম্পাদকৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ আৰম্ভণিতে দেশ মাতৃৰ কাৰণে প্ৰাণ আহুতি দিয়া জ্ঞাত-অজ্ঞাত সকলো শ্বহীদলৈ মোৰ অশ্ৰুসিক্ত প্ৰণিপাত নিবেদন কৰিলোঁ।

১৯৯২-৯৩ চনৰ বাবে মোক জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হ'বলৈ সুযোগ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

বিগত বছৰবোৰৰ দৰে এই বেলিও 'মহাবিদ্যালয় সপ্তাহ' যথেষ্ট উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। ছাত্ৰ জিৰণি কোঠাৰ ফালৰ পৰাও কেৰম, ডবা, বেড্‌মিণ্টন খেল অনুষ্ঠিত কৰা হৈছিল। খেল সমূহত যথেষ্ট সংখ্যক প্ৰতিযোগীয়ে যোগদান কৰিছিল আৰু খেলবোৰো উচ্চমানৰ হৈছিল। প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা প্ৰতি গৰাকী প্ৰতিযোগীৰ মই উজ্বল ভৱিষ্যত কামনা কৰিলোঁ।

আমাৰ মহাবিদ্যালয়ৰ অভাৱ অভিযোগ বহুতো। কৰ্তৃপক্ষক এই বিষয়ে মোৰ পূৰ্বৱৰ্তী সম্পাদকসকলে দৃষ্টিগোচৰ কৰি আহিছে। আমি বিশ্বাস ৰাখিছোঁ, মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই অনতি-পলমে এই অভাৱসমূহ দূৰ কৰিব।

মোৰ কাৰ্যকালছোৱাত নানা দিহা পৰামৰ্শ দি সহায় কৰা বাবে ছাত্ৰ জিৰণি কোঠাৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত নবীন চন্দ্ৰ মুদিয়াৰ চাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে ছাত্ৰ বন্ধু ৰমেন, কুসুম, ৰামেশ্বৰ, বিচিত্ৰ, প্ৰফুল্ল, প্ৰদীপ আদিলৈও মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

সদৌ শেষত জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতিৰ কামনাৰে মোৰ প্ৰতিবেদনৰ মোখনি মাৰিলোঁ।

ধন্যবাদেৰে —

**শ্ৰীনিৰ্মল ৰাভা**

সম্পাদক, ছাত্ৰ জিৰণি কোঠা।

—ঃ□ঃ—

# ছাত্ৰী জিৰণি-কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

জয়জয়তে ১৯৯২-৯৩ ইং চনৰ বকো জৱাহৰ-লাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ পদত বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হ'বলৈ সুযোগকণ দিয়া বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ছাত্ৰী জিৰণি কোঠাৰ কাৰ্যভাৰ লোৱাৰ কেইদিনমান পিছতে 'মহাবিদ্যালয় সপ্তাহ' আৰম্ভ হয়। সেই উপলক্ষে ছাত্ৰী জিৰণি কোঠাৰ তৰফৰ পৰা কেৰম, বেডমিণ্টন, ডবা, চিলাই, পুষ্পসজ্জা, ৰিং, টেনিছ আদি প্ৰতিযোগিতাৰ লগতে পিঠা প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয়। মোৰ আশা অনুযায়ী প্ৰতিযোগিতা সমূহত যিমান বিলাক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰিব লাগিছিল সিমান বিলাকে নকৰিলে। তথাপিও অংশ গ্ৰহণ কৰা প্ৰতিযোগীৰে 'মহাবিদ্যালয় সপ্তাহ' সুকলমে পাৰ হৈ যায়। আশা কৰিছোঁ পৰৱৰ্তী কালত প্ৰতিযোগীৰ সংখ্যা বৃদ্ধি পাব।

এগৰাকী ছাত্ৰ বা ছাত্ৰীৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে শিক্ষানুষ্ঠানৰ নিৰ্দ্ধাৰিত পাঠ্যক্ৰমৰ উপৰিও খেল-ধেমালিৰ প্ৰয়োজনীয়তা অনস্বীকাৰ্য। আজিৰ যুগত খেল-ধেমালিয়ে সমগ্ৰ পৃথিৱীতে এক আলোড়নৰ সৃষ্টি কৰিছে। সেয়ে শিক্ষানুষ্ঠানৰ উপৰিও বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত খেলক প্ৰাধান্য দিয়া আজি পৰিলক্ষিত হৈছে।

এইখিনিতে ছাত্ৰীসকলে বহুদিনৰ পৰা অনুভৱ কৰি অহা এটি প্ৰধান অসুবিধাৰ কথা উন্মুকিয়াব খুজিছোঁ। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীৰ অনু-পাতে ছাত্ৰী জিৰণি কোঠাটো যথেষ্ট সৰু হোৱা বাবে ছাত্ৰীসকলৰ বহুতে সময়ত গছৰ তলত জিৰণি ল'বলগীয়াত পৰে। সেয়ে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক বিনীত অনুৰোধ জনাওঁ যেন ইয়াৰ এটি সুব্যৱস্থা অতি সোনকালে কৰে।

মোৰ কাৰ্যকালছোৱাত মোৰ দায়িত্বসমূহ পালন কৰাত বিভিন্ন দিহা পৰামৰ্শ দি সহায় কৰা বাবে ছাত্ৰী জিৰণি কোঠাৰ তত্ত্বাৱধানত থকা অধ্যাপিকা শ্ৰীযুতা নন্দা দেৱী আৰু খেল বিভাগৰ অধ্যাপক শ্ৰীযুত দ্বিজেন দাস চাৰ প্ৰমুখ্যে মহাবিদ্যালয়ৰ আন আন চাৰ বাইদেউ সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ। পাঞ্জা খেলত বিশেষ ধৰণে সহায়-সহযোগিতা আগবঢ়োৱা চাৰ সকললৈও মই কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে ছাত্ৰী বান্ধৱী প্ৰণতী, ৰেৱতী, ললিতা, বীণা, প্ৰতিভা, গীতা, সুশীলা আৰু ছাত্ৰ বন্ধু ৰমেন, শঙ্কৰ, জীৱেশ্বৰ, ৰাজীৱ আৰু ভাতৃলেখীয়া বিৰিঞ্চি, সুশীললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে মোলৈ আগবঢ়োৱা অকপট সহায়-সহযোগিতাৰ স্মৃতি মোৰ মানসপটত সদায় অঙ্কিত হৈ থাকিব।

পৰিশেষত মোৰ কাৰ্যকালছোৱাত অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি মহাবিদ্যা-লয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি প্ৰতিবেদন ইমানতে সামৰিলোঁ।

।। জয়তু 'জৱাহৰ জ্যোতি' ।।

**মিচ্ বীণা নাথ,**

সম্পাদিকা, ছাত্ৰী-জিৰণি কোঠা।

# আলোচনী সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে দেশমাতৃৰ কাৰণে যি সকলে নিজৰ মৃত্যুকো আঁকোৱালি লৈ জ্ঞাত অজ্ঞাতভাৱে শ্বহীদ হ'ল, সেই সকল মৃত্যুঞ্জয়ী বীৰলৈ মোৰ শ্ৰদ্ধা আৰু অশ্ৰু অঞ্জলি যাচিছো।

বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্য নিৰ্বাহক পৰিষদৰ ছাত্ৰ প্ৰতিনিধি হিচাপে আলোচনী সম্পাদকৰ পদত মোক নিৰ্বাচিত কৰি আলোচনীখনৰ গুৰু দায়িত্ব লোৱাৰ সুযোগকণ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছোঁ।

সাহিত্যক বাদ দি সুসংস্কৃতিসম্পন্ন জাতি এটাৰ কথা ভবাটো তেনেই অমূলক। সাহিত্য হৈছে যিকোনো জাতি সত্তাৰ বিবেক আৰু বৌদ্ধিক প্ৰগতিশীলতাৰ দাপোণ স্বৰূপ। সাহিত্যৰ মাধ্যমেৰে যিদৰে সুসংস্কৃতিসম্পন্ন জাতি এটাক জানিব পাৰি, সেইদৰে মহাবিদ্যালয়ৰ 'মুখপত্ৰ' বা আলোচনীখন পঢ়ি মহাবিদ্যালয় এখনৰ প্ৰতিচ্ছবি পাব পাৰি। সাধাৰণতে মহাবিদ্যালয় এখনৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন বিষয়ৰ জ্ঞান-বুদ্ধি, প্ৰতিভাসমূহ বিকাশ কৰাৰ উদ্দেশ্যে মহাবিদ্যালয়ৰ মুখপত্ৰখন প্ৰকাশ কৰা হয়।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ কেইদিনমান পিছতে মহাবিদ্যালয়ৰ বছৰেকীয়া আকৰ্ষণীয় অনুষ্ঠান 'মহাবিদ্যালয় সপ্তাহ' উদ্‌যাপিত হয়। 'মহাবিদ্যালয় সপ্তাহ'ৰ এক অপৰিহাৰ্য অংশ হিচাপে সাহিত্য প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছিল। এই প্ৰতিযোগিতাৰ বিষয় বস্তু আছিল অসমীয়া চুটি গল্প আৰু অসমীয়া কবিতা। উপযুক্ত বিবেচিত প্ৰতিযোগীসকলক একোখন প্ৰমাণ পত্ৰৰ সৈতে পুৰস্কাৰ প্ৰদান কৰা হয়।

ইয়াৰ পিচত ১৯৯২-৯৩ শিক্ষাবৰ্ষৰ 'নৱাগত আদৰণি' সভা উপলক্ষে মহাবিদ্যালয়ৰ ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকলৰ ৰচনাৰে 'প্ৰাচীৰ পত্ৰিকা' উলিওৱা হয়। এই 'প্ৰাচীৰ পত্ৰিকা'খন মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ দ্বাৰা সমূহ ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত উন্মোচন কৰা হয়।

মহাবিদ্যালয়ৰ আলোচনী এখন প্ৰকাশ কৰি উলিয়াওঁতে নানা সমস্যা বা অসুবিধাৰ সমুখীন হ'বলগীয়া হয়। আমি সমুখীন হোৱা অসুবিধা বিলাকৰ ভিতৰত প্ৰধান অসুবিধা আছিল বাবে বাৰে জাননী দিয়াৰ পিচতো ছাত্ৰ-ছাত্ৰীৰ পৰা সময়মতে লিখনি নোপোৱা আৰু তদুপৰি প্ৰাপ্ত লিখনিসমূহৰো বেছি ভাগৰে মানদণ্ড আশানুৰূপ নোহোৱা। যিকোনো কাৰণতে নহওক কিয় সময়মতে আলোচনীখন আপোনালোকৰ হাতত তুলি দিব নোৱাৰা বাবে আপোনালোকৰ ওচৰত কৰযোৰে ক্ষমা বিচাৰিছোঁ। লগতে আশা কৰিছোঁ, মোৰ পৰৱৰ্তী আলোচনীবোৰ যাতে সময়মতে প্ৰকাশ পায় তাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে যেন সময়মতে মানবিশিষ্ট লিখনি সম্পাদকৰ হাতত জমা দিয়াৰ চেষ্টা কৰে।

আলোচনীখন প্ৰকাশ কৰাত নানান মূল্যবান দিহা-পৰামৰ্শৰে উৎসাহিত আৰু সহায় কৰা বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱ, অধ্যাপক শ্ৰীযুত বসন্ত দত্তদেৱ, অধ্যাপক শ্ৰীলক্ষীকান্ত শৰ্মাদেৱ আৰু অধ্যাপক শ্ৰীযুত মৃগেন্দ্ৰ কুমাৰ শৰ্মাদেৱক কৃতজ্ঞতাৰে সুঁৱৰিছো। আলোচনীখনৰ তত্বাৱধানৰ গুৰু দায়িত্ব লৈ সকলো ফালৰ পৰা অকুণ্ঠ সহায় সহযোগ, দিহা-পৰামৰ্শ আগবঢ়াই যথেষ্ট কষ্ট কৰি আলোচনীখন যথা সম্ভৱ নিখুঁতভাৱে প্ৰকাশ কৰা বাবে অধ্যাপক শ্ৰীযুত দিলীপ দাসদেৱৰ ওচৰত মই চিৰকৃতজ্ঞ।

'প্ৰাচীৰ পত্ৰিকা'খন প্ৰকাশ কৰোঁতে অশেষ কষ্ট কৰি সহায় কৰা বাবে অধ্যাপক শ্ৰীযুত প্ৰাণেশ্বৰ নাথদেৱ, আলোচনী তত্বাৱধায়ক শ্ৰীযুত দিলীপ দাসদেৱ, অধ্যাপক শ্ৰীযুত মৃগেন্দ্ৰ কুমাৰ শৰ্মাদেৱ আৰু অধ্যাপক শ্ৰীযুত বসন্ত কুমাৰ দত্তদেৱৰ লগতে ছাত্ৰ বন্ধু শ্ৰীগণেশ চন্দ্ৰ বড়ো, শ্ৰীবেদান্ত ডেকা, শ্ৰীসত্যজিৎ তালুকদাৰ, শ্ৰীগোবৰ্দ্ধন ৰাভা, শ্ৰীজগদীশ ৰাভা, শ্ৰীলোহিত কলিতা, শ্ৰীখৰ্গেশ্বৰ ৰাভা, শ্ৰীজগৎ চন্দ্ৰ দাস, শ্ৰীকুসুম ডেকা আৰু শ্ৰীহেমন্ত মহন্তলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছো। তদুপৰি মোৰ কাৰ্যকালত বিভিন্ন প্ৰকাৰে সহায়-সহযোগিতা কৰা বাবে ছাত্ৰ একতা সভাৰ সমূহ সদস্য-সদস্যা আৰু ছাত্ৰ বন্ধু প্ৰণৱ, কুসুম, প্ৰফুল্ল, মানবেন্দ্ৰ, ৰাজীৱ, যোগেশ, চন্দন, বিশ্ব, হীৰুমণি, ছাহিদ, বাসৱ আৰু বান্ধৱী হীৰামণি, ৰীণা, বীণা, শান্তাৰ লগতে সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ আন্তৰিক ধন্যবাদ নিবেদিছোঁ। এইখিনিতে আলোচনীখন সৰ্বাঙ্গসুন্দৰকৈ ছপা কৰি আমাৰ হাতত তুলি দিবলৈ যত্নৰ ত্ৰুটি নকৰা মিৰ্জাৰ 'জনতা প্ৰেছ'ৰ স্বত্বাধিকাৰী শ্ৰীযুত যোগেশ চন্দ্ৰ পাল ডাঙৰীয়াৰ লগতে প্ৰেছৰ সমূহ কৰ্মীবৃন্দলৈ মোৰ আন্তৰিক ধন্যবাদ থাকিল।

সদৌ শেষত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ ছাত্ৰী, অধ্যাপক-অধ্যাপিকা আৰু কৰ্মীবৃন্দলৈ মোৰ আন্তৰিক ধন্যবাদ জনালোঁ। সাংস্কৃতিক বিভাগৰ সম্পাদক শ্ৰীজীৱেশ্বৰ পাঠকে তেওঁৰ সম্পাদকীয় প্ৰতিবেদন জমা নিদিয়া কাৰণে উক্ত প্ৰতিবেদনখন আলোচনীত প্ৰকাশ কৰিব নোৱাৰি আমি দুঃখিত। এই অনিচ্ছাকৃত ত্ৰুটি আৰু অন্যান্য সকলো জ্ঞাত-অজ্ঞাত ত্ৰুটিৰ বাবে সংশ্লিষ্ট সকলোৰে ওচৰত ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ঃ জয়তু 'জৱাহৰ জ্যোতি' ঃ

**শ্ৰীক্ষীৰোদ কুমাৰ চৌধুৰী**

সম্পাদক, 'জৱাহৰ জ্যোতি'।

—ঃ★ঃ—

## ১৯৯২-৯৩ চনৰ মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত কৰা বিভিন্ন প্ৰতিযোগিতাৰ ফলাফলসমূহ ঃ

**খেল-ধেমালি ( ল'ৰাৰ ) ঃ**

১০০ মিটাৰ দৌৰ ঃ

১ম—শ্ৰীৰূপকুমাৰ ৰাভা [ উঃ মাঃ ১ম ]
২য় " সুমিত ৰাভা [ উঃ মাঃ ১ম ]

২০০ মিটাৰ দৌৰ ঃ

১ম —শ্ৰীৰূপকুমাৰ ৰাভা [ উঃ মাঃ ১ম ]
২য় " জয়ন্ত বড়ো [ উঃ মাঃ ১ম ]

৪০০ মিটাৰ দৌৰ ঃ

১ম—শ্ৰীভোগেশ্বৰ বড়ো [ স্নাতক ২য় ]
২য়—" ৰূপকুমাৰ ৰাভা [ উঃ মাঃ ১ম ]

৮০০ মিটাৰ দৌৰ ঃ

১ম —শ্ৰীৰূপকুমাৰ ৰাভা [ উঃ মাঃ ১ম ]
২য়—মঃ ৰেজাক আলি [ স্নাতক ১ম ]
৩য় - শ্ৰীজয়ন্ত বড়ো [ উঃ মাঃ ১ম ]

১৫০০ মিটাৰ দৌৰ ঃ

১ম—শ্ৰীৰূপকুমাৰ ৰাভা [ উঃ মাঃ ১ম ]
২য়—" গোলাপ দাস [ উঃ মাঃ ১ম ]
৩য় - " লক্ষেশ্বৰ ৰাভা [ উঃ মাঃ ১ম ]

**ছট্‌পুট থ্ৰ' ঃ**

১ম—শ্ৰীকেশৱ বড়ো [ উঃ মাঃ ২য় ]
২য়—" ভূমিধৰ ৰাভা [ উঃ মাঃ ১ম ]

**জেভ্‌লিন থ্ৰ' ঃ**

১ম —শ্ৰীকেশৱ বড়ো [ উঃ মাঃ ২য় ]
২য় —" ভূমিধৰ ৰাভা [ উঃ মাঃ ১ম ]

**ডিচ্‌কাচ থ্ৰ' ঃ**

১ম — শ্ৰীঅমৰেন্দ্ৰ ৰাভা [উঃ মাঃ ১ম, বিজ্ঞান]
২য়—" হীৰেণ ৰাভা [ উ. মাঃ ২য় ]

পাঞ্জাখেল ঃ

১ম — শ্ৰীকেশৱ বড়ো [ উঃ মাঃ ২য় ]
২য় " শংকৰ পাঠক [ স্নাতক ১ম ]

**ৰিলেৰেচ ঃ**

১ম—শ্ৰীজয়ন্ত বড়ো [ উঃ মাঃ ১ম ]
" গোলাপ দাস [ উঃ মাঃ ১ম ]
" বিপিন ৰাভা [ উঃ মাঃ ১ম ]
মঃ ৰেজাক আলী [ স্নাতক ১ম ]
২য়— শ্ৰীৰূপকুমাৰ ৰাভা [ উঃ মাঃ ১ম ]
" সঞ্জয় ৰয় [ উঃ মাঃ ১ম ]
" ভীষ্ম ৰাভা [ উঃ মাঃ ১ম ]
" প্ৰণৱ ৰাভা [ উঃ মাঃ ১ম ]

**ভলীবল ঃ**

বিজয়ী দল উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিক দল।

ৰাণাৰ্চআপ ঃ স্নাতক প্ৰথম বাৰ্ষিক দল।

**ক্ৰিকেটঃ**

বিজয়ী দল—স্নাতক দ্বিতীয়-তৃতীয় বাৰ্ষিক দল
ৰাণাৰ্চ আপ—উচ্চতৰ মাধ্যমিক দ্বিতীয় দল
Best Bowler—শ্ৰীসত্যজিৎ তালুকদাৰ [স্নাতক২য়]
Man of the Match–শ্ৰীসত্যজিৎ তালুকদাৰ [ঐ]

Man of the Series—শ্ৰীবেদান্ত কুমাৰ ডেকা
[ স্নাতক ৩য় ]

বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ : ( ল'ৰা )
শ্ৰীৰূপকুমাৰ ৰাভা [ উঃ মাঃ ১ম ]

বিশেষ পুৰস্কাৰ—
শ্ৰীজয়ন্ত বড়ো [ উঃ মাঃ ১ম ]

আন্তঃ বিশ্ববিদ্যালয় ফুটবলৰ প্ৰতিযোগিতাত যোগদান কৰা বাবে।

**খেল-ধেমালি : ( ছোৱালীৰ )**

১০০ মিটাৰ দৌৰ :
১ম—মিচ্ হিড়িম্বা হাজোৰাৰী [উঃ মাঃ ১ম বিঃ]
২য়—মিচ্ বীণা দাস [স্নাতক ১ম]

২০০ মিটাৰ দৌৰ :
১ম—মিচ্ হিড়িম্বা হাজোৰাৰী [উঃ মাঃ ১ম বিঃ]
২য়-" বীণা দাস [স্নাতক ১ম]

৪০০ মিটাৰ দৌৰ :
১ম—মিচ্ হিড়িম্বা হাজোৰাৰী [উঃ মাঃ ১ম, বিঃ]
২য়—" বীণা দাস [ স্নাতক ১ম ]

**লং জাম্প :**
১ম— মিচ্ হিড়িম্বা হাজোৰাৰী [উঃ মাঃ ১ম বিঃ]
২য়—" বীণা দাস [ স্নাতক ১ম ]

**জেভ্লিন থ্ৰ' :**
১ম— মিচ্ মৃণালিনী বৰ্মন [ স্নাতক ১ম ]
২য়—" বীণা নাথ [ স্নাতক ১ম ]

**ডিচ্কাচ থ্ৰ' :**
১ম মিচ্ মৃণালিনী বৰ্মন [স্নাতক ১ম ]
২য় " হিড়িম্বা হাজোৰাৰী [উঃ মাঃ ১ম, বি]

**চট্‌পুট থ্ৰ' :**
১ম মিচ্ হিড়িম্বা হাজোৰাৰী [উঃ মাঃ ১ম বিঃ]
২য় ,, মৃণালিনী বৰ্মন [স্নাতক ১ম]

**বছৰৰ শ্ৰেষ্ঠা খেলুৱৈ : ( ছোৱালী )**
মিচ্ হিড়িম্বা হাজোৰাৰী [উঃ মাঃ, বিঃ ]

**ছাত্ৰ জিৰণি-কোঠাৰ প্ৰতিযোগিতাসমূহৰ ফলাফল :**

**কেৰম : ( একক )**
বিজয়ী—শ্ৰীঅমিতাভ বড়া [উঃ মাঃ ১ম ]
ৰাণাৰ্চ আপ : শ্ৰীবিপুল বৈশ্য [ স্নাতক ১ম ]

**কেৰম : ( দ্বৈত )**
বিজয়ী : শ্ৰীমণিকূট বায়ন [ উঃ মাঃ ১ম ]
" মানবেন্দ্ৰ পাটগিৰি [উঃ মাঃ ১ম]
ৰাণাৰ্চ আপ : মঃ ৰেজ্জাক আলী [স্নাতক ১ম]
শ্ৰীমতিলাল বসুমতাৰী [স্নাতক ২য়]

**বেডমিণ্টন : ( একক )**
বিজয়ী : শ্ৰীপ্ৰশান্ত কলিতা ( স্নাতক ৩য় )
ৰাণাৰ্চ আপ : শ্ৰীৰমেন কলিতা ( স্নাতক ১ম )

**বেডমিণ্টন : ( দ্বৈত )**
বিজয়ী : শ্ৰীৰমেন কলিতা ( স্নাতক ১ম )
" প্ৰশান্ত কলিতা ( স্নাতক ৩য় )
ৰাণাৰ্চ আপ : শ্ৰীশংকৰ পাঠক ( স্নাতক ১ম )
" বিৰিঞ্চি পাঠক (উঃ মাঃ ১ম)

**মিক্সদ্ ডাবল বেডমিণ্টন :**
বিজয়ী : শ্ৰীৰমেন কলিতা ( স্নাতক ১ম )
মিচ্ দীপাঞ্জলি কলিতা ( স্নাতক ৩য় )
ৰাণাৰ্চ আপ : শ্ৰীপ্ৰশান্ত কলিতা (স্নাতক ৩য়)
মিচ্ প্ৰণীতা দাস ( স্নাতক ৩য় )

**ডবা খেল :**
বিজয়ী : শ্ৰীমতিলাল বসুমতাৰী (স্নাতক ২য়)
ৰাণাৰ্চ আপ : শ্ৰীহেমন্ত কুমাৰ মহন্ত ( স্নাতক ১ম )

**ছাত্ৰী-জিৰণি কোঠাৰ প্ৰতিযোগিতাসমূহৰ ফলাফল :**

**কেৰম : ( একক )**

বিজয়ী : মিচ্ দীপাঞ্জলি কলিতা (স্নাতক ৩য়)
ৰাণাৰ্চআপ : শ্ৰীবীণাপাণি নাথ (স্নাতক ১ম)

**কেৰম : ( দ্বৈত )**

বিজয়ী : মিচ্ বীণা নাথ ( স্নাতক ১ম)
মিচ্ বীণাপাণি নাথ ( স্নাতক ১ম)
ৰাণাৰ্চআপ : মিচ্ দীপাঞ্জলি কলিতা ( স্নাতক ৩য় )
মিচ্ ললিতা ৰায় (উঃ মাঃ ১ম)

**বেড্‌মিণ্টন : [ একক ]**

বিজয়ী : মিচ্ বীণা নাথ ( স্নাতক ১ম )
ৰাণাৰ্চআপ : মিচ বীণাপাণি নাথ (স্নাতক ১ম)

**বেড্‌মিণ্টন : ( দ্বৈত )**

বিজয়ী : মিচ্ দীপাঞ্জলি কলিতা (স্নাতক ৩য়)
মিচ্ প্ৰণীতা দাস ( স্নাতক ৩য়)
ৰাণাৰ্চআপ : মিচ্ বীণা নাথ (স্নাতক ১ম)
মিচ্ বীণাপাণি নাথ (স্নাত ১ম)

**ৰিং : ( একক )**

বিজয়ী : মিচ্ বীণা নাথ ( স্নাতক ১ম )
ৰাণাৰ্চআপ : মিচ্ ৰেৱতী ৰাভা (স্নাতক ১ম)

**ৰিং : ( দ্বৈত )**

বিজয়ী : মিচ্ ললিতা ৰয় ( উঃ মাঃ ১ম )
মিচ্ অঞ্জনা ৰাভা ( স্নাতক ১ম )
ৰাণাৰ্চআপ : মিচ্ বীণাপাণি নাথ (স্নাতক ১ম)
মিচ্ বীণা নাথ ( স্নাতক ১ম )

**পাঞ্জা খেল :**

বিজয়ী : মিচ্ হিড়িম্বা হাজোৰাৰী ( উঃ মাঃ ১ম, বিজ্ঞান )
ৰাণাৰ্চআপ : মিচ্ ধৰিত্ৰী গগৈ (স্নাতক ১ম)

**থিতাতে চিলাই প্ৰতিযোগিতা :**

১ম—মিচ্ দীপাঞ্জলি কলিতা (স্নাতক ৩য়)
২য়—মিচ্ সৰলা কলিতা ( স্নাতক ১ম )
৩য়—প্ৰতিভা মেধি ( উঃ মাঃ ২য় )

**পিঠা প্ৰতিযোগিতা :**

নিচুকণি বঁটা : মিচ্ প্ৰতিভা মেধি ( উঃ মাঃ ২য় )

**ডবা প্ৰতিযোগিতা :**

বিজয়ী : মিচ্ দীপাঞ্জলি কলিতা ( স্নাতক ৩য়)
ৰাণাৰ্চআপ : বীণা নাথ ( স্নাতক ১ম )

**পৰম্পৰাগত সাজ-পাৰ প্ৰতিযোগিতা :**

১ম—মিচ্ ডালিমী গোস্বামী ( স্নাতক ২য় )
২য়—মিচ্ হিড়িম্বা হাজোৰাৰী ( উঃ মাঃ ১ম, বিজ্ঞান )

**পুষ্পসজ্জা :**

১ম—মিচ্ ডালিমী গোস্বামী ( স্নাতক ২য় )
২য়—মিচ্ যুথিকা কাকতি ( স্নাতক ১ম )

**সমাজ সেৱা বিভাগত পুৰস্কৃত সকল :**

১। শ্ৰীপ্ৰদীপ কুমাৰ মেধি [স্নাতক ১ম]
২। ,, ৰূপকুমাৰ ৰাভা [উঃ মাঃ ১ম]
৩। ,, ৰঞ্জিত নাথ [স্নাতক ১ম]
৪। ,, ৰামেশ্বৰ কলিতা [ ,, ১ম ]
৫। ,, প্ৰফুল্ল ৰাভা [ ,, ১ম ]
৬। ,, নৰপতি বড়ো [ ,, ১ম ]
৭। ,, নিপুণ ৰাভা [ ,, ১ম ]

৮। শ্ৰীজ্যোতিষ ৰাভা [ উঃ মাঃ ১ম ]
৯। ,, ভূমিধৰ ৰাভা [ উঃ মাঃ ১ম ]
১০। মিচ্ অনুপমা বড়ো [উঃ মাঃ ১ম ]
১১। ,, সুখলতা দাস [উঃ মাঃ ১ম]
১২। শ্ৰীসিদ্ধাৰ্থ ৰাভা [স্নাতক ১ম]
১৩। ,, শান্তি ৰাম ৰাভা [ ,, ১ম ]
১৪। মিচ্ পদুমণি চৌধুৰী [উঃ মাঃ ১ম]
১৫। শ্ৰীকুমুদ বড়ো [উঃ মাঃ ১ম]
১৬। ,, টিকেন নাথ [উঃ মাঃ ১ম]
১৭। ,, মলান দাস [স্নাতক ১ম]
১৮। ,, লক্ষেশ্বৰ বড়ো [উঃ মাঃ ১ম]
১৯। ,, কুসুম কুমাৰ ডেকা [ স্নাতক ১ম ]

## তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ প্ৰতিযোগিতা সমূহৰ ফলাফল ঃ

**আকস্মিক বক্তৃতা ঃ**

১ম—শ্ৰীজগত চন্দ্ৰ দাস [ স্নাতক ১ম ]
২য়—,, মানবেন্দ্ৰ ৰয় [ স্নাতক ১ম ]

**অসমীয়া কবিতা আবৃত্তি ঃ**

১ম—মিচ্ বীণাপাণি নাথ [ স্নাতক ১ম ]
২য়—শ্ৰীক্ষীৰোদ কুমাৰ চৌধুৰী [ স্নাতক ১ম ]

**ইংৰাজী কবিতা আবৃত্তি ঃ**

১ম—শ্ৰীনিলীম দত্ত [ স্নাতক ১ম ]
২য়—,, সুশীল পাটোৱাৰী [ উঃ মাঃ ১ম, বিঃ]

**তৰ্ক প্ৰতিযোগিতা ঃ**

১ম—শ্ৰীসুশীল পাটোৱাৰী [ উঃ মাঃ ১ম, বিঃ]
২য়—,, জগত চন্দ্ৰ দাস [ স্নাতক ১ম ]

**আলোচনা চক্ৰ ঃ**

১ম—শ্ৰীজগত চন্দ্ৰ দাস [ স্নাতক ১ম ]
২য়—,, লক্ষণ ৰাভা [ ,, ৩য় ]
মিচ্ পদুমণি চৌধুৰী [ উঃ মাঃ ১ম ]

**কুইজ প্ৰতিযোগিতা ঃ**

১ম শ্ৰীনিলীম দত্ত [ স্নাতক ১ম ]
,, ৰাজীৱ ৰাভা [ ,, ৩য় ]
,, অপূৰ্ব ৰয় [ উঃ মাঃ ১ম, বিঃ ]
২য়—মিচ্ যুথিকা কাকতি [ স্নাতক ১ম ]
শ্ৰীজগত চন্দ্ৰ দাস [ ,, ১ম ]
" বাসৱ ঠাকুৰীয়া [ ,, ১ম ]

## সাহিত্য বিভাগৰ প্ৰতিযোগিতা সমূহৰ ফলাফল ঃ

**কবিতা ( অসমীয়া ) প্ৰতিযোগিতা ঃ**

১ম—শ্ৰীদিগন্ত কুমাৰ ৰাভা [ স্নাতক ২য় ]
" অৰুণ চন্দ্ৰ বড়ো [ " ২য় ]
২য়—শ্ৰীসত্য শংকৰ নাথ [ " ১য় ]
" জীৱেশ্বৰ পাঠক [ " ১ম ]
" লক্ষীধৰ বড়ো [ উঃ মাঃ ২য় ]

**গল্প ( অসমীয়া ) প্ৰতিযোগিতা ঃ**

১ম— শ্ৰীহেমন্ত কুমাৰ মহন্ত [ স্নাতক ১ম ]
২য়— " সুশীল পাটোৱাৰী [ উঃ মাঃ ১ম, বিঃ]
" ক্ষীৰোদ কুমাৰ চৌধুৰী [স্নাতক ১ম]

## সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতা সমূহৰ ফলাফল ঃ

**বৰগীত ঃ**

১ম—মিচ পদুমী পাঠক [ স্নাতক ৩য় ]
২য়—" হীৰামণি দেৱী [ স্নাতক ১ম ]

**ভজন ঃ**

১ম— মিচ হীৰামণি দেৱী [ স্নাতক ১ম ]
২য়—" পদুমী পাঠক [ স্নাতক ৩য় ]

**খেয়াল ঃ**

১ম—মিচ হীৰামণি দেৱী [ স্নাতক ১ম ]
২য়— নিৰঞ্জন দৈমাৰী [ উঃ মাঃ ১ম ]

**জিকিৰ :**

১ম—মঃ কাছেৰ আলী [ উঃ মা ১ম ]
২য়—শ্ৰীপ্ৰদীপ কলিতা [ স্নাতক ২য় ]

**গজল :**

১ম—শ্ৰীপ্ৰাঞ্জল চৌধুৰী ( উঃ মাঃ ১ম ))
মিচ্ পদুমী পাঠক ( স্নাতক ৩য় )
২য়—শ্ৰীপ্ৰদীপ কলিতা ( স্নাতক ২য় )

**লোক গীত :**

১ম—মিচ্ হীৰামণি দেৱী ( স্নাতক ১ম )
২য়—শ্ৰীপ্ৰদীপ কলিতা ( স্নাতক ২য় )

**বন গীত :**

১ম—মিচ্ মীনা বড়ো ( উঃ মাঃ ১ম )
শ্ৰীপ্ৰাঞ্জল চৌধুৰী ( উঃ মাঃ ১ম )
২য়—মিচ্ পদুমী পাঠক ( স্নাতক ৩য় )
শ্ৰীপ্ৰদীপ কলিতা ( স্নাতক ২য় )

**বিহু গীত :**

১ম—শ্ৰীসুৰেশ চন্দ্ৰ দাস ( স্নাতক ১ম )
" প্ৰদীপ কলিতা ( স্নাতক ২য় )
২য়—শ্ৰীপ্ৰাঞ্জল চৌধুৰী ( উঃ মাঃ ১ম )

**বড়ো গীত :**

১ম—মিচ্ মীনা বড়ো ( উঃ মাঃ ১ম )
২য়—শ্ৰীপ্ৰদীপ কলিতা ( স্নাতক ২য় )

**ৰাভা গীত :**

১ম—শ্ৰীপ্ৰদীপ কলিতা ( স্নাতক ২য় )
২য়—মিচ্ মীনা বড়ো ( উঃ মাঃ ১ম )
" পদুমী পাঠক ( স্নাতক ৩য় )
শ্ৰীপ্ৰাঞ্জল চৌধুৰী ( উঃ মাঃ ১ম )

**জ্যোতি সংগীত :**

১ম—শ্ৰীপ্ৰাঞ্জল চৌধুৰী ( উঃ মাঃ ১ম )
২য় মিচ্ হীৰামণি দেৱী ( স্নাতক ১ম )
" পদুমী পাঠক ( স্নাতক ৩য় )

**বিষ্ণুৰাভা সংগীত :**

১ম—শ্ৰীপ্ৰদীপ কলিতা [ স্নাতক ২য় ]
২য়—" প্ৰাঞ্জল চৌধুৰী [ উঃ মাঃ ১ম ]

**ভূপেন্দ্ৰ সংগীত :**

১ম—শ্ৰীপ্ৰদীপ কলিতা [ স্নাতক ২য় ]
২য়—শ্ৰীপ্ৰাঞ্জল চৌধুৰী [ উঃ মাঃ ১ম ]
মিচ্ মীনা বড়ো [ উঃ মাঃ ১ম ]

**আধুনিক গীত :**

১ম শ্ৰীপ্ৰাঞ্জল চৌধুৰী [ উঃ মাঃ ১ম ]
২য় মিচ পদুমী পাঠক [ স্নাতক ৩য় ]

**একক অভিনয় :**

১ম—মিচ্ গীতাঞ্জলি দেৱী [ উঃ মাঃ ১ম ]
২য় শ্ৰীভূদেৱ অধিকাৰী [ স্নাতক ১ম ]

**একক বিহুনৃত্য :**

১ম- মিচ্ প্ৰণীতা দাস [ স্নাতক ৩য় ]
২য়—" সুশীলা ৰাভা [ স্নাতক ১ম ]

**ভেশ্চন :**

১ম—মিচ্ তুলিকা বড়ো [ উঃ মাঃ ১ম ]
২য়—মিচ্ বীণাপাণি নাথ [ স্নাতক ১ম ]

**বছৰৰ শ্ৰেষ্ঠ সংগীত প্ৰতিযোগী :**

শ্ৰীপ্ৰদীপ কলিতা [ স্নাতক ২য় ]

—:★:—

## স্মৰণীয় ঃ

"মই সদায় আনুষ্ঠানিক খিতাপ আৰু পুৰস্কাৰ গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰি আহিছো। যি লেখকে এনেকুৱা ৰাজহুৱা সন্মান গ্ৰহণ কৰে তেওঁ এজন ব্যক্তিৰ পৰিৱৰ্তে এটা অনুষ্ঠানত পৰিণত হয়, আৰু তাৰ ফলত তেওঁৰ পাঠকসকলৰ ওপৰত এটা অন্যায় হেঁচা দিয়া হয়। মই কেৱল 'জঁা পল ছাত্ৰে' বুলি চহী কৰা আৰু 'নবেল বঁটা-বিজয়ী জঁা পল ছাত্ৰে' বুলি চহী কৰা—এই দুয়োটা কথা কেতিয়াও একে হ'ব নোৱাৰে।"—

—জঁা পল ছাত্ৰে।

"এজন আশাশুধীয়া বিবেকবান লেখকে লেখিবলৈ বহাৰ লগে লগে নিজকে অন্ততঃ চাৰিটা প্ৰশ্ন সুধিব ঃ মই কি কৰিবলৈ চেষ্টা কৰিছো? কোনবোৰ শব্দই মোৰ বক্তব্য স্পষ্টভাবে প্ৰকাশ কৰিব? কোনবোৰ বাক-প্ৰতিমা আৰু কেনেকুৱা ঠাঁচে তাক স্পষ্টতৰ কৰি তুলিব? সেই বাক-প্ৰতিমাবোৰ তাৰ অভীষ্ট উদ্দেশ্য সিদ্ধ কৰিবৰ জোখাৰে যথেষ্ট পৰিমাণে নতুন আৰু সজীৱ হয়নে? লেখকজনে এই চাৰিটা প্ৰশ্নৰ উপৰিও সম্ভৱতঃ আৰু দুটা প্ৰশ্ন নিজকে সুধিব ঃ মই আৰু বেছি সংক্ষেপে নিজৰ বক্তব্য প্ৰকাশ কৰিব পাৰোনে? মই এনেকুৱা কিবা আপচু শব্দ বা বাক-প্ৰতিমা ব্যৱহাৰ কৰিছো নেকি— যিবোৰ মই পৰিহাৰ কৰি চলিব পাৰিলোহেঁতেন?"—

—জৰ্জ অৰবেল।

"কৃত্ৰিমালি বা আন্তৰিকতাৰ অভাবেই হ'ল স্পষ্ট ভাষাৰ আটাইতকৈ ডাঙৰ শত্ৰু। যেতিয়া কোনো এজন মানুহৰ প্ৰকৃত উদ্দেশ্য আৰু ঘোষিত উদ্দেশ্যৰ মাজত মিল নাথাকে, তেতিয়াই তেওঁ দীঘল দীঘল শব্দ আৰু ক্ষয় গৈ ভোটা হোৱা ৰূপক উপমাৰ আশ্ৰয় লয়।"—

—জৰ্জ অৰবেল।

---

[ উপৰোক্ত উদ্ধৃতি কেইটা হোমেন বৰগোহাঁঞিৰ 'জীৱনৰ সাধনা আৰু অন্যান্য ৰচনা'ৰ পৰা সংগৃহীত। ]

# ‘জৱাহৰ জ্যোতি’ সম্পাদনা সমিতি
# ১৯৯২-৯৩ চন ।



থিয় হৈ : (বাওঁফালৰ পৰা) সৰ্বশ্ৰী ক্ষীৰোদ কুমাৰ চৌধুৰী, (সম্পাদক, ‘জৱাহৰ জ্যোতি’), জগৎ চন্দ্ৰ দাস (সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা), কুসুম কুমাৰ ডেকা (ছাত্ৰ সদস্য),
বহি : (বাওঁফালৰ পৰা) অধ্যাপক মৃগেন্দ্ৰ কুমাৰ শৰ্মা (সদস্য), অধ্যাপক লক্ষীকান্ত শৰ্মা (সদস্য), অধ্যক্ষ যতীন্দ্ৰ চন্দ্ৰ নাথ (সভাপতি), অধ্যাপক বসন্ত কুমাৰ দত্ত (সদস্য), অধ্যাপক দিলীপ কুমাৰ দাস (তত্ত্বাৱধায়ক, ‘জৱাহৰ জ্যোতি’) ।



১৯৯১-৯৩ চনৰ 'মহাবিদ্যালয় সপ্তাহ'ৰ মুখ্য অতিথি কবি হীৰেন ভট্টাচাৰ্য আৰু নিৰ্দিষ্ট বক্তাদ্বয় শ্ৰীবিনন্দ কুমাৰ শইকীয়া আৰু শ্ৰীঅৰুন বৰাৰ সৈতে মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকল ।

# ENGLISH SECTION

# THE JAWAHAR JYOTI

Fifteenth Issue

1992-93

*Prof. Incharge:*

Dilip Das.

*Editor:*

Kshirod Kr. Choudhury.

# THIS SECTION PRESENTS


| | | |
|---|---|---|
| Anthropometry and its service to Mankind : | B. C. Goswami | 1 |
| Present Teaching and Office Staff of the College : 1992-93 : | | 5 |

# Anthropometry and its service to Mankind

B. C. Goswami
Head of the Dept. of
Anthropology.

Anthropometry is a branch of science. It deals with the measurement of the human body by weight, proportion and size. This measuring technique consists mainly in the determination of the dimensions of the body. People living in different environments differ in a greater and lesser degree so far as their bodily features are concerned. The scientific study of these differences can only be conducted with the help of anthropometry.

Anthropometry is closely related to physical anthropology that deals with the physical aspects of man—his evolution, variation and racial composition. In anthropometry the measurements of both the living human body and the skeleton are taken. In this sense anthropometry is divided mainly into two branches i. e. the measurement of the living body, which is called somatometry ('soma' means body.) and the measurement of the head and the face, which is known as cephalometry. It is worth mentioning that the measurement of the skeletal parts of the human body is known as osteometry and that of the skull is known as craniometry. So both somatometry and cephalometry are concerned with the measurement of the living body. On the other hand both asteometry and craniometry are concerned with the measurement of the skeleton.

Anthropometry was first introduced in Germany in the year 1874. Then in the Congress of the German

Anthropological Society a few anthropologists made a proposal to include some new measurements and techniques The matter was discussed later by the scientists in both the craniometric conferences of Munich in 1877 and Berlin in 1880. The introduction of the new techniques in measurement and observation effected a great change in somatometry and craniometry. It is popularly known as the Frankfort Agreement of 1882.

The 13th International Congress of Prehistoric Anthropology & Archaeology of Monaco, held in 1906 played a remarkable role in the work of techniques of anthropometry. The results of the work were published subsequently. There was wide circulation of them too. It is to be noted that John Blumenbach, the well-known anthropologist, introduced for the first time the idea of race classification on the basis of some measurements of the human body. It was he who thus classified mankind into different varieties. Paul Broca too by his various contributions threw light on the different lines of the study of man.

Anthropometry plays a leading role in the welfare of the human society in different ways. Its application in various fields is very remarkable. During the last world wars anthropometry was abundantly used for the identification of the war-dead. Its application in the recruitment to military service is very essential. The Air Forces in the various parts of the world have been taking the help of anthropometry in the case of recruitment of persons for service. In recent time Prof. E. A. Hooton took the help of anthropometry in studying the sitting accommodation in trains, planes and motor vehicles. He took its help also in making improvement of the size of clothing for women and children.

The data of anthropometry have been extensively utilized even in the fields of medicine, paediatrics and orthopaedics. The physicians too very often feel the need of anthropometry in their noble profession. It also plays a special role in sports medicine. Many physical

deformities can be detected while taking measurement of the different parts of the body. An Anthropometrical study of a large number of athletes of the different parts of the world is very much helpful in classifying them in bodily dimensions.

The importance of anthropometry in different spheres can thus be easily understood. In India the different scholars are busy with their works among the different groups of people and for it, they take the help of the anthropometrical study. It is to be noted that Dr. S. S. Sarkar made some contributions in this line His study on Race and Race Movements in India throws a new light on the study of races in our country. ☆

---

"Man's destined purpose is to conquer old habits, to overcome the evil in him and to restore good to its rightful place. If religion does not teach us how to achieve this conquest, it teaches us nothing."

* * * * *

"It is no non-violence if we merely love those that love us. It is non-violence only when we love those that hate us. I know how difficult it is to follow this grand Law of Love. But are not all good and great things difficult to do ?" —Mahatma Gandhi

---

## WORDS UNFORGETTABLE :

★ There is an eternal struggle raging in man's breast between the powers of darkness and of light, and he who has not the sheet-anchor of prayer to rely upon will be a victim to the powers of darkness. The man of prayer will be at peace with himself and with the whole world; the man who goes about the affairs of the world without a prayerful heart will be miserable and will make the world also miserable.

—Mahatma Gandhi.

★ He is smaller than an atom. and bigger than the Himalayas. He is contained even in a drop of the ocean, and yet not even the seven seas can compass Him.

—Mahatma Gandhi.

★ We live in an age of science and we cannot be called upon to accept incredible dogmas or exclusive revelations. It is again an age of humanism. Religions which are insensitive to human ills and social crimes do not appeal to the modern man. Religions which make for division, discord and disintegration and do not foster unity, understanding and coherence, play into the hands of the opponents of religion.

—S. Radhakrishnan.

# Present Teaching and Office Staff of the College : 1992-93

**PRINCIPAL :**

Sri Jatindra Chandra Nath, M. A. ( B. H. U. )

১ **Department of Assamese :**

1. Sri Basanta Kr. Dutta, M. A. (Head of the Deptt.)
2. ,, Madan Ch. Kakati, M. A.
3. ,, Dharma Kanta Baruah, M A.
4. ,, Jatindra Ch. Medhi, M. A
5. ,, Kamaleswar Thakuria, M. A. B. Mus.

২ **Deptt. of English :**

1. Sri Dilip Kr. Das, M. A. ( Head of the Deptt. )
2. ,, Mrigendra Kr. Sarmah, M. A.
3. ,, Umesh Ch. Kar, M A.

৩ **Deptt. of Economics :**

1. Sri Sarat Ch. Talukdar, M. A. (Hd. of the Deptt.)
2. ,, Debendra Nath Sarmah, M. A., B. T.
3. ,, Akan Chandra Patowary, M. A.

৪ **Deptt. of History :**

1. Sri Dwijendra Nath Das, M. A. (Hd. of the Deptt.)
2. ,, Lakshi Kanta Sarmah, M. A.

৫ **Deptt. of Political Science :**

1. Md. Mozibar Rahman, M. A. (Hd. of the Deptt.)
2. ,, Prabodh Chandra Das, M. A.
3. ,, Praneswar Nath, M. A., B. Mus.

**Deptt. of Anthropology :**

1. Sri Bhabesh Chandra Goswami, M. Sc.
   ( Head of the Deptt. )
2. Mrs. Joyashree Bhuyan. M. A.
3. Mrs Binaya Devi, M. Sc.

**Deptt. af Education :**

1. Mrs Rumita Phukan, M. A.
2. ,, Bijaya Deka, M. A.
3. ,, Khiroda Mali, M. A. .

**Deptt. of Geography :**

1. Sri Nabin Chandra Mudiar, M. A.
2. ,, Abani Kumar Das, M. Sc.
3. ,, Jugalkishore Nath, M. Sc.

**Deptt. of Biology :**

1. Mrs Nanda Devi, M. Sc., B. Ed.
2. ,, Purabi Rabha, M. Sc.

**Deptt. of Physics :**

1. Sri Pranab Kumar Sarmah, M. Sc.

**Deptt. of Chemistry :**

1. Md. Meraj Khan, M. Sc.

**Deptt. of Mathematics :**

1. Sri Dhiraj Kumar Das, M. Sc.

**Office Staff :**

1. Sri Kanak Chandra Das, ( U. D. A. )
2. ,, Radha Charan Medhi, ( U. D. A. )
3. ,, Sailendra Nath Sarmah, ( L. D. A. )
4. ,, Amal Rabha, ( Typist )
5. ,, Pradip Kumar Das, ( L. D. A. )

6. ,, Sarbeswar Das, ( Grade IV )
7. ,, Mahesh Das, ( Grade IV )
8. ,, Mrs Urbashi Das, ( Girls' comman room attendant )

**Library and Other Staff :**

1. Sri Gautam Rabha. B. A. ( Librarian )
2. ,, Bharat Choudhury ( Library Asstt )
3. ,, Mahendra Kalita, ( Grade IV )
4. ,, Bharat Rabha ( Grade IV )
5. ,, Jibeswar Thakuria ( Library Bearer )
6. ,, Narayan Rabha ( Laboratory Bearer )
7. ,, Ajoy Das ( Bearer, Students' Union )
8. ,, Liben Hajang ( Grade IV )
9. ,, Sabharam Boro ( Gardener ).

**GRADUATES OF THE YEAR : 1992**

**NAMES :**

1. Sri Dhananjay Daimari, As (M) II
2. ,, Lankeswar Das, As (M) II
3. ,, Lohit Ch. Rabha, As (M) II
4. Md. Nasiruddin Ahmed As (M) II
5. ,, Riazuddin Ahmed As (M) II
6. Sri Sukumar Mandal, As. (M) II
7. Miss Anamika Medhi, As. (M) II
8. Miss Anjali Kalita, As (M) II
9. ,, Anima Sarmah, As (M) II
10. ,, Dipika Thakuria, As (M) II
11. ,, Jyotsna Rani Shil, As (M) II
12. ,, Jaba Thakuria, As (M) II

13. Miss Manju Rani Roy As. (M) II
14. „ Chanu Rabha, As. (M) II
15. Md. Taijuddin Ahmed, Eco (M) II
16. Sri Pratap Kalita
17. „ Sukleswar Boro
18. Md. Masharof Hussain
19 Sri Kumar Chandra Boro
20 „ Manoranjan Rabha
21 „ Pranay Chandra Kalita
22 Md. Sukur Ali
23 Miss Lakshmi Deka
24 „ Rambhabati Rabha
25 „ Md. Abdul Matleb II Div.
26 Sri Benudhar Kalita II „
27 „ Bishnu Das II „
28 „ Dhaneswar Bayan II „
29 „ Kamal Kumar Rabha II „
30 „ Phanindra Thakuria II „
31 „ Ramprasad Mazumdar II „
32 Md. Rabiyal Hussain II „
33 Sri Ratan Kumar Boro II „
34 „ Tarini Kanta Baishya II „
35 „ Subhadh Rabha II „
36 Miss Manju Baruah II „
37 Sri Bharat Chandra Hazowary
38 „ Bipul Chandra Kachari
39 „ Dhananjay Talukdar
40 „ Hitesh Bayan

41. Sri Jitendra Roy
42. Sri Harsha Kalita
43. Md. Hanif Ali Ahmed
44. Sri Sona Ram Rabha
45. Sri Sarat Ch. Talukdar
46. Miss Manjula Thakuria
47. Miss Mili Rani Dutta
48. Miss Subhadra Bayan
49. Md. Jakir Hussain
50. Sri Sunil Khakhlary
51. Miss Amila Rabha.

× ×

JAWAHARLAL NEHRU COLLEGE · BOKO

